

# সুৰেন দাস মহাবিদ্যালয়

২য় সংখ্যা আলোচনী ১৯৮৮-৮৯



# সুৰেন দাস মহাবিদ্যালয় আলোচনী

৯৮৮-৮৯ চন ২য় সংখ্যা

**সম্পাদক মণ্ডলী**

১। শ্ৰীগৌতম শইকীয়া
২। শ্ৰীভগবান চন্দ্ৰ দাস
৩। শ্ৰীগৌতম মালাকৰ
৪। মঃ মুছলিমুদ্দিন আহমেদ

**তত্বাৱধায়ক অধ্যাপক**

অধ্যাপক, জ্যোতিষ চন্দ্ৰ বৰ্মণ

…পাত, আৰ্টিষ্ট গিল্ড গুৱাহাটী।

## সম্পাদনা সমিতি

১। অধ্যক্ষ শ্ৰীদয়ানন্দ পাঠক — সভাপতি ।

২। অধ্যাপক শ্ৰীজ্যোতিষ চন্দ্ৰ বৰ্মন— তত্বাবধায়ক অধ্যাপক। আলোচনী বিভাগ ।

৩। অধ্যাপক সুৰেন চন্দ্ৰ চৌধুৰী— সদস্য ।

৪। অধ্যাপক ধ্ৰুব প্ৰসাদ বৈশ্য— সদস্য ।

৫। অধ্যাপিকা নন্দিতা চলিহা— সদস্যা ।

৬। শ্ৰীগৌতম শইকীয়া— সদস্য ।
সাধাৰণ সম্পাদক, ছাঃ এঃ সঃ

৭। শ্ৰীগৌতম মালাকাৰ— সদস্য ।
সঃ সাঃ সঃ ছাঃ এঃ সঃ

৮। শ্ৰীভগবান দাস— সদস্য ।

৯। মঃ মুছলিমমুদ্দিন আহমেদ— সদস্য
উপ-সভাপতি, ছাঃ এঃ সঃ

——:: ০ ::——

## সূচীপত্ৰ


১। সম্পাদকীয় —

**প্ৰবন্ধ** পৃঃ

২। কৃষ্ণকান্ত সন্দিকৈ : ব্যক্তিত্ব আৰু সাহিত্যকৃতি— অধাপক বিষ্ণুকান্ত শৰ্ম্মা । ১

৩। নিবনুৱা সমস্যা আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়— মঃ আছাদ আলী আহমেদ । ৪

৪। বৰ্ত্তমান ভাৰতত বিজ্ঞান অৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ—মোঃ ছমছেৰ আলী । ৮

৫। প্ৰকৃতিৰ পম খেদি— এম, জয়নুৰ অংলী । ১১

৬। এখন ৰসৰচনা চিঠি ( লঘু ৰচনা )— শ্ৰীহৰকুমাৰ নমসুদ্ৰ (দাস) ১৪

৭। ব্যাকৰণ আৰু অসমীয়া ব্যাকৰণ — অধ্যাপক জ্যোতিষ চন্দ্ৰ বৰ্মণ । ১৫

**কবিতা**

৮। ১ মে' ১৯৮৯ — অধ্যাপিকা লোপা ডেকা বৰুৱা । ১৯

৯। ছহিদ বেদনা — লক্ষণ বৰ্মণ ২০

১০। শ্বাশ্বত হুমনিয়াহ — মনোজ কুমাৰ ডেকা । ২১

১১। নৱ প্ৰতিশ্ৰুতি — চৈয়দা ৰবিউল নেহাৰ । ২১

১২। মই বিপ্লৱী — এম নুৰফৰাক আলী । ২২

১৩। কোন তুমি কবি — মঃ নুৰুল ইছলাম । ২৩

১৪। স্মৃতি — এম নুৰফৰাজ আলী । ২৩

১৫। আশাৰ সপোন — গৌতম মালাকৰ । ২৪

১৬। কাৰবালাৰ অশ্ৰু — মীৰা দাস । ২৫

১৭। কবিতা প্ৰেমৰ ঃ বৰ্ত্তমানৰ -- আবুল হুছেইন । ২৫

**গল্প**

১৮। জীৱন ধূপৰ ছাই — চৈয়দা জাহানাৰা বেগম । ২৬

১৯। জন্মভূমি — পীৰ এম ইব্ৰাহিম বাবা । ২৮

২০। নতুন আশা — এম ৰমজান আলী । ৩১

২১। কফন ( অনুদিত গল্প ) — মলয়া ৰাজবংশী । ৩৬

**অন্যান্য**

২২। নিৰ্ব্বাচিত উদ্ধৃতি — অধ্যাপক প্ৰসন্ন কুমাৰ চহৰীয়া ৩৮

২৩। সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — গৌতম শইকীয়া । ৩৯

২৪। সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — গৌতম মালাকৰ । ৪১

২৫। ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন — অনিল কুমাৰ দাস । ৪২

২৬। সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন — চম্পক কলিতা । ৪৩

২৭। শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন -- উদ্ধৱ কলিতা । ৪৪


——×——

# সম্পাদকীয়

মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পৰা ডিগ্ৰী লাভ কৰাটোৱেই শিক্ষাৰ মুখ্য উদ্দেশ্য হ'ব নোৱাৰে। সেই বুলি শিক্ষা লাভৰ ক্ষেত্ৰত অথবা তাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত আনুষ্ঠানিকতাৰ যে বিন্দুমাত্ৰাও প্ৰাসংগিকতা নাই সেইটোৱো নহয়। আনুষ্ঠানিকতাৰ প্ৰাসংগিকতা সদায় থাকিব। কিন্তু আনুষ্ঠানিকতাতকৈ যে মানবীয় গুণ গৰিমাৰ মূল্য অধিক সেই সত্য অনস্বীকাৰ্য্য। আনুষ্ঠানিকতাৰ প্ৰয়োজনক উলাই কৰিব নোৱাৰি সঁচা, কিন্তু আনুষ্ঠানিকতাক ৰক্ষণা-বেক্ষণ দিয়াটোৱেই শিক্ষাৰ মূখ্য উদ্দেশ্য হ'ব নোৱাৰে। শিক্ষাৰ সংজ্ঞা অতি বিস্তৃত আৰু ব্যাপক। শিক্ষাই জীৱনৰ দৈহিক, পাৰলৌকিক আৰু আন আন প্ৰতিটো ব্যৱহাৰিক দিশকেই সামৰি লয়। তেনে ক্ষেত্ৰত মহাবিদ্যালয়ৰ দৰে শিক্ষানুষ্ঠান সমূহৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য্য। মহাবিদ্যালয়লৈ সমাজৰ বিভিন্ন স্তৰৰ পৰা ছাত্ৰ-ছাত্ৰী আহে আৰু যায়। এই অহা যোৱাৰ যান্ত্ৰিক প্ৰক্ৰিয়াটোৱেই শিক্ষাৰ অন্তিম কথা হ'ব নোৱাৰে। মহাবিদ্যালয়লৈ অহাৰ সময়ত ছাত্ৰ বা ছাত্ৰী এগৰাকীয়ে যি মানসিকতা লৈ আহে ঠিক একেটা মানসিকতাৰে তেওঁলোকে প্ৰত্যাৱৰ্তন কৰিবলগীয়া হ'লে শিক্ষাৰ কোনো অৰ্থ নাথাকে। এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে মহাবিদ্যালয়ৰ পৰা পুনৰ সমাজৰ বুকুলৈ ঘুৰি যোৱাৰ সময়ত তেওঁলোকে যাতে কিছু নতুন মূল্যবোধ লৈ যাব পাৰে তাৰ প্ৰতিহে মহাবিদ্যালয় এখন সজাগ হোৱাটো সকলোৰে কাম্য। শিক্ষাৰ মৌলিক উদ্দেশ্যও ঠিক সেইটোৱেই হোৱা উচিত।

তেনে এক মহৎ প্ৰক্ৰিয়াৰ বাবে ছাত্ৰ, অভিভাৱক আৰু শিক্ষকৰ মাজত এক মধুৰ আৰু ৰচনাত্মক সমন্বয় স্থাপন হোৱাটো বাঞ্চনীয়। এই সমন্বয় অবিহনে শিক্ষা কেতিয়াও পূৰ্ণাঙ্গৰূপত প্ৰকাশিত হব নোৱাৰে। য'ত পূৰ্ণাঙ্গ শিক্ষাই ৰাজত্ব কৰিব নোৱাৰে ত'ত অজ্ঞানতা আৰু অন্ধকাৰেহে ৰাজত্ব কৰিবলৈ আৰম্ভ কৰে। তেনে এক পৰিস্থিতি আমাৰ কাৰো বাবে কাম্য নহয়। আমি সকলোৱে আমাৰ শিক্ষানুষ্ঠানখনক, আমাৰ সমাজখনক, আমাৰ উত্তৰপুৰুষক এক নতুন জীৱনৰ সন্ধান দিবলৈ আমি আজিৰ পৰাই প্ৰতিশ্ৰুতিবদ্ধ হোৱাটো বাঞ্চনীয় হৈ পৰিছে। এক বৃহত্তৰ সম্ভাৱনাৰ বাবে আমি ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থক জলাঞ্জলি দি এক নতুন কৰ্ম প্ৰেৰণাৰে জীৱন পথত আগুৱাই যোৱাৰ ওপৰতহে আমাৰ দেশৰ আৰু সমাজৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।

# কৃষ্ণকান্ত সন্দিকৈঃ ব্যক্তিত্ব আৰু সাহিত্যকৃতি

অধ্যাপক বিষ্ণুকান্ত শৰ্মা

এই বিশ্বত জ্ঞানৰ পৰিধি অনন্ত। কোনো এজন মনীষীয়ে ক'ব নোৱাৰে তেওঁৰ জ্ঞান আহৰণ সমাপ্ত। বিশ্ববিখ্যাত পণ্ডিত এগৰাকীয়ে যিষাৰ মন্তব্য কৰিছিল সেই মন্তব্যষাৰ গাজত লগা ধৰণৰ। তাৰ ভাবাৰ্থ এনে 'এই বিশাল বিশ্ব জ্ঞান সাগৰৰ পৰা মই মাত্ৰ জ্ঞানৰ ক্ষুদ্ৰ পানী টোপাল এটিহে বুটলিবলৈ সমৰ্থ হৈছোঁ।' এই মহামন্ত্ৰেৰে দীক্ষিত হৈছিল আজি আমাৰ আলোচ্য কৃষ্ণকান্ত সন্দিকৈদেৱ। আজীৱন অধ্যয়ন পিপাসু মন এটিৰে জ্ঞান-সাগৰ মথি আহৰণ কৰা জ্ঞানৰ অমৃত অসমীয়া কিয় গোটেই বিশ্ববাসীকে পান কৰাই ১৯৮২ চনৰ ৭ জুনৰ দিনাখন আমাৰ মাজৰ পৰা মেলানি মাগিলে। কিন্তু, 'অনিত্যৰ মাজে আছে এটি নিত্য, সিটি কীৰ্তি-যশ'—সেই বাবে তেখেত আজিও আমাৰ মন আকাশত বিদ্যমান। এইজনা মহা মানৱৰ বিষয়ে বিস্তাৰিত আলোচনা কৰিবলৈ গলে লক্ষীনাথ বেজবৰুৱা দেৱে 'মিলাৰামৰ আত্মজীৱনী'ত ক'বৰ দৰে এখন মহাভাৰত হ'ব আৰু ময়ো দ্বিতীয় ব্যাস হওঁ। সেয়ে সন্দিকৈ ডাঙৰীয়াৰ ব্যক্তিত্ব আৰু সাহিত্যকৃতিত কিছু দিশ স্পৰ্শ কৰি আলোচনাটি সমাপ্ত কৰিব বিচাৰিছোঁ।

সন্দিকৈ ডাঙৰীয়াৰ ব্যক্তিত্বৰ এটি দিশ হ'ল প্ৰচাৰ বিমুখিত। আব্দুছ ছাত্তাৰে যেতিয়া সন্দিকৈ ডাঙৰীয়াৰ জীৱনী প্ৰকাশ কৰিবলৈ বিচাৰিছিল তেতিয়া সন্দিকৈয়ে অসন্মতি প্ৰকাশ কৰিছিল। কিন্তু, ছাত্তাৰ ডাঙৰীয়াই "পৰবৰ্তী পুৰুষে আপোনাৰ নিচিনা পণ্ডিত এজনৰ সম্বন্ধে নজনাকৈয়ে থাকিব। এতিয়াই আপোনাৰ সম্বন্ধে মুখৰোচক গল্প শুনা যায়"—বুলি কোৱাত কেৰজেৰকৈ সন্দিকৈ ডাঙৰীয়া মান্তি হৈ ক'লে, "হয় মোৰ কথা মই কাকো কোৱা নাই। মোৰ বিষয়ে বাস্তৱতে এতিয়াও বিশেষ একো নাজানে। মোৰ জীৱন-প্ৰণালী চাই সেই কাৰণে মৃত্যুৰ পিচত সঁচাই-মিছাই কিছুমান অতিৰঞ্জিত কথা ওলাৱাতকৈ জীৱিত অৱস্থাতে তুমিয়ে দুই এটা কথা টুকি লবাহি।" তদুপৰি সন্দিকৈয়ে নামৰ আগত কোনো উপাধি ব্যৱহাৰ কৰাটো পচন্দ কৰা নাছিল হেতু ছাত্তাৰ ডাঙৰীয়াই পুথিখনৰ নামকৰণ 'কৃষ্ণকান্ত সন্দিকৈ' থৈছিল।

( তেখেতৰ অমৰ আত্মাই শান্তি পাওঁক বুলিয়েই আমিও আলোচনাটিৰ নাম ভূমিকাত কোনো বিশ্লেষণ লগোৱা নাই। )

"পল্ পল্ দণ্ড কৰি সময় গৈছে উৰি
পাখিলগা কাঁড়ৰ দৰে।"

কিন্তু সন্দিকৈৰ হাতত সময়েও নতি স্বীকাৰ কৰে। অৰ্থাৎ সময়ৰ সদ্-ব্যৱহাৰত সন্দিকৈ ডাঙৰীয়া সিদ্ধ হস্ত। তেখেতে কাৰোবাক সাক্ষাৎ দিবলৈ হ'লে সময় নিৰ্দিষ্ট কৰি দিছিল আৰু সেই সময়তহে সাক্ষাৎ দিছিল। যি সকলে সময়ৰ

শৰ মাৰিব নোৱাৰিছিল সেই সকলে শৰ গহুৰ মওহ খাবলৈ নাপাইছিল। অধ্যয়নৰ সময়ত তেখেতৰ হাতঘড়ী সদায় ১½/২ঘণ্টা আগবঁঢ়া। কিয়নো পঢ়ি থাকোঁতে তেখেতৰ স্বাস্থ্য হানি হৈছিল। সেয়ে ১২ বাজিলে ২ বজা বুলি ভাবি অধ্যয়নৰ পৰা বিৰতি লৈছিল।

অধ্যয়ন পিপাসু মনটিৰ বাবে তেখেতৰ সংগ বেছি নাছিল। সেয়ে সমাজত তেখেতৰ বিষয়ে বিভিন্ন মুখৰোচক গল্প শুনা গৈছিল।

সন্দিকৈ আছিল নিৰ্মল মন আৰু চৰিত্ৰৰ অধিকাৰী। এই প্ৰসংগত আব্দুছ ছাত্তাৰে লিখিছে "ইউৰোপত থকা কালছোৱাত সন্দিকৈ আছিল ভৰ যৌৱনৰ এজন সুন্দৰ যুৱক। এনে যুৱক এজনক প্ৰলোভনত পেলাব পৰা সামগ্ৰীৰ অভাৱ তাত নাছিল। কিন্তু, পাশ্চাত্যৰ চহৰ পেৰিচ আৰু লণ্ডনৰ বিলাসিতা আৰু নানা প্ৰলোভনেও সন্দিকৈক এদিনলৈও টলাব পৰা নাছিল।" আব্দুছ ছাত্তাৰৰ এই মন্তব্যৰ ওপৰত ভিত্তি কৰি যদি আমি প্ৰবাসী ভাৰতীয় সকলৰ ওপৰত দৃষ্টিপাত কৰো তেন্তে অন্যান্য প্ৰবাসী ভাৰতীয়ই তেনে যৌৱন কালছোৱাত এই প্ৰলোভনৰ হাত সাৰি আহিব পৰা নাছিল বুলিলেও বোধহয় সত্যৰ অপলাপ কৰা নহব। আনকি জাতিৰ পিতা মহাত্মা গান্ধীয়েও এজন ভাল ইংৰাজ ভদ্ৰলোক হবলৈ চেষ্টা কৰি তেওঁৰ পোছাক-পাতি পৰিবৰ্তন কৰাৰ উপৰিও 'পিয়ানো' আৰু নৃত্য শিকিবলৈ চেষ্টা কৰিছিল। অৱশেষত ভুল উপলব্ধি কৰি তাৰ পৰা বিৰত হৈছিল।

'এশ মূৰ্খ পুত্ৰতকৈ বৰং এটি গুণবান পুত্ৰই ভাল'—এই মন্তব্যটি আমি সন্দিকৈ ডাঙৰীয়াৰ ৰচনাৱলীৰ ক্ষেত্ৰত প্ৰযোজ্য কৰিব পাৰোঁ। তেখেতৰ জীৱন কাল হিচাপে ৰচনাৰ সংখ্যা কম। কিন্তু, গুণগত দিশত ই বিশ্ববৰেণ্য। তেনে এজন বিশ্ববৰেণ্য পণ্ডিতৰ সাহিত্যকৃতি আমাৰ দৰে অধমে আলোচনা কৰিবলৈ দুঃসাহস কৰা মানে 'ঢোল যেন ডিমা পাৰে চুঙাৰ বাদুলি' সদৃশহে হ'ব। তথাপিও মৰণত শৰণ দি কিছু দিশত আলোচনা আগবঢ়োৱা হ'ল—

সন্দিকৈদেৱে শিক্ষাজীৱনত পৃথিবীৰ ১১ টা ভাষা শিকি সেই সেই ভাষাৰ পুথি অধ্যয়ন কৰিছিল। তাৰেই ফলশ্ৰুতিত আমি পাইছোঁ সেই সেই দেশৰ সাহিত্যৰ সাৰগৰ্ভ প্ৰৱন্ধাৱলী। তেনে প্ৰৱন্ধৰ কিছু নিদৰ্শন হ'ল 'গ্ৰীক ভাষা', 'গ্ৰীক নাটকৰ গান,' 'জাৰ্মানিৰ জ্ঞান সাধনা,' 'জাৰ্মান সাহিত্যৰ সপোন নাটক,' 'German Academic Ideals', 'স্পেনিচ সাহিত্যৰ ৰমিঅ'-জুলিয়েট,' 'An Indian Prince in a Greek Prose, Romance,' 'চক্ৰেটিছৰ মতে কবিৰ প্ৰকৃতি, আদি।

সাহিত্য জাতিৰ দাপোন। কোৱা হয় দাপোনে মিছা কথা নকয়। এই কথাফাঁকি হাঁড়ে-হিমজুৱে উপলব্ধি হয় অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশনৰ সভাপতিৰ অভিভাষণৰ পৰা। এই অভিভাষণত সেই সময়ৰ অসমীয়া সাহিত্যৰ এটি দুখলগা অৱস্থা প্ৰতিফলিত কৰি গৈছে। জাতি—উপজাতিৰ মাজত সমন্বয় আনিবলৈ, ভাষাৰ বিভ্ৰাটৰ ক্ষেত্ৰত সংযতভাৱে অগ্ৰসৰ হ'বলৈ আহবান জনাইছিল অসমৰ সুধী সমাজক। তদুপৰি, পৃথিবীৰ বিভিন্ন সাহিত্যৰ উৎকৰ্ষলৈ লক্ষ্য ৰাখি অসমীয়া সাহিত্যৰ দুখ লগা চিত্ৰ আৰু তাৰ সমাধান এটিও প্ৰতিফলিত কৰি গৈছে সেই অমূল্য অভিভাষণখনিৰ জৰিয়তে।

সন্দিকৈদেৱৰ নাম যুগমীয়া কৰিলে অনুবাদ সাহিত্যইহে। অকল অনুবাদ কিয় টীকা-টিপ্পনীসহ পাণ্ডিত্যপূৰ্ণ সমালোচনাই বিশ্বৰ পণ্ডিতমণ্ডলীৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সমৰ্থ হোৱা পুথি কেইখন, হ'ল 'নৈষধ চৰিত', 'ফাস্তিলক আৰু সেতুবন্ধ,।



সন্দিকৈদেৱৰ প্ৰথম কীৰ্তিস্তম্ভ হ'ল শ্ৰীহৰ্ষ বিৰচিত 'নৈষধ-চৰিত'ৰ টীকা সহ ইংৰাজীলৈ অনুবাদ। বিষয়-বস্তুৰ ফালৰ পৰা এই মহাকাব্যখনত নল-দময়ন্তীৰ পূৰ্বৰাগৰ ফলত বিৰহ, মিলন হোৱাৰ পিছত কলিৰ কোপদৃষ্টিত বিচ্ছেদ আৰু অৱশেষত পুনৰ মিলনৰ কাহিনী বৰ্ণিত হৈছে। দেৱ ভাষাৰ পৰা সৰ্বসাধাৰণে বুজিব পৰাকৈ ইংৰাজীলৈ টীকাসহ অনুবাদ কৰি সন্দিকৈ ডাঙৰীয়াই বিশ্বৰ পণ্ডিত মণ্ডলীৰ আসনত ঠাই নিগাজী কৰিলে। 'নৈষধ-চৰিত'ৰ প্ৰশংসা কৰা দেশ-বিদেশৰ পণ্ডিত মণ্ডলীৰ ভিতৰত অধ্যাপক এ-বি কিথ, অধ্যাপক এম উইণ্টাৰনিজ, জি-এন কবিৰাজ, ড: চি কে ৰাজা আদি প্ৰধান।

কৃষ্ণকান্ত সন্দিকৈৰ দ্বিতীয় কীৰ্তিস্তম্ভ হ'ল 'যশস্তিলক'ৰ অনুবাদ। দশম শতিকাৰ প্ৰাকৃত ভাষাত লিখা সোমদেৱৰ 'যশস্তিলক' নামৰ কাব্যখন "Somadeva's Yasastilaka and Aspects of Jainism and Indian Thought and Culture in the Tenth Century" নাম দি সমালোচনামূলক এখন গ্ৰন্থ প্ৰকাশ কৰে ১৯৪৯ চনত। এই পুথিখনৰ মূল বিষয়বস্তু হ'ল জৈন ধৰ্ম কি, মহাবীৰ কিয় অৱতাৰী পুৰুষ তাৰ আভাষ আছে। ইয়াৰ আনুষঙ্গিক হিচাপে সেই সময়ৰ ভাৰতীয় চিন্তাধাৰা আৰু সভ্যতা তথা সংস্কৃতি গ্ৰন্থখনিৰ কোঁহে কোঁহে বিৰাজমান। পণ্ডিত্যপূৰ্ণ টীকা-ভাষ্যসহ সমালোচনামূলক গ্ৰন্থখন সন্দিকৈ ডাঙৰীয়াই ইংৰাজীত লেখা বাবে ই বিশ্ববাসীৰ বাবে বোধগম্য হ'ল। ইটালীৰ পণ্ডিত অস্কাৰ বটোৱে 'The most learned work of K. K. Handiqui' বুলি উচ্চ প্ৰশংসা কৰিছে। ইয়াৰ উপৰিও অনেক পণ্ডিতে এই গ্ৰন্থৰ প্ৰশস্তি কৰিছে। এইখনেই সন্দিকৈ ডাঙৰীয়াৰ জীৱনৰ শ্ৰেষ্ঠ কীৰ্তিস্তম্ভ।

সন্দিকৈ ডাঙৰীয়াৰ মহৎ কীৰ্তিস্তম্ভৰ ভিতৰত অন্যতম 'সেতুবন্ধ'ৰ টীকা-টিপ্পনীসহ ইংৰাজী ভাষালৈ অনুবাদ। প্ৰৱৰসেনৰ কাব্যৰ নাম 'সেতুবন্ধ' বা 'দহমুহবহো' বা ৰাৱণবহো অৰ্থাৎ ৰাৱণ বধ। এইখনেই প্ৰাকৃত ভাষাৰ শ্ৰেষ্ঠ মহাকাব্য। বালী বধৰ পৰা আৰম্ভ কৰি কিস্কিন্ধা কাণ্ড আৰু লঙ্কা কাণ্ডৰ কাহিনী অতি শুৱলা ভাষাৰে ইয়াত বৰ্ণনা কৰা হৈছে। মহাৰাষ্ট্ৰী প্ৰাকৃতত লিখা এই কাব্যই সৰ্বপ্ৰাচীন প্ৰাকৃত মহাকাব্য। প্ৰাকৃত ৰসিকসকলৰ ওচৰত কবি প্ৰবৰসেন মহাকবি কালিদাসৰ সমানেই সমাদৃত। বানভট্টই তেওঁৰ 'হৰ্ষ-চৰিত'ৰ ভূমিকাত কবিকুলৰ প্ৰশংসা কৰিবৰ সময়ত কৈছেঃ

"কীৰ্তি প্ৰবৰসেনস্য প্ৰয়াতা কুমুদোজ্জ্বলা।
সাগৰস্য পৰং পাৰং কপি সেনৈব সেতুনা ॥"

[ কপি সেনাই যিদৰে সেতুৰ দ্বাৰা সাগৰৰ সিপাৰলৈ গৈছিল তেনেদৰে সেতুবন্ধ কাব্যৰ দ্বাৰাও প্ৰৱৰসেনৰ কীৰ্তি সাগৰৰ সিপাৰলৈ গৈছিল। ]

প্ৰৱৰসেনৰ প্ৰতি প্ৰশংসা স্তৱকটি অলপ অদলবদল কৰি সন্দিকৈ ডাঙৰীয়াৰ ক্ষেত্ৰতো প্ৰযোজ্য কৰিব পাৰি এনেদৰে—

"কীৰ্তিঃ সন্দিকৈদেৱস্য অনুবাদাতা কুমুদোজ্জ্বলা।
সাগৰস্য পৰং পাৰং কপিসেনৈব সেতুনা ॥

উক্ত স্তৱকটিৰ সত্যাসত্য নিৰ্ণয় কৰিব পাৰি দেশ-বিদেশত এই কিতাপখনৰ উচ্চ প্ৰশংসিত হোৱাৰ পৰা।

সন্দিকৈ ডাঙৰীয়াৰ তিৰোধানৰ দিনা ব্ৰিটিছ ব্ৰডকাষ্টিং কৰ্পোৰেচনে বাতৰিত কৈছিল—সন্দিকৈৰ মৃত্যুত এচিয়াই এজন ডাঙৰ পণ্ডিত হেৰুৱালে। কিন্তু, সাহিত্য কৃতিত তেখেত এচিয়া কিয় ইউৰোপকো শোকৰ সাগৰত পেলাইছিল। তেখেতৰ বিদেহী আত্মাই শান্তি পাওঁক—তাৰেই কামনাৰে এই ক্ষুদ্ৰ আলোচনাটিৰ সামৰণি মাৰিছোঁ।

# নিবনুৱা সমস্যা আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়

মঃ আছাদ আলী আহমেদ
স্নাতক ১ম বাৰ্ষিক (কলা)

বৰ্তমান যুগত নিবনুৱা শব্দটো শিক্ষিত অশিক্ষিত সকলোৱে জানে। নিবনুৱাৰ বিষয়ে দোকান পোহাৰ আদিত প্ৰায় লোকেই আলোচনা কৰা দেখা যায়। নিবনুৱা বুলিলে আমি ইয়াকে বুজো যে এক শ্ৰেণীৰ কৰ্মহীন লোক। পৃথিৱীৰ কৃষি প্ৰধান দেশবিলাকত শতকৰা ৭৫ জন লোক কৃষিৰ ওপৰত নিৰ্ভৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰে। অসম এখন কৃষি প্ৰধান দেশ। উনৈশ শতিকাৰ মাজ ভাগৰ পৰা ২০ শতিকাৰ শেষ পৰ্য্যন্ত অসমীয়া পুৰুষে নিবনুৱা সমস্যাৰ ফালে যিমানে আগবাঢ়ি গৈছে তাক সঁচাকৈয়ে মন কৰিবলগীয়া। বৰ্তমান যুগত দিনক দিনে নিবনুৱাৰ সংখ্যা বৃদ্ধি হোৱাটো এটি পৰিতাপৰ কথা। বৰ্তমান অসমৰ নিবনুৱা প্ৰায় ২০ লাখতকৈ অধিক। নিবনুৱা সমস্যাটো বৰ্তমান চাৰিওপিনে বিয়পি পৰিছে। এই বিষয়ত বহুতো শিক্ষিত আৰু অৰ্ধ শিক্ষিত যুৱকে শাৰীৰিক ভয়ত বা আন কিবা কাৰণতেই হওক চৰকাৰী চাকৰি বিচাৰি কপালৰ ঘাম মাটিত পেলাইছে। আচলতে ইয়াৰ কাৰণবোৰ মন কৰিবলগীয়া।

১) কুটীৰ শিল্পৰ অৱনতি ঃ—সৰু ডাঙৰ কলকাৰখানা যন্ত্ৰপাতিৰ সহায় নোলোৱাকৈ আমি দৈনন্দিন জীৱনত সাধাৰণ সা-সজুলিৰে যিবোৰ শিল্প কাৰ্য্য কৰিব পাৰো সেইবোৰেই কুটীৰ শিল্প।

১৮২৬ চনৰ ইয়ান্দাবু সন্ধিৰ ফলত অসম পৰাধীনতাৰ কবলত পৰাৰে পৰা অসমত পাশ্চাত্য সভ্যতা বিয়পি পৰাত তাক অনুকৰণ কৰি অসমীয়াই নিজৰ প্ৰাচীন সভ্যতা তথা কুটীৰ শিল্পৰ উন্নতি আওকান কৰি পশ্চিমীয়া নগৰীয়া ৰং বিৰঙৰ যান্ত্ৰিকতাক আকোৱালি ললে। কুটীৰ শিল্প মানুহৰ আজৰি সময়ৰ একোটি লাভজনক কাম আৰু অধিক উপাৰ্জনৰ বাট। কিন্তু দিনটো ঘৰতে বহি আঙুলি বুলোৱা, চকুৰ জ্যোতি যোৱা হাতৰ বিদ্যা যেন অসমীয়া যুৱক যুৱতী সকলৰ মাজত শোভা নাপায়। আজি যন্ত্ৰৰ সহায়ত টকা পইচা খৰচ হলেও ৰং-চঙীয়া লাহি পাতল উজ্জ্বল ৰংবোৰ ঘৰুৱা শিল্পত গঢ়ি উঠা মিহি খহতা ৰংবোৰক চেৰ পেলালে।

২) শিল্পোদ্যাগ আৰু চৰকাৰৰ অৱহেলা ঃ—পৰাধীনতাৰ কবলৰ পৰা মুক্ত হোৱা আজি ৪২ বছৰ পিছতো বহল পৰিমাণে আৱশ্যকীয় সামগ্ৰী দেশত থকা স্বত্বেও অসমৰ দৰে দেশ এখনত আজি কোটিপতি উন্নতিমূলক বৃহৎ উদ্যোগ গঢ়ি নুঠাৰ কাৰণ অসমীয়া গণ্যমান্য লোক সকল আৰু চৰকাৰৰ অৱহেলা। সেয়ে অসমীয়াই চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিব লগা হৈছে। ইংৰাজীত এষাৰ কথা আছে—Without Revolution there is no Reformation. আমাৰ দেশৰ ক্ষেত্ৰতো কথাষাৰ ফলি আছে। অসমীয়া যুৱক-যুৱতী সকলে চৰকাৰৰ লগত যুঁজ নকৰাকৈ আমাৰ দেশত আজিলৈ কোনো শিল্প গঢ়ি উঠা নাই। দুই চাৰিটা সৰুসুৰা উদ্যোগ গঢ়ি উঠিছে যদিও তাত থকা মুৰব্বী সকল অসমীয়া নহয়। আনহাতে কেইটামান সৰু শিল্প উদ্যোগ চেনীকল, সাৰ কাৰখানা, নুনমাটিৰ শোধানাগাৰ, বঙাইগাওঁৰ Petro-chemicalৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰিব নোৱাৰে। বৃহৎ শিল্প উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি বহল দৃষ্টি ৰখাটো অতি প্ৰয়োজন।

৩) প্ৰাকৃতিক দুৰ্যোগ ঃ—ভূমিকম্প, আগ্নেয়গিৰি, বানপানী, খৰাং বতৰ আদি প্ৰাকৃতিক দুৰ্য্যোগৰ পৰা অসম হাত সাৰিব পৰা নাই। আজি কেইবা বছৰ খৰাং বতৰ বানপানী ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াই দেশখনক জুৰুলা কৰি পেলাইছে।

৪) শিক্ষা সমস্যা আৰু শ্ৰমৰ মানদণ্ড :—স্বাধীনতাৰ পিছৰ পৰা আমাৰ দেশত বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ সংখ্যা বঢ়াৰ লগে লগে বিভিন্ন ধৰণৰ উচ্চ-শিক্ষিতৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। University ৰ Degree লাভ কৰা সকলে উপযুক্ত শিক্ষা বা প্ৰশিক্ষণৰ পৰা বঞ্চিত হবলগাত পৰিছে। দিনক দিনে অনা অসমীয়া নিয়োজিত হৈ আছে। কাৰণ উপযুক্ত শিক্ষাৰ অভাৱত বৰ্তমান নিয়োগ আৰু প্ৰতিযোগিতাৰ বজাৰত University ৰ Degree ধাৰী অসমীয়া পুৰুষৰ দাম কম। অতি প্ৰাচীন কালত ভাৰতীয় শিক্ষা আছিল 'ব্ৰহ্মজ্ঞান'। কিন্তু পাশ্চাত্য সভ্যতাৰ কবলত পৰি ই সমূলি পৰিবৰ্তন হৈছে। ইয়াৰোপৰি অসমীয়ালোকৰ শ্ৰমৰ মৰ্যাদা বিচাৰ কৰাটো নিবনুৱা সমস্যাৰ অন্য এটি কাৰণ।

৫) খেতিয়কৰ দুৰৱস্থা ঃ—কৃষিৰ উন্নতিয়ে দেশৰ উন্নতি। কৃষি অবিহনে দেশ তিষ্ঠিব নোৱাৰে। কেৱল চৰকাৰী 'জয় কিষানে' কৃষকৰ মংগল সাধন কৰি নোৱাৰে। দেশ তথা খেতিয়কৰ মান ৰক্ষা কৰিবলৈ হলে কল্যাণকামী ৰাষ্ট্ৰৰ দৃষ্টিৰে আৰু চৰকাৰে আন্তৰিকতাৰে তেখেত সকলৰ বিহিত ব্যৱস্থা গ্ৰহণ কৰিলেহে সমাজ আৰু দেশৰ ধৰণী স্বৰূপ হিচাপে কৃষকে কৃষি কাৰ্য্যৰ মাজত নিজকে উপযুক্ত ব্যক্তিৰূপে যোগ্য স্থান পাব। ইয়াৰোপৰি শিক্ষিত সকল আন উন্নত ৰাষ্ট্ৰৰ দৰে কৃষিৰ প্ৰতি আকৰ্ষিত হব। অসম কৃষি প্ৰধান দেশ তথাপি উৎপাদন আৰু প্ৰসাৰণৰ ওপৰত নিৰ্ভৰ কৰি নিবনুৱা সমস্যা দুৰীকৰণ কৰাটো অযুক্তিকৰ হব। ইয়াৰ বাবে গঢ়িব লাগিব শিল্প উদ্যোগ, বাণিজ্য আদি নানা ধৰণৰ অৰ্থনৈতিক কাৰ্য্যকলাপ।

৬) ব্যৱসায় বাণিজ্য ঃ—অতীত অবিহুনে বৰ্তমান চলিব নোৱাৰে। বুৰঞ্জীয়ে আমাক সকিয়াই দিয়ে যে কোনো দেশ বা জাতি বেহাবেপাৰ বাণিজ্যৰ অবিহনে উন্নতি কৰিব পৰা নাই। অসমীয়া জাতিৰ মনতহে এনে ধাৰণা সুচায়।

অসম দেশত বিদেশীয়ে ব্যৱসায় বাণিজ্যৰ সুবিধা লৈ অসমীয়াৰ ধন সম্পতি ঘটি বিদেশীৰ ভৰাল পূৰ্ণ কৰাত আচলতে অসমীয়া লোক দায়ী। কাৰণ বিদেশী সকলৰ সৰহ ধন আছে। সেয়েহে বৰ্তমান Divisional Minister and M L A মহোদয়সকলে চৰকাৰী কৰ্মকৰ্তা সকল সেই সকলৰ হাতৰ পুতলাহে। টকা থাকিলে আজি সকলো কৰিব পাৰি। সেয়েহে Money is money, sweeter than honey, better than sun, without money nothing can be done.

অসমীয়াই আজি দুবেলা দুমুঠি খাবলৈ নাপায় আৰু নানা ধৰণৰ ব্যৱসায় দোকান পোহৰ নাপিত, মিস্ত্ৰী, অটো ঠেলা ৰিক্সা আদি চলোৱা দেখা পাই আছো। এই সুবিধা খিনি বিদেশীয়ে কাঢ়ি লৈছে। ফলত অসমীয়াই ডলাৰ বগৰীৰ দৰে থাকিব লগা হৈছে। ইয়াৰ বাবে দায়ী আমাৰ সমাজৰ মূখ্য লোক সকল।

৭) জনসংখ্যা সমস্যা :—জনসংখ্যা বৃদ্ধিৰ নিব-নুৱা সমস্যাৰ এটি মুখ্য কাৰণ। আগৰ তুলনাত বৰ্তমান মৃত্যুৰ হাৰ কমিছে, কিন্তু জন্মৰ হাৰ বৃদ্ধিহে আছে। ভাৰতত দিনে গড়ে প্ৰায় ৭০,০০০তকৈ শিশু জন্ম পাইছে। দেশৰ মাটিত শস্যৰ উৎপাদন কমিছে। আজিৰ কৃষকৰ দ্বাৰা উৎপন্ন হোৱা ধন খাবলৈ নোজোৰে। ইয়াৰোপৰি প্ৰাকৃতিক দুৰ্য্যোগ কৃষিৰ ওপৰত আছেই। চৰকাৰে কৃষিৰ বাবে খেতিয়ক ৰাইজৰ বাবে যথেষ্ট সাহায্য আগ বঢ়োৱা কথাটো সংবাদ পত্ৰ বা বাতৰি কাকত, ৰেডিঅ, সভা সমিতি আদিত শুনা যায়।

এই আটাইবোৰ সাহায্য মাজতে কিছুমান জ্ঞানী গুণী বোন্দাই পেটত সুমুৱাই লয়। গ্ৰাম্য খেতিয়ক সকলে তাৰ একো পথ বিচাৰি নাপাই প্ৰচাৰিত কথাৰ মাধ্যমতে সান্ত্বনা লভিব লগা হোৱাৰ ফলত দেশৰ আজি এই অৱস্থা। ভূমি হীন লোকক ভূমি দিয়াৰ ক্ষেত্ৰত আগতে প্ৰচাৰ হোৱা কথাত চৰকাৰে আজি মাতিব নোৱাৰে। সেয়ে জমিদাৰ জমিদৰে হৈ থাকিব আৰু দুখীয়া সদায় দুখীয়া হৈয়ে থাকিব।

৮) বিদেশীৰ আগমন :—ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ত দেশ বিভাজন হৈ ভাৰত আৰু পাকিস্তান নামৰ দুখন সুকীয়া ৰাষ্ট্ৰ হোৱাৰ সুবিধাত অগণন বিদেশী লোকেৰে অসম ভৰি পৰেহি। আজি স্বাধীনতাৰ ৪২ বছৰ পিছতো সেই ক্ষেত্ৰতো আতৰ কৰিব পৰা নাই। সেই সময়ত অহা লোকসকলে ভাৰতীয় নাগৰিকতা পায় আন ১৯৫১ চনৰ ভাৰত পাকিস্থান চুক্তিমতে স্থায়ী ভাৱে থাকিবলৈ অধিকাৰ পায়। এনেকৈয়ে ভাৰত তথা অসমলৈ এতিয়াও হাজাৰ হাজাৰ বিদেশী আহি অসমত আশ্ৰয় লৈ আছে। ফলত দেশত নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে।

দেশত যিমানেই নিবনুৱা বৃদ্ধি নহওক কিয় ইয়াক সমাধা কৰিবই লাগিব।

প্ৰথমতে, [ অসম চৰকাৰে দেশবাসীক নানান অজুহাত দেখুৱাই ভুল পথে পৰিচালিত কৰিছে। ]

অসমত শিল্প উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ( Central Government ) ৰ ওচৰত চোকা মাত মাতি-লেহে নিবনুৱা সমস্যা সমাধানৰ আশা কৰিব পাৰি।

দ্বিতীয়তে, শিক্ষা বিষয়ত চৰকাৰে গ্ৰহণ কৰা নীতিমতে চৰকাৰৰ অৱহেলা কিম্বা বিভা-গীয় কৰ্মকৰ্তাসকলৰ অসজ আচৰণৰ ফলস্বৰূপে আচনি কৃতকাৰ্য্য হোৱা দেখা নাযায়। উদাহৰণ স্বৰূপে High আৰু Higher Secondary School সমূহৰ কৰ্মচাৰী সকলক চৰকাৰী কৰণ কৰিছে। কিন্তু অন্যান্য স্কুলীয়া আৱশ্যকীয় সামগ্ৰী জনসাধাৰণৰ হাতত এৰি দিছে। উদাহৰণ স্বৰূপে নলবাৰী জিলাৰ আদাবাৰী অঞ্চলত অৱস্থিত পূৱবৰক্ষেত্ৰী আঞ্চলিক ছোৱালী হাই-স্কুল খনলৈ আঙুলিয়াব পাৰো। এই গাৱলীয়া বিদ্যালয়খনত ছাত্ৰী সদায় বৃদ্ধি পাই আহিছে। ফলত ছাত্ৰী সমূহক শিক্ষা দিবলৈ শ্ৰেণী কোঠা, ডেক্স, বেঞ্চ আদিৰ বহুতো অসুবিধাত পৰিছে। অসম গণ পৰিষদ চৰকাৰে এনেবোৰ কথাৰ প্ৰতি লক্ষ্য নকৰিলে বৰ্তমান শিক্ষাত নিশ্চয় মামৰে ধৰিব।

সেয়েহে অসম চৰকাৰে স্কুল ঘৰৰ ব্যৱস্থা, অতিৰিক্ত শিক্ষকৰ নিযুক্তি, বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে সুব্যৱস্থা কৰিলে শিক্ষা উন্নতি হবই।

তৃতীয়তে, কেন্দ্ৰীয় আৰু দেশীয় চৰকাৰে কৃষকৰ দুৰৱস্থা দুৰ কৰি সবল কৰিবলৈ হলে বানপানী নিয়ন্ত্ৰণ ব্যৱস্থা কৰি অতিৰিক্ত পানী যোগাই জল বিদ্যুৎ উৎপাদনৰ ব্যৱস্থা কৰিব পাৰি। ইয়াৰোপৰি আমাৰ দেশৰ মাটিত কম বেছি পৰিমাণে শস্যৰ উৎপাদন বঢ়াব লাগিলে উন্নত ধৰণৰ বীজৰ লগত, সাৰ যোগান ধৰে তেতিয়া দেশত নিবনুৱা সমস্যা নিশ্চয় সমাধান হবই।



চতুৰ্থতে, বিশ্বৰ জনসংখ্যা সংযোগ পৰিষদৰ মতে ১৯৮২-৮৩ চনত ভাৰতৰ জনসংখ্যা ৭০০ নিযুত। জন্মৰ হাৰ ১০০০ জনত ৩৬ জন আৰু মৃত্যুৰ হাৰ ১৫ জন। বছৰৰ প্ৰতি মাহে ২˙১%জন বাঢ়িছে। এই হাৰ অনুপাতে ২০০০ জনত ভাৰতৰ জনসংখ্যা। ভাৰতৰ দৈনিক জন্মৰ হাৰ ৫০ ৫৫ জন।

জনসংখ্যা ৰোধ কৰিবলৈ হলে চৰকাৰে সম্পূৰ্ণৰূপে মনযোগ দিব লাগিব।

পঞ্চমতে, দেশৰ অৰ্থনৈতিক উন্নতিৰ পথ হ'ল ব্যৱসায় বাণিজ্য। শিক্ষিত অশিক্ষিত সকলে খাবলৈ নাপাই শুকাই মৰাতকৈ ব্যৱসায় বাণিজ্য কৰিব লাগিব। বহুতো দুখীয়া যুৱকে মূলধনৰ অভাৱত ব্যৱসায় কৰিব নোৱাৰে সেয়ে চৰকাৰে নিৱনুৱা সকলক ৰেহাই হাৰত ঋণৰ ব্যৱস্থা কৰিব লাগিব, এনে ব্যৱস্থাৰ ফলত বা ব্যৱসায় বাণিজ্যৰ ফলতহে নিৱনুৱা সমস্যা সমাধান কৰিব পাৰি।

ষষ্ঠতে, আমাৰ দেশত প্ৰচলিত শিক্ষাৰ পৰা ( University ৰ Degree ) ধাৰী সকলে বিমোৰত পৰিছে। কিয়নো কাৰিকৰী শিক্ষাৰ অভাৱ। উপযুক্ত কাৰিকৰী প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে চাকৰিৰ কাৰণে কাৰ্য্যালয়ৰ সন্মুখে সন্মুখে ফুৰি বিষয়া সকলৰ জঘন্য মাত শুনিব নালাগিব।

সপ্তমতে, দেশৰপৰা বিদেশীক বহিষ্কাৰ নকৰিলে দেশত নিবনুৱা সমস্যা বৃদ্ধিহে হব। স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণী বৰ্জন কৰি সংগ্ৰাম কৰি পিকেটিং কৰি বিদেশী সমস্যা সমাধা নহব যদিহে চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত মাত নামাতে। বিদেশীক বহিষ্কাৰ কৰি তেওঁলোকে আবাদ কৰা মাটি খিনি দেশীয় মাটিহীন লোকক ভগাই দিয়াৰ ব্যৱস্থা কৰিলে নিবনুৱা সমস্যা নিশ্চয় সমাধা হ'ব।

●●

---

"যি সকলে কেৱল পাপহে দেখে মই সেই সকলকহে পাপী বুলি কও। এনে মানুহক সদায় তেওঁৰ প্ৰবৃত্তিয়ে বাধা দিয়ে। ধাৰ্মিক হলে তেওঁ তাকো ঈশ্বৰৰে ইচ্ছা বুলি কব। তেওঁ নিজে কি হোৱা উচিত সেই ধাৰণাৰ লগতো তেওঁ যুজ কৰি চলিব লগা হয়।"

—বাৰ্ট্ৰাণ্ড ৰাছেল

---

# বৰ্তমান ভাৰতত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ

মোঃ জমছেৰ আলী
স্নাতক, তৃতীয় বাৰ্ষিক (ৰাজনীতি বিভাগ)

১৯৪৭ চনত ভাৰত যেতিয়া স্বাধীন হৈছিল তেতিয়া বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশৰ কাৰণে আমাৰ দেশত তেনে কোনো উল্লেখযোগ্য বুনিয়াদী সা-সুবিধা নাছিল। কৃষি উৎপাদন অত্যন্ত কম আৰু স্বাস্থ্য সেৱাৰ ব্যৱস্থা প্ৰায় নগন্য আছিল। অথচ চাৰিটা দশকতকৈয়ো কম সময়ৰ ভিতৰতে প্ৰযুক্তি জ্ঞানৰ ক্ষেত্ৰত ভাৰত বিশ্বৰ ভিতৰত এটা লেখত লবলগীয়া শক্তি হৈছিল। ভাৰতে এতিয়া কৃত্ৰিম উপগ্ৰহৰ আহি প্ৰস্তুত কৰি সেই আহি মতে তেনে কৃত্ৰিম উপগ্ৰহ তৈয়াৰ কৰা আৰু তাক নিক্ষেপ কৰা এই সকলোবোৰ নিজ সামৰ্থৰে কৰিব পৰা হৈছে। ভাৰতে ইতিমধ্যে বিশ্বৰ উদ্যোগ প্ৰধান দেশবিলাকৰ লগত সমানে স্থান গ্ৰহণ কৰিব পাৰিছে। ইতিমধ্যে কৃষি উৎপাদন তিনিগুণতকৈয়ো বেছি বাঢ়িছে। ইফালে স্বাস্থ্য সেৱাৰ ব্যৱস্থা উন্নত হৈ পৰাত এতিয়া ভাৰতীয় মানুহৰ গড় আয়ুস আজি তিনি দশকৰ আগতে যিমান আছিল তাতকৈ ২০ বছৰ বেছি হৈছে।

পৰম্পৰা :—যীশু খৃষ্টৰ জন্মৰ প্ৰায় চাৰি হেজাৰ বছৰৰ আগতে সিন্ধু সভ্যতাৰ সময়ৰে পৰাই বিজ্ঞানৰ ক্ষেত্ৰত ভাৰতৰ এটা সুদীৰ্ঘ পৰম্পৰা আছে সেই বিষয়ে কোনো সন্দেহ নাই। প্ৰাচীন ভাৰতীয় সকলে জ্যোতিষ শাস্ত্ৰত সৰ্ব্বোচ্চ পাৰদৰ্শিতা অৰ্জন কৰিছিল আৰু তেওঁলোকৰ নভোমণ্ডলৰ তীক্ষ্ণ পৰ্য্যবেক্ষক আছিল। "দশমিক" পদ্ধতি আৰু "শুন্যৰ" ব্যৱহাৰ প্ৰক্ৰিয়াৰ আৱিস্কাৰ এই দুটা অংক শাস্ত্ৰলৈ ভাৰতৰ শ্ৰেষ্ঠ অৱদান।

আধুনিক কালছোৱাত—বিশেষকৈ যোৱা শতিকাৰ শেহৰ ভাগটো আৰু বৰ্ত্তমান শতিকাৰ প্ৰথমাৰ্দ্ধৰ এই কালছোৱা ভাৰতীয় বিজ্ঞান জগতৰ পুনৰ জাগৰণৰ যুগ বুলি গণ্য কৰিব পৰা যায়।

এই সময়ছোৱাত ভাৰতত বিজ্ঞানৰ ক্ষেত্ৰত ভালেকেইজন অতি বিশিষ্ট ব্যক্তিৰ আবিৰ্ভাৱ হয়। বিজ্ঞানৰ এই প্ৰথম বাটকটীয়া সকলৰ ভিতৰত সবাতোকৈ অগ্ৰহনীয় আছিল চাৰ জে ছি বসু। তেওঁ বিশ্বৰ অন্য ঠাইৰ আধুনিক বৈজ্ঞানিক সকলে "ৰাডাৰ" আৰু কৃত্ৰিম উপগ্ৰহৰ যোগেদি যোগাযোগ স্থাপনৰ নতুন ব্যৱস্থা বিলাকত মাইক্ৰোৱেভৰ প্ৰয়োগ সম্পৰ্কে গম পোৱাৰ কেইবা দশকৰো আগতেই ১৮৯৪ চনতে মাইক্ৰোৱেভৰ যতন এটা হাতে কামে ব্যৱহাৰ কৰি দেখুৱাইছিল। বসু ডাঙৰীয়াই, উদ্ভিদবোৰে অনুভৱ কৰাৰ ক্ষমতা আছে সেই কথাটোও তেনেকৈ প্ৰমাণ কৰি দেখুৱাইছিল। তাৰ পাছত ভাৰতীয় বিজ্ঞানৰ আকাশত ভালেমান উজ্বল নক্ষত্ৰৰ আবিৰ্ভাৱ হয়। ১৯৩০ চনত চি ভি ৰমণে তেওঁৰ বিশ্ববিখ্যাত "ৰমণ এফেক্ট" আৱিস্কাৰৰ কাৰণে পদাৰ্থ বিদ্যাৰ নবেল বটা পায়। প্ৰফেছাৰ এছ, এন, বসুৰ বিশ্ব বিখ্যাত বৈজ্ঞানিক আইনষ্টাইনৰ সৈতে যুটীয়াভাৱে "বসু আইনষ্টান" সুত্ৰ যুগুতাই উলিয়াইছিল। এই সূত্ৰটো আধুনিক পদাৰ্থ বিদ্যাৰ ঘাই সুত্ৰসমূহৰ অন্যতম।

জৱহৰলাল নেহৰুৰ দুৰদৃষ্টি :—

পণ্ডিত নেহৰুৰ "ভাৰত সন্ধেদ" নামৰ পুথিত বিজ্ঞানৰ ওপৰত থকা তেওঁৰ দৃঢ় আস্থাৰ কথাটো এইদৰে প্ৰকাশ কৰিছিল "কেৱল বিজ্ঞানেহে আমাৰ ক্ষুধা আৰু দাৰিদ্ৰ অপৰিচ্ছন্নতা, নিৰক্ষৰতা, অন্ধবিশ্বাস আৰু কুপ্ৰথা, কুপৰম্পৰা, বুভুক্ষু জনতাৰ বাসভূমি অথচ এখন চহকী দেশৰ বিশাল সম্পদৰাজিৰ অপচয় ঘটি থকাৰ সমস্যাৰ সমাধান কৰিব পাৰিব"। তেওঁৰ কাৰণে বিজ্ঞান হল মানুহৰ আটাইতকৈ কাৰ্য্যকৰী ধৰণৰ সমল আৰু ইয়াৰ সুফল প্ৰয়োগে এক অনুকুল সামাজিক পৰিৱৰ্ত্তনৰ হেঙুলী উষাৰ আগমন সম্ভৱ কৰি তুলিব পাৰে। মানৱ জাতিৰ বিকাশৰ পথৰ কণ্টক স্বৰূপ বিভিন্ন ধৰণৰ বৈষম্যবিলাক দূৰ কৰিব পাৰে। তেওঁৰ বিজ্ঞানৰ সম্ভাৱনাক সদায় এক ব্যাপকতৰ ৰূপত কল্পনা কৰিছিল আৰু দেশবাসী ৰাইজৰ মনত এটা বৈজ্ঞানিক ভাৱধাৰা সঞ্চাৰ কৰাৰ আৱশ্যকতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। স্বাধীন পোৱাৰ পিছত, বিভিন্ন স্তৰত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বিকাশৰ কাৰণে জৱহৰলাল নেহেৰুৱে যি শক্তিশালী বুনিয়াদ গঢ়ি তুলিছে তাৰ কাৰণে আজি ভাৰত তেওঁৰ ওচৰত বিশেষ ভাৱে ঋণী।

জীৱনৰ বৃহত্তৰ পৰীক্ষাগাৰত, এজন প্ৰকৃত বিজ্ঞানপুষ্ট ব্যক্তিৰ যিখিনি গুণৰ প্ৰয়োজন সেই আটাইখিনি গুণেই নেহৰুৰ আছিল। এই গুণ নেহৰুৰেই নহয় ভাৰতৰ প্ৰত্যোক নাগৰিকৰ থকা প্ৰয়োজনীয়। তেওঁ সদায় কৈছিল যে এক অলস ভাৱনা বিহীন বৈজ্ঞানিক ভাৱধাৰা, জীৱনৰ প্ৰতিটো দিশৰে বিভিন্ন সমস্যা বিলাক সমাধান কৰাত এটি মূল্যবান আহিলা হৈ পৰিব পাৰে। অৱশ্যে বিজ্ঞানীৰ প্ৰতি যে তেওঁ সজাগ নাছিল তেনে নহয়। ১৯৫৮ চনৰ মাৰ্চ মাহত সংসদত বৈজ্ঞানিক নীতি সম্বন্ধীয় প্ৰস্তাৱটো দাখিল কৰে। এই নীতিৰ লক্ষ্যসমূহৰ ভিতৰত কেইটামান হ'ল —"বিশুদ্ধ ফলিত আৰু শৈক্ষিক এই আটাইবোৰ দিশতে বিজ্ঞান আৰু বৈজ্ঞানিক গৱেষণাক সকলো-ধৰণে উৎসাহ দিয়া, বিকাশ ঘটোৱা আৰু তাৰ অৱস্থিতি বজাই ৰখা, দেশখনত উচ্চতম গুণ সম্পন্ন গৱেষক বৈজ্ঞানিক যাতে সদায় যথেষ্ট সংখ্যক হৈ থাকে সেইটো সুনিশ্চিত কৰা, তেওঁলোকৰ কামবোৰক দেশখনৰ মূল শকতিৰ অন্যতম উপাদান বুলি স্বীকৃতি দিয়া, নাৰী পুৰুষৰ সৃজনী প্ৰতিভাই যাতে সদায় উৎসাহ পায় আৰু বৈজ্ঞানিক কাৰ্য্যকলাপত যাতে তেওঁলোকে তেওঁলোকৰ প্ৰতিভা বিস্তাৰৰ মূল বিচাৰি পায়, সেইটো সুনিশ্চিত কৰা শৈক্ষিক মুক্তাৱস্থাৰ এটা মুকলিমুৰীয়া পৰিবেশত জ্ঞানৰ আহৰণ আৰু বিস্তাৰ তথা নতুন নতুন জ্ঞানৰ আৱিস্কাৰৰ কাৰণে ব্যক্তিগতভাৱে চলোৱা প্ৰয়াসত উৎসাহ যোগোৱা" ইত্যাদি—এই নীতিৰ আৰু কেইটামান উদ্দেশ্য হল "বৈজ্ঞানিক সকলক তেওঁলোকৰ চাকৰি বাকৰিৰ ক্ষেত্ৰত ভাল চৰ্ত্ত দিয়া আৰু দেশৰ নীতি যুগুত কৰাৰ বিষয়ত বৈজ্ঞানিক সকলকো জড়িত কৰাৰ এটা সন্মানৰ স্থান দিয়া"।

প্ৰধানমন্ত্ৰী হোৱাৰ কিছুদিনৰ পাছত নেহৰুৱে বৈজ্ঞানিক গৱেষণা আৰু প্ৰাকৃতিক সম্পদ এই দুটা বিষয় সামৰি লৈ এটা সুকীয়া মন্ত্ৰী দপ্তৰ খুলিলে আৰু শান্তিপূৰ্ণ উদ্দেশ্যত আনৱিক শক্তিৰ প্ৰয়োগৰ কাৰ্য্য-সুচীৰ প্ৰতি সক্ৰিয় সমৰ্থন আগবঢ়াবলৈ ললে। ১৯৪৮ চনত আনৱিক শক্তি সম্পৰ্কীয় আইন পাছ কৰা হয় আৰু আনৱিক শক্তি সম্বন্ধীয় বিভাগটো পোনপটিয়াভাৱে নেহৰুৰ অধীনলৈ অনা হ'ল। ১৯৬৪ চনলৈকে নেহেৰু বৈজ্ঞানিক তথা ঔদ্যোগিক গৱেষণা পৰিষদৰ অধ্যক্ষ হৈ আছিল।

ভাৰতৰ দৰে এখন বিশাল দেশত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা এটি গুৰুত্বপূৰ্ণ ভূমিকা অৱলম্বন কৰি আহিছে। নেহৰুৰ পৰা ইন্দিৰা গান্ধী আদিকে ধৰি নেতৃত্বকাৰী সকলে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত আত্মপ্ৰকাশ কৰি আহিছে। ইন্দিৰা গান্ধীয়ে প্ৰযুক্তি জ্ঞান, গবেষণা, আৰু যথোপযুক্ত প্ৰায়োগিক কৌশলৰ অপৰিহাৰ্য্য তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিছিল। আমাৰ

দৰে বিশাল দেশ এখন সদায় প্ৰযুক্তি জ্ঞানৰ ক্ষেত্ৰত পৰমুখাপেক্ষী হৈ থাকিব লগা হোৱা নাই।

এইবোৰ প্ৰচেষ্টাৰ ফলস্বৰূপে আমি এতিয়া বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত গোটেই দেশত বিয়পি থকাকৈ অনেকবোৰ বুনিয়াদী সা-সুবিধাৰ অধিকাৰী হব পাৰিছোঁ। বৰ্তমান যুগ বিজ্ঞানৰ যুগ, কম্পিউটাৰৰ যুগ। কম্পিউটাৰৰ সহায়ত আজি জটিল কামটো ক্ষন্তেকত সমাধা কৰিব পৰা যায়। কম্পিউটাৰৰ দ্বাৰা বৰ্তমান যুগ পৰিচালিত হৈছে আৰু কম্পিউটাৰে সমগ্ৰ দেশত এক উচ্চ আসন লাভ কৰিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰে জন সাধাৰণৰ মানদণ্ড উন্নীত কৰি বিভিন্ন দিশত বিভিন্ন ধৰণে উচ্চ আসনৰ অধিকাৰী হৈছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই যিদৰে দেশৰ মঙ্গল সাধন কৰিছে সেইদৰে জনসাধাৰণৰ গ্ৰাম্য তথা ক্ষুদ্ৰ উদ্যোগবোৰ ক্ৰমাগত ভাৱে হ্ৰাস কৰি জন সাধাৰণক কৰাল গ্ৰাসৰ ফালে ঠেলি দিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই পৰস্পৰৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই জনসাধাৰণক হস্ত বিদ্যাৰ পৰা আঁতৰত ৰাখিছে আৰু গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগবোৰ ধ্বংসৰ মুখলৈ ঠেলি দিছে। ফলত গ্ৰাম্য অঞ্চলৰ উপাৰ্জনৰ বাট বন্ধ হোৱাৰ লগতে জনসাধাৰণৰ মুখৰ ভাত বন্ধ হৈ পৰিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই জনসাধাৰণক অৱহেলিত কৰি তুলিছে আৰু অৰ্দ্ধ নিবনুৱাত পৰিণত কৰিছে।

সেয়ে আমি কম, যিদৰে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই আংশিক ভাৱে জনসাধাৰণৰ মঙ্গল সাধন কৰিছে, ঠিক তেনেদৰে আংশিক ভাৱে ধ্বংসও টানি আনিছে। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই অসভ্য যুগৰ পৰা সভ্য জগতলৈ অগ্ৰসৰ কৰিছে, ইয়াৰ ফলত ঔদ্যোগিক যন্ত্ৰ পাতিৰ আৱিস্কাৰ, গ্ৰহ নক্ষত্ৰৰ আৱিস্কাৰ, ইত্যাদি ব্যৱহাৰ কৰি ভাৰতে আজি বিশ্বত এটা উল্লেখযোগ্য শক্তি আহৰণ কৰিব পাৰিছে। বৰ্তমান ভাৰতৰ উন্নত পৰিকল্পনাৰ ভিতৰত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা অন্যতম উপাদান বুলিব পাৰি। ভাৰতে আজি গ্ৰহ-নক্ষত্ৰবোৰ বা আন কোনো যন্ত্ৰ চালিত শক্তি নিজে তৈয়াৰ কৰি লব পৰা হৈছে।

"In a technological civilization, in a mass society, the individual becomes a depersonalised unit. Things control life. Statistical averages replace qualitative human beings".

—S. Radhakrishnan

---

'Men love to wonder, and that is the seed of science."

—Ralph Waldo Emerson



# প্ৰকৃতিৰ পম খেদি

এম্ জয়নুৰ আলী
স্নাতক, দ্বিতীয় বাৰ্ষিকী

অসমীয়া সাহিত্যৰ ৰমন্যাস যুগৰ কবি সকলৰ ভিতৰত্ত মুখ্যতঃ কবিৰত্ন ৰঘুনাথ চৌধাৰী বিশেষ ভাবে উল্লেখযোগ্য। তেওঁৰ জন্ম হৈছিল ১৮৭৯ চনত। এইজনা কবিয়েই আমাৰ মাজত বিহগী কবিৰূপে পৰিচিত। তেওঁ আমাৰ শ্ৰদ্ধাৰ পাত্ৰ, তেওঁ আমাৰ আপোন চিৰচিনাকি। তেওঁৰ কবিমন বিশেষকৈ বঙলা আৰু সংস্কৃত অধ্যয়নপুষ্ট। নৈসৰ্গিক পৰিৱেশ, মুখ্যতঃ ফুল আৰু চ'ৰাইৰ সৌন্দৰ্য্য আৰু কলোধ্বনিত তেওঁৰ মন উদ্বেলিত। বিহগী কবি চৌধাৰীৰ সুকুমাৰ মনৰ অভিব্যক্তি হৈছিল চিনাকি অচিনাকি নানান ফুলৰ বিবিধ ৰঙৰ নাচোঁন আৰু মন পৰশা সৌৰভৰ মাজেৰে সেইহেতু চৌধাৰীয়ে পাট-মাদৈৰ গীতৰ চেঁৱত ব্যাকুল ভাবে অজানিতে তুলি হৈছিল কাপ-মৈলাম। বিহগী কবিয়ে বাস্তৱৰ লালসা অলক্ষিতে প্ৰত্যাখ্যান কৰি ভিক্ষা খুজিছিল 'জোনাকী'ৰ পাতত। এয়ে আছিল বিহগীৰ কবি-মনৰ অৱতাৰণিকা।

বা-ৰিব্-ৰিব মলয়া বতাহত কেতেকীৰ সুৰ যেতিয়া ভাঁহি আহে, তেতিয়া যেন—'হাতৰ মাকোটি হাততে' বৈ যোৱা গাভৰুৰ মন উৰুঙা কৰা কেতেকীজনীয়ে চৌধাৰীৰ নিশাৰ টোপনি হৰি নিয়ে। নীলাকাশৰ নীলাভ দিগন্তত উপঙি ফুৰা কেতেকীৰ মন ৰিঙা সুৰে চৌধাৰীৰ অন্তৰত থৌকি বাথৌ ঢৌ তুলিলে। কেতেকী কেতেকী 'কৰ পৰা তই আহিলি সোনাই?' কেতেকীৰ কাকলীয়ে কবিৰ কলমত কল্লোল তুলিলে। প্ৰকৃতিৰ চো-ঘৰৰ মজিয়াত জন্ম হ'ল এখন কাব্য 'কেতেকী' ১৯২৩ চনত।

চৌধাৰীৰ কবিতাত ফুল আৰু পখিলাৰ প্ৰেমৰ ৰজিতাই পৰশ বোলাইছে যদিও, স্পষ্ট হৈ উঠে কবি জীৱনৰ নিঃসঙ্গতাৰ বেদনা। ৰিক্ত মনৰ হাহাকাৰ মৃদু সুৰত অনুৰণিত হয় ব্যক্তিগত জীৱনৰ দুখ-প্ৰৱঞ্চনা, একক জীৱনৰ ৰিক্ততা। আৰু তেতিয়াই হয়তো কবিৰ বেদনা-বিধুৰ মনটো উৰা মাৰিছিল কাৰবালাৰ বুকুলৈ। য'ত মানৱতা লাঞ্ছিত হৈছিল, বেদনাৰ অশ্ৰু জল সিক্ত হাচান হোচেনে এজিদৰ নিৰ্মমতাত পৰাজয় স্বীকাৰ কৰিছিল; মানৱতাৰ বধ্য ভূমিত ছহিদ হৈছিল। 'কেতেকী' ওপজাৰ এবছৰ পিছতেই মানৱতাৰ জয়গান গাই ওলাই আহিছিল চয়তানক নিন্দা কৰি বিহগীৰ চকুলোৰে লেখা আন এখন কাব্য 'কাৰবালা'।

এই গৰাকীয়েই ৰঘুনাথ চৌধাৰী, প্ৰকৃতিক একনিষ্ঠ ভাবে কাব্যৰ বিষয়-বস্তু (Subject matter) কৰি, বিভিন্ন দিশৰ পৰা ফুল আৰু বিহঙ্গক অপৰূপ ৰূপত সজাই তোলাত দক্ষতাৰ অধিকাৰী বিহগী কবি।

চৌধাৰীয়ে প্ৰকৃতি জগতত বিহাৰ কৰি ঘূৰি ফুৰিছিল বিহঙ্গৰ পিছে পিছে; মৰতেৰে বৈ যোৱা চৰাইৰ সঙ্গীতৰ ধাৰা একেথৰে শুনি শুনি নীলা আকাশৰ অচিন দিগন্তত বিহাৰ কৰিছিল। আপোনা-আপুনি আত্মহাৰা হৈ

চৌধাৰীয়ে ৰচিছিল সাম্য মৈত্ৰীৰ সপোন—আশাৰ প্ৰদীপ, আল্‌পনাৰ ৰাজকাৰেং। নিজম দুপৰ নিশাও নিজান বনত কুলি—কেতেকীৰ অমিয়া গীতৰ সুৰত মত্তহৈ মিলি যাব খোজে কোনোবা সৰগৰ অপ্সৰী বেশেৰে। কুলি-কেতেকীৰ সুললিত সুৰত যেন কবিৰ আশাৰ পদুম পাঁহিয়ে মিচিকীয়া হাঁহি মাৰি কবি প্ৰাণত প্ৰেমৰ ৰাগিনী সঞ্চাৰ কৰিব। কবিয়ে ভাবে, কুলি-কেতেকীৰ সুৰে যেনিবা প্ৰেমিকক মৃদুল বাঁহীৰ সুললিত সুৰ শুনাই মহামিলনৰ বাতৰি দিয়ে। সেয়ে কবিয়ে কেতেকীৰ গানৰ ৰাগিনীত উন্মুক্ত হৈ গাইছে—

প্ৰেমিক মিলন আশা বুকে বান্ধি লই,
আনন্দ সোঁতত ভাহি,
বজায় মৃদুল বাঁহী,
মিলন বাতৰি দিয়া প্ৰেমিকক গ'ই।
স্বৰ্গৰ অমিয়া সনা চৰাইৰ মধুৰ কণ্ঠত

কবিয়ে অকল প্ৰীতিৰ মধুৰ গীত লহৰিকে শুনিছে আৰু কেতেকীক মৰ্তলৈ প্ৰেমৰ বাতৰি অনা ( messenger of love ) দেৱদূত স্বৰূপে কল্পনা কৰিছে। পাৰ্থিৱ সুখ—সম্ভোগলৈ কবিৰ যেন সদায় অনাস্থা।

আমাৰ কবি কল্পনাৰ অধিকাৰী, প্ৰেমৰ খনিকৰ আৰু আল্‌পনাৰ চো-ঘৰ। কল্পনা ৰাজ্যত কবিয়ে দেখিছে, কোনোবা অজানিত প্ৰেমিকৰ পৰশত প্ৰেমিকাই ৰূপ-মাধুৰীত ভোল যোৱাৰ দৰে, চৌধাৰীয়েও তুলনা কৰিছে যে—শ'ত প্ৰেমিকৰ বুকুত গোলাপ সুন্দৰীয়ে যেন বিৰহ বেদনাত তিক্ত হৈ বিৰহীৰ মনত হা-হুতাশৰ ঢৌ তুলিছে, ভাৱত বিধুৰা বিৰহীক কেন্দ্ৰ কৰি কবিয়ে গোলাপক কৈছে, গোলাপৰ সৌন্দৰ্য্যৰ প্ৰতি ফুটি উঠিছে সৰাগ হেঁপাহ,—

ফুলিবিনে মোৰ মানসকুঞ্জত
অ' মোৰ দৰদী ফুলাম পাহী
উঠিবনে বাজি প্ৰিয়া পাপিয়াৰ
পুলক ভৰা মিলন বাহী ?



কবিৰ ভাষাত গোলাপে যেনিবা ৰূপ, সুন্দৰ গোন্ধ, সুন্দৰ ৰস আৰু নিমজ স্পৰ্শ সুখৰ প্ৰণয়ৰ দ্বাৰা হিন্দুস্থানকো জয় কৰিবলৈ সক্ষম হৈছে।

দিল্লীৰ বেগমচাহেবা নুৰজাহানৰ গোলাপ ফুল বৰ প্ৰিয় আছিল। সেয়ে কবিয়ে নুৰজাহানৰ অশেষ ভালপোৱাৰ প্ৰতি সজাগ হৈ আৰু সহাৰি জনাই গোলাপত সুধিছে—

তোৰ ই ৰূপত জগত বিভোল
ঢালিলি প্ৰেমৰ বিমল ধাৰা ;
দিল্লীৰ বেগম নুৰজাহানৰ
আছিলিনে তয়ে দিলবাহাৰা ?

এই গোলাপেই যেন ছাহজাহানে নিৰ্মান কৰা মৰ্মৰ তাজত। গোলাপৰ গোলাপী আভা বৰ্দ্ধন কৰিছে। সেই গোলাপী আভাক কেন্দ্ৰ কৰিয়ে কবিয়ে আকৌ গাইছে—

কোন সুন্দৰীৰ নিমজ গালত
ফুটাই তুলিলি চিকন কাজ,
উঠিল প্ৰেমিক ছাহজাহানৰ
ভুৱন বিজয়ী মৰ্মৰ তাজ !

ধলপুৱাৰ অৰুণোদয় হোৱাৰ পৰা, ক্ৰমাৎ পুৱা, দুপৰীয়া, সন্ধ্যা, দোভাগ নিশালৈকে চকুত পৰা বেলেগ বেলেগ প্ৰাকৃতিক দৃশ্যত ইটোৰ কোলাত সিটোক খাপ খুৱাই সুন্দৰভাৱে ৰিজাব পৰা বিশ্বৰ চাৰু-চিত্ৰ দেখি কবিয়ে আকুল চিত্তে গাইছে—

বিৰাট বিশ্বৰ চাৰু চিত্ৰ দেখি
অতীত মনত পৰে,
চিৰকাল যেন উমলি ফুৰিম
অজান শিশুৰ দৰে।

কবিৰ ইচ্ছা হয় প্ৰকৃতি মাতৃৰ কোলাত চিৰকাল অজান শিশুৰ দৰে শুই থাকিবলৈ, উমলি জামলি থাকিবলৈ, খেলিবলৈ। পূব আকাশৰ ৰাঙলী সুৰুযৰ ৰক্তিম আভাত কবিৰ মুখ উজ্বলি মনত উঠে, শৰীৰ ৰোমাঞ্চিত হৈ উঠে।

পৰে কবিৰ শৈশৱলৈ—যি সময়ত কেচুৱাবোৰৰ মতে হাঁহি খিকিন্দালি কৰি এটাই আনটোৰ মুখত চুমা আঁকি দিয়ে; হয়তোৱা খং উঠি এটাই আনটোৰ গাত চিকুতি দিয়ে, কোনোবাই গামোচা পিন্ধিলে হয়তো তাৰ গামোচাখনৰ টিক্‌নি ( লেংটি ) ডাল একে টানে খহাই দিয়ে আৰু তেতিয়াই কবি মন উদ্বেলি উঠে লৰালিৰ পম খেদি, শৈশৱৰ সুখ বিচাৰি।.....................

লৰালি কালত কবিয়ে তেওঁৰ বন্ধু—বান্ধৱৰ সতে কিমান যে খেলা খেলিছিল ! ক'তজনক নিজৰ সঙ্গী কৰি লৈছিল, ক'তজনক ভাল পোৱাৰ সফুৰা যাচিছিল আৰু ক'তজনক ৰগৰ কৰিছিল। কবিৰ মনত পৰে—তেওঁৰ সখীয়েকে তেওঁক হয়তো মালা পিন্ধাব খুজিছিল আৰু তেতিয়াই হয়তো মৰমেৰে কৈছিল কবিয়ে-

কেতিয়াবা অকল'ই বননিৰ মাজত
বকুল তলত গ'ই,
সৰা ফুল তুলি ল'ই
'সখিক পিন্ধাম' বুলি কোমল হাতেৰে
গাঁথিছিলা ফুলমালা অতি হেঁপাহেৰে।

কবিয়ে যে তেওঁৰ 'সখিৰ সতে কিমান দিন লুইতৰ দাঁতিৰ শুভ্ৰ বালিত ৰংমনে ফুৰি দুৰ্বা আসনত বহিছিল ! প্ৰকৃতিৰ সান্ধ্য-শোভা নয়ন ভৰি চাই 'সখি'ৰ সতে কিমান যে গীত গাইছিল। তাহানিৰ কথা মনত পৰিলে কবিৰ যেন দেহমন পলকতে উৰি যায় কোনোবা মুলুকলৈ।

কিন্তু—! সেই ৰামো নাই, অযোধ্যাও নাই। কবিও শৈশৱক এৰি ডেকা কাল কান্ধত চপাই ললে। ক্ৰমে ক্ৰমে শৈশৱক আৰু ডেকা কালক এৰি দি এতিয়া কবি ভৰি দিলেহি বুঢ়া কালত ; শিৰত তুলি ললে বুঢ়াকালৰ মেটমৰা বোজা। অতীতৰ কোমলতা, সৰলতা, স্বচ্ছ জীৱনৰ মধুৰ স্বপ্ন সকলো জলাঞ্জলি দি কবিয়ে অতিন্দ্ৰীয়বাদী সোঁতত ভাঁহি গ'ল। শৰীৰৰ ক্লান্তি, দুখ আৰু বেদনাৰ গৰাহত নিজকে উটুৱাই দি ভগৱানৰ কাষলৈ উৰা মাৰিবলৈ মন মেলিলে। আশা-অভিলাস আৰু বেদনাবিধুৰ মনটোৱে যেন কিবা এটা পাবলৈ উগ্ৰীৱ হৈ পৰিল—

কিন্তু এবে, প্ৰিয়তমে নিচিনো তোমাক
মুখৰ লাৱণ্য কথা,
নাই তাত সৰলতা
মায়া ছলনাত পৰি যি দশা তোমাৰ
কৰিছে স্বাৰ্থৰ বিষে হিয়া অধিকাৰ।

তলৰ কবিতা ক'লিত কবিয়ে সহজ-সৰল ভাষাত সোণালী ল'ৰাকালৰ লগৰীয়া সখিয়েকলৈ মনত পৰি হুমুনিয়াহ কাঢ়িছে ; অতীতৰ হাঁহি-বিষাদ ; ৰং-ধেমালী আৰু ইটোৱে সিটোক অকপট ভাবে ভাল পোৱাৰ কথা বৰ্ণনা কৰিছে। এই নিৰ্মল ভাল পোৱাৰ কথা সঁচাকৈয়ে উপভোগ কৰিবলগীয়া। কবিতা কলিত কবিৰ অতীতৰ ক্ষন্তেকীয়া হেঁপাহ পূৰ্ণ দৃষ্টি সুখৰ প্ৰতি—

শৈশৱৰ ধূলি-খেলা,
যৌৱনৰ ৰূপ-লীলা
স্বৰগ পাতাল যেন নালাগেনে বাৰু ?

কবিৰ মনত নিয়ৰৰ বিন্দুবোৰত সুৰুযেহে শুভ্ৰ ৰং সানি জেউতি চৰাইছে। তেওঁ সাধাৰণ গছৰ পাত এটাটো অসাধাৰণত্ব আৰোপ কৰিছে। 'সাদৰি' পুথিত কবিয়ে গছৰ পাত এটাত দেখা পাইছে—সুন্দৰী গাভৰু ছোৱালী এজনীৰ সৰলতা, কোমলতা আৰু প্ৰফুল্লতা। বসন্তৰ আগমনত অতি উদাৰ মনত আনন্দ প্ৰকাশ সুৱদি চৰাইৰ গীতত মুগ্ধ হোৱা গাভৰুৰ পক্ষে অতি স্বাভাৱিক। ঋতু পৰিৱৰ্তনৰ লগে লগে গ্ৰীষ্ম বা বৰ্ষা কালত গছৰ পাতৰ 'তৰুণ লাৱণ্য আভা' বাঢ়ে ; কিন্তু সময়ৰ সোঁতত যেতিয়া দু:সহ শীতৰ আৱিৰ্ভাৱ হয়, তেতিয়া ঠেৰেঙা লাগি মৰি যায়। আৰু তেতিয়াই কবিৰ অন্তৰ ভেদি ওলাই আহে দুখৰ হুমুনিয়াহ। বেদনাত কবি হয় ভাবাক্ৰান্ত অথচ মনৰ সজীৱ চিন্তা সদায় জলন্ত ; কবিৰ অন্তৰ ভেদি ওলাই আহিব খোজে জনসাধাৰণৰ ক্ৰন্দন। দৰদী কবি শোকত ম্ৰিয়মান, কিন্তু কিয় নহয় জীৱনৰ অৱসান। কিন্তু তথাপিও কবিয়ে নিৰা-

শাৰ মাজজো আশাৰ প্ৰদীপ জ্বলাই বিহাৰ কৰে
সন্ধানী পথত। জীৱনৰ দুখ-সুখ, হৰ্ষ-বিষাদ;
আনন্দ-নিৰানন্দ সকলো একাকাৰ কৰি কবিয়ে
সাজে আশাৰ ৰাজকাৰেং, গঢ়ে অমৰ কীৰ্ত্তি।

কবিয়ে স্বাৰ্থ বলিদানদি জীৱনদি আহুতি অসমী আইৰ বুকুত আশাৰ কঠিয়া ৰোপন কৰিছিল; সেই কাৰণে কবিয়ে গছৰ পাত এটি সৰি যোৱাৰ কাৰণে দুখ কৰিছিল যদিও বহুত কিবা-কিবি তাত বিচাৰি পাইছিল। সেই কাৰণেই বোধহয় প্ৰকৃতি বিহাৰী কবি চৌধাৰীয়ে গাইছিল— "মোৰ জীৱনৰ এয়ে পৰিণাম" মাটিৰ শৰীৰ পুনু মাটিতে মিলিব" অকল স্মৃতি মাত্ৰ থাকিব।

আহা! আহা, আমি সকলোৱে মিলি জুলি এইজনা মহান কবিৰ জীৱনৰ আহি লৈ ভৱিষ্যতৰ সপোন পুৰাবলৈ আগুৱাই যাওঁ। আহা, মোৰ লগতে সকলোৱে শ্ৰদ্ধেয় কবি গৰাকীৰ অন্তৰাত্মালৈ শ্ৰদ্ধাঞ্জলি তৰ্পন কঁৰোহক।

( উক্ত প্ৰৱন্ধটি সাদৰী পুথিখনৰ আলাম লৈ লিখা )

লঘু ৰচনা

## এখন ৰসৰচনা চিঠি

( ছাঁ-লৈ লিখা )

শ্ৰীহৰকুমাৰ দাস
কাৰ্য্যালয় সহায়ক।

মৰমৰ বোৱাৰী,

হঠাৎ সেইদিনা ডাক্তৰ বেজবৰুৱাক লগ পালো। বেজ বৰুৱাক লগপাই ওপৰ মহলত উঠি তেজিমলাৰ দুখৰ কাহিনী শুনি গঙা চিলনীৰ পাখিত উঠি ধুমুহা বেগেৰে সুদূৰ অৰণ্যলৈ উৰা মাৰিলো। বাটতে মিৰি জীয়ৰীক লগ পালো। তেওঁৰ মুখৰ পৰা মানৱ আৰু দানৱৰ কাহিনী শুনি সিহঁতৰ বিৰুদ্ধে সংগ্ৰাম কৰিম বুলি অভিযান চলালো। কিন্তু চিক্‌মিক্ বিজুলিৰ নিচিনা বৰুৱাৰ সংসাৰখনে সকলো লটিঘটি কৰি দিলে। তাত অনুতাপ কৰি লাভ নাই।

তথাপি ইটো সিটো বহুতো যোগবিয়োগ কৰি চালো যে, ঘৰ সংসাৰখন ওপজা সোণৰ মাটিতে নতুনকৈ আশ্ৰয় দিব পাৰো বুলি আশা ৰাখিলো।

সেইহে সোণতৰা, সোণমইনা আৰু মৰমীলৈ মৰম যাচিলো।

শেষত ৰূপহী, জয়মতী, দেৱলৈ মোৰ আন্তৰিক সেৱা জনাই চিঠিৰ সামৰণি মাৰিলো। ইতি—

শ্ৰীমতি মহিমাময়ী



## আলোচনী সম্পাদনা সমিতি ১৯৮৮-৮৯



বাঁওফালৰ পৰা ( বহি )— অধ্যাপিকা নন্দিতা চলিহা, অধ্যাপক সুবোধ চৌধুৰী, অধ্যক্ষ দয়ানন্দ পাঠক, অধ্যাপক জ্যোতিষ বৰ্মন।

বাঁওফালৰ পৰা ( থিয় হৈ ) — গৌতম শইকীয়া ( সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা ) মঃ মুছলিমুদ্দিন আহমেদ ( উপ সভাপতি, ছাত্ৰ একতা সভা ) ভগবান চন্দ্ৰ দাস ( সদস্য, ছাত্ৰ একতা সভা )।



# ব্যাকৰণ আৰু অসমীয়া ভাষাৰ ব্যাকৰণ

**শ্ৰীজ্যোতিষ চন্দ্ৰ বৰ্মণ**
প্ৰবক্তা, সুৰেণ দাস মহাবিদ্যালয়,

" No Language is Logecal in every respect, and we must not expect usage ot be guided always by strictly logical p.ılencipes.

**—Otto Jesprson·**

জগতৰ কোনো এটা ভাষা চৰ্চা কৰিলে অথবা সেই ভাষা কোৱা পৰিয়ালৰ লগত কিছুদিন মিলামিছা কৰিলে ভাষাটো ক'ব পৰা যায়। কিন্তু ভাষা শিকিব পৰা নাযায়। ভাষা কোৱা আৰু ভাষা শিকা বা শিকোৱা দুয়োটা কথা সম্পূৰ্ণ বেলেগ। গতিকে কোনো এটা ভাষা শিকিবলৈ বা শিকাবলৈ হ'লে সেই ভাষাটোৰ ব্যাকৰণৰ আৱশ্যকতা আছে। ব্যাকৰণ বুলিলে কি বুজাৱ? ইয়াৰ ৰচনা পদ্ধতি কেনে ধৰণৰ? ব্যাকৰণৰ শ্ৰেনীবিভাগ আছে নেকি?

ব্যাকৰণ শব্দটোৰ তাৎপৰ্য সংস্কৃত ভাষাৰ ব্যাকৰণ শব্দটোৰ বুৎপত্তিগত অৰ্থতে সোমাই আছে। বি পূৰ্বক, আ-পূৰ্বক, কৃ ধাতুত অন (অনট্) প্ৰত্যয় লগ লাগি ব্যাকৰণ শব্দৰ নিষ্পত্তি হৈছে। বৈদিক যুগত ভাৰতীয় আৰ্য মনীষি সকলে ব্যাকৰণ গ্ৰন্থক বেদাঙ্গ শাস্ত্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছিল। বৈদিক সংহিতাৰ লগে লগে বৈদিক ব্যাকৰণৰো আৰম্ভ হয়। ঋক, যজু, সাম আৰু অথৰ্ব এই চাৰিখন বেদৰ মন্ত্ৰকাণ্ডকে চাৰি সংহিতা বোলা হয়। এই বৈদিক মন্ত্ৰৰ উৎপত্তিৰ সৈতে বৈদিক ব্যাকৰণৰ প্ৰাৰম্ভ দেখা যায়। তৈত্তিৰীয় সংহিতাত উল্লেখ কৰিছে যে পোনতে বাক্ অব্যাকৃত অথবা অপ্ৰকাশিত অৱস্থাত আছিল। দেৱতা সকলৰ অনুৰোধত ইন্দ্ৰই ইয়াক ব্যক্য, ধাতু আৰু প্ৰত্যয়ত বিভক্ত কৰিছিল। বেদৰ মন্ত্ৰবোৰৰ সংহিতা পাঠটো যেতিয়া পদ পাঠত ভঙা যায় তেতিয়াই উক্ত কথাটো ভালদৰে প্ৰকাশ পায়। কেতিয়াবা বেদৰ ধৰ্মীয় অনুষ্ঠানবোৰ সম্পাদন কৰ'ৰ ক্ষেত্ৰত শব্দ আৰু অৰ্থবোৰ লিঙ্গ আৰু বিভক্তিৰে নিৰ্ণয় কৰিবলগীয়া হয়। পতঞ্জলিয়ে ঋকবেদৰ চতুৰ্থমণ্ডলৰ ৫৮ নং সূক্তৰ ৩ নং মন্ত্ৰটোত ব্যাকৰণ শাস্ত্ৰৰ উল্লেখ থকা বুলি দেখুৱাইছে। ব্যাকৰণ শাস্ত্ৰ হ'ল বেদাঙ্গ শাস্ত্ৰ। এই বেদাঙ্গ ছয়খন—শিক্ষা (Phonetic), কল্প (Retual), নিৰুক্ত (Etymology), ব্যাকৰণ (Grammar), ছন্দ (Prosody), আৰু জ্যোতিষ (Astronomy)। পানিনীয় শিক্ষাত ব্যাকৰণক বেদৰ মুখ—"বেদস্য মুখং ব্যাকৰণং স্মৃতম্" উল্লেখ কৰিছে।

ভাষাৰ শুদ্ধতাৰ কাৰণে নিতান্তই আৱশ্যক। ব্যাকৰণ শাস্ত্ৰই কোনো এটা ভাষাৰ বিশ্লেষণ কৰি তাক শুদ্ধকৈ কোৱাৰ, লিখাৰ আৰু বুজাৰ ৰীতি শিকায়। মুখ্যতঃ ব্যাকৰণ একপ্ৰকাৰ বিজ্ঞান, ইয়াৰ উদ্দেশ্য ভাষাৰ গঠন প্ৰণালীৰ অধ্যয়ন আৰু সৰ্বজন গ্ৰাহ্য নীতি নিয়মবোৰ চালিজাৰি দেখুৱা, যাতে তাৰ সহায়ত ভাষাটো ভালদৰে আয়ত্ব কৰিব পৰা যায়। সত্যনাথ বৰাদেৱৰ মতে ব্যাকৰণ ভাষাৰ বিশ্লেষণ বা ভাঙনি। ই ভাষা এটা খণ্ড খণ্ড কৰি তাৰ

গঠন প্রনালীটোক ভাঙি চিঙি ভিন্ ভিন্ খণ্ড- বিলাকৰ ভিন ভিন নাম দিয়ে। ভাষাৰ গঠনৰ বিশ্লেষন মানে প্ৰথমতে ভাষাটোৰ বিশিষ্ট ধ্বনি, সংযোগ বা ৰূপ, ৰূপসংযোগ বা বাক্য গঠন আদিৰ বিশদ আলোচনা। এনে আলোচনাক ভাষাবৈজ্ঞানিক অধ্যয়ন বুলিও ক'ব পাৰি। গতিকে কোনো এটা ভাষাৰ ভাষাৰ বৈজ্ঞানিক আলোচনাকে সেই ভাষাটোৰ ব্যাকৰণ বুলি ক'ব পাৰি। এই ব্যাকৰণ কেবা প্ৰকাৰৰো হ'ব পাৰে। কোনো এটা ভাষাৰ কোনো এক সময়ৰ গঠন পদ্ধতিৰ ( সচৰাচৰ কথিত ভাষাৰ ) তন্ন তন্ন বিচাৰৰ বিৱৰণক সেই ভাষাটোৰ বৰ্ণনাত্মক ব্যাকৰণ বোলে। কোনো এটা ভাষাই প্ৰাচীন কালৰ পৰাই বিভিন্ন স্তৰৰ মাজেদি বিকশিত হৈ কেনেদৰে বৰ্তমানৰ ৰূপটো পালেহি তাৰ বিৱৰণ হ'ল ভাষাটোৰ ঐতিহাসিক ব্যাকৰণ। কোনো এটা ভাষাৰ মূল উৎস আৰু তাৰ পৰিৱ- তিত আন আন ৰূপেৰে সৈতে থকা সম্বন্ধৰ বিচাৰযুক্ত বিৱৰণ হ'ল ভাষাটোৰ তুলনাত্মক ব্যাকৰণ। কোনো দুটা ভাষাৰ প্ৰথমতে বৰ্ণনাত্মক ব্যাকৰণ ৰচনা কৰি পিছত ভাষা দুটাৰ মাজত থকা বিপৰীত বৈশিষ্ট্যবোৰৰ বিৱৰণসূচক ব্যাকৰণখনৰ নাম বিৰোধী ব্যাকৰণ। এনে ধৰণৰ ব্যাকৰণৰ দ্বাৰা এটা দ্বিতীয় ভাষা বা বিদেশী ভাষা শিকা আৰু শিকোৱাত সুবিধা হয়।

অসমীয়া ভাষাৰ ক্ষেত্ৰতো অসমীয়া কথিত ভাষাৰ গঠন-পদ্ধতি দেখুৱাই ৰচনা কৰা এখন কথিত ভাষাৰ ব্যাকৰণ ( ইয়াত কথিত শব্দৰ দ্বাৰা মান্য ভাষাৰ কথিত ৰূপক বুজোৱা হৈছে ), কথিত ভাষাৰে সৈতে লিখিত ভাষাৰ পাৰ্থক্যৰ নিৰ্দেশ আৰু সংস্কৃতীয়া প্ৰয়োগৰ বিশ্লেষণ সন্নিবিষ্ট এখন লিখিত ভাষাৰ ব্যাকৰণ, অসমীয়া ভাষাৰ প্ৰাচীন কালৰ ৰূপৰ পৰা আধুনিক ৰূপ পোৱা আৰু অসমীয়া ভাষাৰ মূল উৎস সংস্কৃত আৰু তাৰ পৰিৱৰ্তিত ৰূপ পালি, প্ৰাকৃত আদি ভাষাৰে সৈতে সম্বন্ধিত ৰূপৰ বিৱৰণসহ এখন ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণ—প্ৰধানকৈ এই তিনিধৰণৰ ব্যাকৰণৰ আৱশ্যক। অসমীয়া ভাষাৰ ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণত সংস্কৃতৰ উপৰি জনজাতীয় ভাষা, আৰবী, পাৰ্চী, হিন্দী, ইংৰাজী আদি ভাষাৰে সৈতে থকা সম্পৰ্ক বিৱেচিত হ'ব। অসমীয়াই হিন্দী বা ইংৰাজী আদি ভাষা শিকাৰ ক্ষেত্ৰত দুটা ভাষাৰ বিৰোধী ব্যাকৰণৰ আৱশ্যকতা যাথেষ্ট বেছি। পাঠ্যক্ৰমৰ সন্দৰ্ভত অসমীয়া বৰ্ণনাত্মক ব্যাক- ৰণখন উচ্চ মাধ্যমিক স্তৰৰ অষ্টম শ্ৰেনীলৈকে চলাব পাৰি। উচ্চ মাধ্যমিক স্তৰৰ নৱম-দশম শ্ৰেনীত আৰু উচ্চতৰ মাধ্যমিক স্তৰত লিখিত অসমীয়া ভাষাৰ ব্যাকৰণ আৰু বিশ্ববিদ্যালয় স্তৰত ঐতিহাসিক আৰু তুলনাত্মক ব্যাকৰণৰ অধ্যয়নৰ ব্যৱস্থা হ'ব লাগে।

ব্যাকৰণৰ প্ৰধান অংগ তিনিটাঃ ধ্বনিগত ( Phonology ), ৰূপগত ( Morphology ) আৰু বাক্যগত ( Syntax )। ধ্বনিগত আলো- চনাত ধ্বনি ( কোনো কোনোৱে বৰ্ণ বুলি কয় ), স্বৰধ্বনি আৰু বাঞ্জনধ্বনি, বিশিষ্ট ধ্বনি, দ্বিস্বৰ- ধ্বনি, বিশিষ্ট ব্যঞ্জন-ধ্বনি, শ্ৰুতি ধ্বনি আৰু আখৰ, ধ্বনি আৰু আখৰৰ বিশ্লেষন, ৰূপ বা শব্দ সংযোজনত ধ্বনিৰ ভূমিকা আদি বিষয়- বোৰ পৰে। ব্যাকৰণৰ আন এটি অংগ ৰূপ বিচাৰ অথবা শব্দ বিশ্লেষণ। ব্যাকৰণৰ ৰূপ বিচাৰ ক্ষেত্ৰত প্ৰধানকৈ ৰূপ, মুক্তৰূপ অথবা প্ৰত্যয়, প্ৰত্যয়ৰ সংযোগ, শব্দমূল, শব্দৰ শ্ৰেণী- বিভাগ আৰু সেইবোৰৰ বৈশিষ্ট্য, ইয়াৰ ব্যৱহাৰত লিঙ্গ, কাৰক, বচন, পুৰুষ, অৱস্থা, কাল অনুসৰি শব্দবোৰৰ ৰূপান্তৰ ঘটো ক্ৰিয়া বিভক্তি, ক্ৰিয়াবোৰৰ ৰূপ শব্দ গঠনত কৃৎ প্ৰত্যয় তদ্ধিত প্ৰত্যয়ৰ ভূমিকা আদি সকলো বোৰ কথা ৰূপ বিচাৰত আলোচনা হ'ব লাগে। বাক্য বিচাৰত বাক্য গঠনৰ নিয়ম, পৰিৱৰ্তনৰ কাৰণ আৰু বিবিধ দিশ, বাক্যৰ প্ৰকাৰ, বাক্যত শব্দক্ৰম, বাক্যসুৰ বা সুৰলহৰ আদি ব্যাকৰণৰ বাক্যগত আলোচনা।

অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাস ফঁহিয়াই চাই প্ৰচলিত ব্যাকৰণবোৰত উল্লিখিত সামগ্ৰী- বোৰ আছেনে নাই বা কিমানখিনি আছে পৰীক্ষা কৰি চোৱাৰ সময় আহি পৰিছে।

অসমীয়া ব্যাকৰণৰ ইতিহাস বিচাৰ কৰিবলৈ হ'লে আমি অসমীয়া ভাষাৰ প্ৰাচীনতাৰ বিষয়েও ক'ব লাগিব। অসমীয়া ভাষাৰ প্ৰাচীনতম নিদৰ্শন হিচাপে সপ্তম শতিকাৰ আগ ভাগত চীন পৰিব্ৰাজক হিউয়েনচাঙৰ কামৰূপৰ ভাষা সম্পৰ্কে কৰা উক্তি দাঙি ধৰিব পাৰি। তাৰ পাছত প্ৰাচীন কামৰূপৰ ষষ্ঠ সপ্তম শতিকাৰ পৰা দ্বাদশ শতিকালৈ ৰাজত্ব কৰা হিন্দু ৰজা সকলৰ তামৰ ফলিবোৰৰ ভাষাই অসমত গঢ় লোৱা অসমীয়া ভাষাটোৰ ৰূপটো আৰু স্পষ্ট কৰি তোলে। তামৰ ফলিবোৰত পোৱা অনেক শব্দ আৰু ধ্বনি সংস্কৃতৰ পিনৰপৰা অশুদ্ধ হ'লেও সেই প্ৰয়োগবোৰ সেই সময়ৰ কথিত ভাষাৰ যে প্ৰভাৱ—তাত সন্দেহ কৰিবলগীয়া নাই। তামৰ ফলিবোৰত অসমীয়া ভাষাৰ বৈশিষ্ট্যসূচক উচ্চাৰণ সম্পৰ্কীয় চানেকি কিছুমান সংৰক্ষিত হৈছে।

প্ৰাচীন অসমীয়া ভাষা বুলিলে প্ৰাক্‌শংকৰী আৰু শংকৰীযুগৰ বৈষ্ণৱ আৰু অনাবৈষ্ণৱ সাহিত্যৰ ভাষাক বুজোৱা হৈছে। এইবোৰ সাহিত্যৰ ভাষাক অসমীয়া আৰু ব্ৰজবুলি নামেৰে জনা যায়। অসমীয়া ভাষাৰ ইতিহাসৰ পিনৰ পৰা অপ্ৰমাদী কবি মাধৱ কন্দলীয়ে চৈধ্য শতিকাত ৰচনা কৰা ৰামায়ণ গ্ৰন্থখন অতি মূল্যবান। কন্দলীয়ে মূল বাল্মীকি ৰামায়ণ- খনক মহাকাব্যৰূপে অসমীয়া ভাষাত ৰচনা কৰা কথাই চৈধ্য শতিকাত অসমীয়া ভাষাটোৱে যে যথেষ্ট বিকাশ লাভ কৰিছিল, তাৰ প্ৰমাণ দাঙি ধৰে। মাধৱ কন্দলীৰ ৰামায়ণত অসমীয়া ভাষাটোৰ এটা পূৰ্ণৰূপ সংৰক্ষিত হৈছে। ভাষাৰ পূৰ্ণৰূপ বুলি ক'লে তাৰ প্ৰধানকৈ ৰূপ গঠন ৰীতিৰ কথাই ক'বলগীয়া হয়। ৰূপ গঠন পদ্ধতিয়ে বিভিন্ন শব্দৰ লগতে সেই বোৰৰ পাছত যোগ হোৱা বিবিধ প্ৰত্যয়, শব্দ বিভক্তি, ক্ৰিয়াবিভক্তি, শব্দবোৰৰ শ্ৰেণীবিভাগ, শব্দ গঠন পদ্ধতি আদি কথা সামৰি লয়। শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা অংকীয়া নাট আৰু বৰগীত বোৰত ব্যৱহাৰ কৰা ভাষা- টোক ব্ৰজবুলি ভাষা বুলি কোৱা হয়। এই ব্ৰজবুলি ভাষাত অসমীয়া ভাষাৰ ৰূপতত্বমূলক বৈশিষ্ট্য কিছুমান সংৰক্ষিত হৈছে। তাৰ পাছত ষোড়শ শতিকাত ৰচনা কৰা ভট্টদেৱৰ কথা- গীতা আৰু কথা-ভাগৱতত সংস্কৃত শব্দ প্ৰয়োগ আৰু সংস্কৃত ব্যাকৰণৰ ৰীতি লক্ষ্য কৰা যায়। নিৰপেক্ষ দৃষ্টিভঙ্গীৰে চালে ভট্টদেৱৰ ৰচনাত অসমীয়া ভাষাৰ ৰূপতত্বমূলক কিছুমান বৈশিষ্ট্যৰ প্ৰয়োগ আছে। তাৰ পিছৰ আহোম ৰজা সকলৰ পৃষ্ঠপোষকতাত ৰচিত হোৱা বুৰঞ্জী সাহিত্য- বোৰতো অসমীয়া ভাষাৰ ৰূপতাত্বিক বৈশিষ্ট্য কিছুমান লক্ষ্য কৰা যায়। মুখ্যতঃ ত্ৰয়োদশ শতিকাৰ পৰা ইংৰাজ সকলৰ আগমনৰ আগলৈকে এই সময়ছোৱাত অসমীয়া ভাষাৰ ব্যাকৰণ পুথি ৰচিত হোৱা নাছিল যদিও অসমীয়া ভাষাৰ ৰূপ-গঠন পদ্ধতিৰ বিশ্লেষণ সেই সময়ত আছিল, তাত কোনো সন্দেহ কৰিবলগীয়া নাই।

অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাসত ইংৰাজ বিষয়া উইলিয়াম ৰবিনছন ছাহাবৰ বৰঙণি চিৰস্মৰণীয়। ৰবিনছন ছাহাবৰ আশা- শুধীয়া প্ৰচেষ্টাত ১৮৩৯ চনত অসমীয়াৰ প্ৰথমখন ব্যাকৰণ পুথি ৰচিত হয়। তাৰ পিছত অৰুণোদয় যুগৰ শুভাৰম্ভ। দৰাচলতে অৰুণোদয় যুগটো ভাষাৰ ক্ষেত্ৰত বাট বিচৰা, বাটকটাৰ যুগ। ডক্টৰ নেওগৰ ভাষাত ক'বলৈ গ'লে, "বেপিষ্ট

সকলে অসমীয়া ব্যাকৰণ, অভিধান, পঢ়াশালীয়া পুথি জ্ঞান-বিজ্ঞানৰ পুথি লিখি আৰু প্ৰকাশ কৰি, আলোচনী তথা খবৰ-কাগজৰ উৎকৃষ্ট নিদৰ্শন 'অৰুণোদয়' চলাই পঢ়াশালি আদালতত অসমীয়া ভাষাৰ হেৰোৱা ঠাই পুনৰুদ্ধাৰৰ যুঁজত প্ৰথম আৰু শক্তিশালী যুঁজাৰু হৈ অসমীয়া লেখকক নতুন অসমীয়া ভাষা লিখাত কলম ধৰাই, অসমীয়া শব্দাৱলীত ইংৰাজী সম্ভাৰ আৰু অসমীয়া বাক্য ৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃত সঞ্জিৱনীৰে নতুন জীৱন দিলে। আধুনিক সাহিত্য সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচৰালে আৰু আটাইতকৈ ডাঙৰ অসমীয়া মানুহক আত্মপ্ৰত্যয় শিকালে।" মিছনেৰি ড° নাথান ব্ৰাউন ছাহাবে ১৮৪৮ চনত দ্বিতীয়খন ব্যাকৰণ ইংৰাজীতে ৰচনা কৰে। এই দুয়োখন ব্যাকৰণেই চমু আছিল যদিও অসমীয়া ভাষাটোৰ গাঁঠনিক বৈশিষ্ট্যবোৰ দাঙি ধৰিবলৈ চেষ্টা কৰিছিল।

অসমীয়া ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাত পোন প্ৰথমে 'অসমীয়া ভাষাৰ ব্যাকৰণ' নামেৰে এখন ব্যাকৰণ ১৭৮১ শকত (অৰ্থাৎ ১৮৫৯ চনত) ছপা কৰি উলিয়াই। এই ব্যাকৰণখন ইংৰাজী আৰু সংস্কৃতৰ আহিত ৰচিত হৈছিল। অসমীয়া ব্যাকৰণৰ ইতিহাসত হেমচন্দ্ৰ বৰুৱাৰ এই ব্যাকৰণখন চিৰস্মৰণীয়। ইয়াৰ পিছত লোকনাথ শৰ্মা প্ৰমুখ্যে কেইবাজনো অসমীয়া লোকে অসমীয়া ব্যাকৰণ ৰচনা কৰিছে যদিও বিশেষভাবে উল্লেখযোগ্য ব্যাকৰণখন হ'ল সত্যনাথ বৰা ৰচিত 'বহল ব্যাকৰণ'। এই দিশত আন এজন ভাষাবিদ কালিৰাম মেধি ডাঙৰীয়াৰ 'অসমীয়া ব্যাকৰণ আৰু ভাষা তত্ত্ব' বিষয়ক গ্ৰন্থখন বিশেষভাৱে উল্লেখ কৰিবলগীয়া।

সময়ে সময়ে অসমীয়া ভাষাৰ ব্যাকৰণ কিছুমান ৰচনা কৰা হৈছে যদিও তিনিগৰাকী বৈয়াকৰণিকৰ (হেমচন্দ্ৰ বৰুৱা, সত্যনাথ বৰা আৰু কালিৰাম মেধি) পুথি তিনিখনহে বিশেষভাৱে উল্লেখযোগ্য। স্কুলীয়া পাঠ্য-পুথি হিচাপে লেখা বেছিভাগ ব্যাকৰণ পুথি এইকে-ইখনৰে ইফাল সিফাল ৰূপ বুলি ক'ব পাৰি। আধুনিক দৃষ্টিভঙ্গীৰে চালে এতিয়ালৈকে লেখা ব্যাকৰণ বোৰৰ ভিতৰত দুই এখনৰ বাহিৰে প্ৰায়বোৰ ব্যাকৰণতে কিছুমান ত্ৰুটি চকুত পৰে। সাধাৰণতে দোষ বা ত্ৰুটিবোৰ গতানুগতিক ভাবে দিয়া অসমীয়া শব্দৰ শ্ৰেণীবিভাগৰ সংজ্ঞা, কাৰক বিভক্তি, প্ৰত্যয়ৰ প্ৰয়োগত দেখা পোৱা যায়। সেইবোৰক তেনে ধৰণে নাৰাখি ভাষা বৈজ্ঞানিক দৃষ্টিৰে কোনো ৰূপৰ আন ৰূপৰ লগত সংযোগ, সম্পৰ্ক আৰু ৰূপবোৰৰ বাক্যত স্থান আদিৰ বিচাৰৰ বাক্যত স্থান আদিৰ বিচাৰৰ দ্বাৰাহে সংজ্ঞা নিৰূপন কৰিব লাগে।


অসমীয়া ভাষাৰ গঠন পদ্ধতি বিশ্লেষণ কৰিলে এটা কথা স্পষ্টৰূপে দেখা যায়। সেইটো হৈছে কায়াৰ লগত ছায়া থকাৰ দৰে অসমীয়া ভাষাৰ লগত জড়িত থকা সংস্কৃতীয়া ৰূপ এটা। সেই ৰূপটোৰ বিষয়ে নাজানিলে অসমীয়া কথিত বা লিখিত কোনো এটা ৰূপকে সম্যকভাবে জনাটো সম্ভৱ নহয়। বৰ্তমান প্ৰচলিত উচ্চতৰ মাধ্যমিকৰ পাঠ্যপুথি হিচাপে স্বীকৃত ভাষাবিদ ড° উপেন্দ্ৰনাথ গোস্বামী দেৱৰ 'অসমীয়া ভাষাৰ ব্যাকৰণ' পুথিখনৰ বাহিৰে প্ৰচলিত প্ৰায়বোৰ ব্যাকৰণতে দুয়োটা গঢ়ৰে সান মিহলি বিশ্লেষণ দেখা যায়। ড° গোস্বামী দেৱে অসমীয়া ভাষাৰ সুকীয়া গঢ়টোৰ বিশ্লেষণ পুথিখনৰ প্ৰথম খণ্ডত আলোচনা কৰি ব্যাকৰণ প্ৰণয়নৰ এটি নতুন দিশৰ সূচনা কৰিছে। ড° উপেন্দ্ৰনাথ গোস্বামীদেৱৰ সম-সাময়িক আন এজন ভাষাবিদ ড° গোলোকচন্দ্ৰ গোস্বামীদেৱে অসমীয়া ভাষাৰ গাঁঠনিক দিশটোৰ প্ৰতি লক্ষ্য ৰাখি ভাষা বৈজ্ঞানিক নীতি আৰু সূত্ৰ খটুৱাই 'অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ' (১৯৮৭ চন) নামৰ ব্যাকৰণখন আধুনিক অসমীয়া ব্যাকৰণ ৰচনাৰ ক্ষেত্ৰত সবল পদক্ষেপ বুলিব পাৰি। এনে প্ৰচেষ্টাৰে ভাষাবিজ্ঞানৰ চিন্তা-চৰ্চা কৰা যোগ্য ব্যক্তিসকল আগবাঢ়ি আহিলে অসমীয়া ভাষাৰ ব্যাকৰণৰ সংস্কাৰ আশা কৰিব পাৰি।



"Poetry is the spontaneous overflow of powerful feelings; it takes its origin from emotion recollected in tranquillity. The emotion is contemplated till, by a series of reactions, the tranquillity disappears, and an emotion kindred to that which was before the subject of contemplation, is gradually produced and does itself actually exist in the mind. In this mood successful composition begins and in a similar mood it is carried out."

—Wordsworth
in Preface to Lyrical Ballads

# কবিতা



## ১ মে' ১৯৮৯

**শ্ৰীমতী লোপা ডেকা বৰুৱা**
অধ্যাপিকা, অসমীয়া বিভাগ

মে'পল গছৰ পাতত নিশাহ থৈ
মে' দিৱসৰ সোনালী ৰ'দজাকৰ সতে,
সহকৰ্মী বন্ধুজন গ'লগৈ, আপোন ঘৰলে';
আলি কেঁকুৰিৰে বৈ গ'ল—
এডোখা তেজৰ নৈ।
চাৰিডাল বাঁহৰ কামিৰে আগুৰা
অন্তিম তুলসী ছাঁয়াত,
অনুভূতি শিল হৈ শুলে
এগচি মাটিৰ চাকি, ষোড়শাঙ্গ ধূপৰ সুৰভি সতে।
আৰু শুলে—
জনাকীৰ্ণ নিৰ্জ্জনত অকলশৰীয়া, দৰদী পত্নীৰ
কপালৰ মধ্যাহ্ন ভাস্কৰ;
আঃ কি যে নগ্ন বিলাস নিঠুৰ সত্যৰ !!
সহকৰ্মী বন্ধু মোৰ !
তোমাক লগ পাম—প্ৰতিটো মে' দিৱসৰ সোণালী ৰ'দত;
লগ পাম—বন্ধুৰ দৰে !
বিশ্বৰ মেহনতী জনতাৰ মুষ্ঠিবদ্ধ দুবাহুৰ দৃঢ়তাত
তুমি জীয়াই আছা,
তুমি জীয়াই থাকা।


বিঃ দ্রঃ— দুৰ্ঘটনাত অকাল মৃত্যু ঘটা সহকৰ্মী ৺জিতেন্দ্ৰ চন্দ্ৰ দাসৰ স্মৃতিত —কবিতাটো উচৰ্গা কৰা হ'ল।

## ছহিদ

শ্ৰীলক্ষ্মণ বৰ্মন
স্নাতক ১ম বাৰ্ষিক

তুমি জাগ্ৰত প্ৰহৰী হৈ
চেতনাৰ চাবুকেৰে কোবাই
তোমাৰ সংহতিৰ
তেজী ঘোঁৰাটো ”
চাইমুম্ লুৰ দৰে
ৰণক্ষেত্ৰৰ মৃত্যু উপত্যকাত
দপদপাই ঘুৰালা।
আৰু
জন্মভূমিত
বুকুৰ শোণিত ঢালি
তুচ্ছ কৰি গ’লা
দানবৰ জয়োল্লাস ॥
তুমি আঁতৰি গ’লা
কিন্তু তোমাৰ
সাহসৰ তৰোৱালখন
চিকমিকাই ৰ’ল ॥

—o—




## বেদনা

সৌ সেইদিনা হঠাতে
পুৱতি নিশা
কিয়জানো এটি সপোন দেখিছিলো,
তুমি অসুস্থ ॥
অচিনাকি বীজানুৰ দ্বাৰা আক্ৰান্ত ॥
অ·······নিদ্ৰাদেবীৰ কোলাত
বহুদিন কটালো আমি,
সিহতে—? আমাক চিৰ নিদ্ৰাত
থকাতো বিচাৰে।
আমি সাৰ পাইছো,
আমি নহওঁ ক্লান্ত ॥
তুমি আৰোগ্য হৱাই
আমি নিশ্চিন্ত ॥

—o—



"Poetry is the criticism of life"
—**Matthew Arnold**



## শ্বাশ্বত হুমুনিয়া

মনোজ কুমাৰ ডেকা
স্নাতক ৩য় বৰ্ষ।

জয়াল নিশাৰ নিস্তব্ধতা ভঙ্গকৰা
শিশুৰ আৰ্তনাদ।
নগ্ন পংকিলতা
সময়ৰ লগত সংঘাট,
কলিজাত কাইটৰ আচোঁৰ
তথাপিও জয়ৰ শ্লোগান
শীতৰ মলয়া বেসুৰা ;
অসহ্য জোনাক নিশা
আকৌ সেই আৰ্তনাদ!
মাতৃৰ বুকুত খেপিয়াই পায়
শুকান স্তন!
তেজ লগা কলিজাটি
ক্লান্ত হ’ব নোৱাৰে
শলিতা গচি জ্বলাবৰ সময় আহিছে ॥

—o—

## “নৱ প্ৰতিশ্ৰুতি”

চৈয়দা ৰবিউল নেহাৰ
উচ্চতৰ মাধ্যমিক, ২য় বৰ্ষ

নতুন পুৱাৰ নতুন সুৰভি
আমাৰ—প্ৰাণত জ্বলিছে
কত শ্বহীদৰ তেজৰ
চেকুৰাৰে শিখা আজি উৰিছে
* * *
আইঃ আজি উচুপি আছে
ইতিহাসৰ বেদনাৰে
মাতৃ আজি শুই আছে
কালৰাত্ৰিৰ এন্ধাৰত
প্ৰেৰণাৰ ফুল আমাৰ হিয়াত ফুলিছে
* * *
চেতনাই আজি যুগৰ সীমনাত
দিলে নৱ দৃষ্টি
প্ৰজ্ঞাই আজি আইৰ বাবে
দিলে নৱ প্ৰতিশ্ৰুতি
সৃষ্টিৰ গীত বোৰ
আমাৰ প্ৰাণত উঠিছে।

—o—

# "মই বিপ্লৱী"

—এমঃ নুৰফৰাজ আলী
স্নাতক দ্বিতীয় বাৰ্ষ

মই বিপ্লৱী বীৰ পুত্ৰ জননীৰ
মূলা গাভৰুৰ সন্তান ;
দেশৰ কাৰণে হাঁহি হেলাৰঙে
জীৱন কৰিম দান।
মই লাচিতৰ চেনেহৰ নাতি
শত্ৰু সেনাক কাটি ;
উজলাম মাতৃৰ শৰীৰৰ জ্যোতি
এয়ে হ'ব মোৰ জীৱন খ্যাতি।
নেমানো বাধা নেমানো বিঘনি
সকলো কৰিম আঁতৰ
দুবাহুত বল বান্ধি কাল শত্ৰুক কৰিম নিধন
ভাঙিম জননীৰ সকলো জগৰ।
নপলাবি! নপলাবি! হেন ভীৰুহঁত
সকলো বন্দী লোৰ সঁজাত ;
এটি এটি কৰি দিম শিকনি
জীৱন থাকে মানে ধৰাত।
সোণৰ অসম নতুনকৈ গঢ়িম
ভেদাভেদৰ প্ৰাচীৰ ভাঙিম
দেশ মাতৃক আগুৱাই নিম
জীৱন দি হ'লেও ৰক্ষা কৰিম।
সৌন্দৰ্য্যৰে উজ্বলাম জননীৰ মুখ
অসমীয়াই আৰু নোভোগে দুখ,



লভিব পাৰিব পৰম সুখ
আনন্দতে ধৰিত্ৰীই মেলিব মুখ।
এই সুখতেই গছ গছনিয়েই
ধৰিব নতুন পাত ;
চৰাই চিৰিকটিয়ে মনৰ আনন্দত
লগাব সুৰীয়া মাত।
পৰ্বত পাহাৰে ৰিঙিয়াই মাতিব
জুৰিটিয়ে কথা ক'ব
নৈ জান জুৰিয়ে উদ্বাউল হৈ
সমভূমিৰ লগত মিলি যাব।
অতীতৰ কথা সুঁৱৰি সুঁৱৰি
মনৰ মাজত সিচিব বল,
আই অসমীয়ে সন্তুষ্ট হৈ
সোণৰ অসমত বোঁৱাব একতাৰ ঢ'ল।

—o—

"Poetry is the best words in the best order"
—S. T. Coleridge



# কোন তুমি কবি ?

মহঃ নুৰুল ইছলাম
স্নাতক দ্বিতীয় বাৰ্ষিক (ক'লা)

কোন ?
কোন তুমি কবি
আহিলা কিয় মৰুৰ মাজত
এটি কবিতা ৰচিবলৈ ?
মায়াৰ পৃথিৱী এই
মায়াৰে আৱৰা,
মাটিৰ দেহা এই
মাটিৰে গঢ়া
চিৰ দিন নাথাকে বৈ
তুমি আহিলা কিয়
মৰুৰ মাজত
এটি কবিতা ৰচিবলৈ ?
জীৱন নহয় এটি মৰীচিকা
মায়া মাথোন এটি বিভীষিকা
মৰুৰ মাজত মিলি যায়
এটি ধুলি-কণা হৈ
তুমি আহিলা কিয়
মৰুৰ মাজত
এটি কবিতা ৰচিবলৈ ?
তুমিয়েই ৰচা
তুমিয়েই গোৱা
জীৱন আকাশ পোহৰাবলৈ
আহিবা কবি
সদায়ে তুমি
মিঠা মিঠা লগা কবিতা হৈ ॥

—o—

# "স্মৃতি"

এমঃ নুৰফৰাজ আলী
স্নাতক দ্বিতীয় বৰ্ষ


শৰতৰ কোনো এক নিৰৱ নিশাত
চাই মাথো নীলিমালে অকলে অকলে,
কি পালো। কি হেৰুৱালো এই জীৱন'ত
ভাৱিছিলোঁ তাকেই হেৰা বহি নিৰলে॥

ছাঁয়া যেন দেখি মই চালো মুৰ তুলি
থৰ লাগি ৰ'লা তুমি মোৰ ওচৰত,
ভাৱিলো মনে মই আহিলনো কি বুলি
সপোন সদৃশ এই নিজান পৰত ॥

মলিন বদন আৰু সজল নয়ন
কিবা দুখে তুমি হেৰা আহিলা সোনাই
আৱেগতে দিলো এটি চেনেহৰ চুম্বন
দিবলে শান্তনা একো বিচাৰি নাপাই॥

আজিও জিলিকে ঘনে স্মৃতি ফলকত
মন মোৰ কঁপি উঠে সেই হৰষত ॥

—o—



"Poetry is something divine. A man cannot say, 'I will compose poetry'. The greatest poet even cannot say it; for the mind in creation is as a fading coal, which some invisible influence like an inconstant wind, awakens to transitory brightness."

—P. B. Shelley

## আশাৰ সপোন

শ্ৰীগৌতম মালাকৰ
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

আশাৰ সপোন ৰচিলো এদিন বতৰ আছিল বেয়া,
সপোন, সপোন নালাগে দেখোন তুমি হোৱা মোৰ প্ৰিয়া।
সাজি কাছি আহিলা তুমি, দিলা মৰমৰ মাত,
তোমাৰ মৰমত ভোলগৈ মই খাবলৈ এৰিলো ভাত।
চিনিব নোৱাৰো তোমাৰো মহিমা নোৱাৰা চিনিব মোক,
হঠাতে আহিল মৰমৰ মাত প্ৰিয়া বুলি মাতিলো তোক।
সজাম আমি দুয়োৰো মাজত এখন মায়াৰ সাঁকো,
তোৰে মোৰে গোপন কথাবোৰ নজনাবা যে কাকো।
মৰমেৰে তুমি ওচৰলৈ আহা কৰো আমি আলিঙ্গন,
নোৱাৰে চিণ্ডিব কোনেও আমাৰ মৰমৰ সম্বোধন।
সংসাৰৰ মহিমা নাপাও বুজি যেতিয়া তোমাক পাওঁ,
তোমাক পাবলৈ বাটলৈ গৈ মই জুমি জুমি চাওঁ।
বিষাদৰ সুৰ যেতিয়া মোৰ মনত থাকিব ভাহি,
মৰমেৰে তুমি হাত বুলাবা মোৰ ওচৰলৈ আহি।
মৰমৰ পখীটি নামাবা উৰি বহু দূৰ দেশলৈ,
সদায় থাকিবা তুমি মোৰ লগত জীৱনৰ শেষলৈ।
সাজিলো আমি আশাৰ সপোন সজালো মায়াৰ সাঁকো,
তোলৈ থকা মৰমৰ চিন নেদেখুৱাও আৰু কাকো।
কিছুদিন তুমি আৰু মই মিলিম একেচা হৈ,
মায়াৰ জৰি গঢ়ি উঠিব শিলৰ নিচিনা হৈ।
আশাজীবী মই আছিলো এদিন তোমাক হঠাতে পালো,
ভোমোৰাৰদৰে ফুলৰ পাহিলৈ মন মোৰ উৰুৱালো।
এনেদৰে আমি থাকিম সদায় দুয়ো দুয়োৰে কাষত,
মৰমৰ চিন নোহোৱা হব দুয়োৰো মৃত্যুৰ পিছত।
মহৎ কামেৰে পৰিচয় দিম আমি সকলোৰে মাজত,
যুগমীয়া হৈ থাকিব স্মৃতি বুৰঞ্জীৰ শেষ পাতত।

—০—



## কাৰবালাৰ অশ্ৰু

শ্ৰীমীৰা দাস
উচ্চতৰ মাধ্যমিক, ২য় বাৰ্ষিক

কান্দিছিলা তুমি কাৰবালা
তাথনি খনত,
উচুপি উঠিছিল সেই ;
ইউফ্ৰেটিচ নৈখন।
সত্য ধৰ্ম, ন্যায় আৰু অন্যায়ৰ বিৰুদ্ধে
যুজি অসীম ক্ৰদ্ধে,
যদিও বৈছিল ধীৰে ইউফ্ৰেটিছে
ছাইছিল ৰণ বেজাৰ মনে।
উত্তপ্ত বালিৰ মৰুভূমিৰ মাজত
নিৰ্বিশেষ ধ্বংস হৈছিল,
ভোক পিয়াহত অধিৰ হৈ
বিপন্ন কৰিছিল নিজৰ জীৱন।
ধন্য হলা শ্বহীদ তুমি
ত্যাগৰ বলত,
ক'ত প্ৰতিঘাটৰ চৰণ চুমি
যুজি যুজি জীৱন যুজত।
ৰাখি গ'লা জগতৰ বুৰঞ্জীৰ পাতত
যশ—মান, কীৰ্ত্তি সাহসৰ,
দি গ'লা মানৱক অমৰত্ব দান
জননীৰ গালা জয়গান।
কান্দা তুমি কাৰবালা
দুধাৰি অশ্ৰু বোৱাই
আকৌ আহবান কৰি আনা
দুষ্টক দমন কৰিবলৈ ;
অত্যাচাৰীৰ শাসনৰ পৰা মুক্তি দিবলৈ,
পৃথিৱীত শান্তি চটিয়াবলৈ।

—০—

## কবিতা : প্ৰেমৰ : বৰ্ত্তমানৰ

আবুল হুছেইন,
স্নাতক, দ্বিতীয় বৰ্ষ

সখিয়া।
"ইয়াত এটা ষ্ট্ৰীট লাইট লাগিছিল"
"নাই, নালাগে দিয়া। পোহৰতকৈ আন্ধাৰ
বহুত ভাল। তুমি মোৰ পৰা অইন
কাৰোবাৰ ওচৰলৈ গুচি যাব পাৰিবা—
আহিছা ? বহাচোন,
কাপোৰ-কানি বোৰ ঠিক কৰি লোৱা—
মই একো দেখা নাই।
এনেকুৱাই আমাৰ প্ৰেম"।
নৈৰ পাৰ....।
"ইউৰেকা" "ইউৰেকা"—বিখ্যাত
চিক্ৰৰটো তোমাৰ মন সাগৰত
ডুব মাৰি মই কৰ নোৱাৰিম।
আন্ধাৰত হাহিছা ? বৰ ভাল লাগে জানা ;
অন্ততঃ কপটতা আৰু প্ৰৱঞ্চনাৰ সেই
কুৎসিৎ মুখখন মই দেখা নাই
ধন্যবাদ ভগৱান।
যোৱা বেলি তুমি সী দিয়া কামিজটো
তাৰো পিছফালটো ফটা
এয়াই আমাৰ প্ৰেম।

—০—

# জীৱন ধূপৰ ছাই

চৈয়দা জাহানাৰা বেগম
স্নাতক, ২য় বাৰ্ষিক

খিৰিকীখনত হাতখৈ বাহিৰৰ পিনে চাই আছিলোঁ। দীঘলকৈ ৰিঙি মাৰি ৰেলখন দ্ৰুতগতিত গৈ আছে। নিৰ্দ্দিষ্ট লক্ষ্য স্থান পাবলৈ হয়তো আৰু বহু সময় বাকী। এটা মূহুৰ্ত নীৰৱতাৰ পাচত মই উচপ খাই উঠিলোঁ। এটি যেন চিনাকি চিঞৰ। "মোক নামাৰিবা মা, মই আৰু এনে ভুল নকৰো মা"। এনেদৰে চিঞৰা মই শুনিবলৈ পালো আৰু সেই চিঞৰক অনুসৰণ কৰি মই আগ বাঢ়ি গলো। মই গৈ দেখিলো মাকে দা এখন হাতত লৈ ৰিজুক যপিয়াবলৈ আগবাঢ়ি গৈছে। ভয়তে তাই এনেকৈ চিঞৰি উঠিছে। এই দৃশ্য দেখি মই বৰ আচৰিত হৈছিলো। কিছুসময় পাচত মাকৰ পৰা জানিব পাৰিলো যে ৰিজুৰ পঢ়া কোঠালিৰ আলমীৰাত মাকে কিবা কিবি বহুত পাইছে। তাই হেনো কাৰোবাৰ লগত মৰম দিয়া-নিয়া কৰিছে আৰু প্ৰতিশ্ৰুতিত যেন তাই আৱদ্ধ।

এই সকলো বোৰ মই আগতেই জানিছিলো। কাৰণ ৰিজু সৰু কালৰে পৰাই মোৰ বান্ধৱী। মোৰ লগতে ঘুৰা-ফুৰা কৰি তাই যৌৱনত ভৰি দিছে। তাই সৰু কালতে মাকৰ মৰমৰ পৰা বঞ্চিত হৈছিল। মাহী মাকৰ মৰমে তাইক সান্তনা দিব পৰা নাছিল। সেয়েহে তাই মৰম বিচাৰি গৈছিল অজয়ৰ ওচৰলৈ। প্ৰতিটো খোজতে যদিও তাই পিছলৈ ঘূৰি চাইছিল তথাপি তাই এখোজ দুখোজকৈ বহুখিনি আগ বাঢ়ি গৈছিল। এই সকলোবোৰ মাকে গম পাই তাইৰ ওপৰত নানা অত্যাচাৰ কৰিছিল। আনকি তাইক কলেজলৈ যোৱাটোও বন্ধ কৰিছিল। কোনোবাদিনা যদি অজয়ক মতা বুলি গম পাইছিল সেইদিনা তাইৰ ৰক্ষা নাছিল। এনেকৈ তাই অজয়ৰ কাৰণে নানা কষ্ট ভোগ কৰিব লগীয়া হৈছিল। তাৰোপৰি অজয়ৰ বন্ধু বান্ধৱক মতাও তাই ত্যাগ কৰিব লগা হৈছিল। মুঠতে অজয়ৰ কাৰণে তাই বহুদিন অনাহাৰে আৰু বহু উজাগৰী নিশা কটাব লগীয়া হৈছিল। মাহীমাকৰ অত্যাচাৰত তাইৰ ৰঙীন সপোন বোৰ চূৰ্ণ বিচূৰ্ণ হ'ব খুজিছিল। কিন্তু দুখ বেদনাৰে জৰ্জৰিত ৰিজুই অজয়ৰ মৰমক পাহৰিব পৰা নাছিল। অজয়ৰ কাৰণে তাই সকলো অত্যাচাৰ নতশিৰে গ্ৰহণ কৰিছিল। ইমান অত্যাচাৰৰ পিছতো তাই মাহী মাকক দোষা ৰোপ কৰিব নিবিচাৰিছিল।

'পাহাৰী নিজৰাই তললৈ বৈ আহোঁতে যিমানে শিলত ঠেকা খায় সিমানে তাৰ গতি তীব্ৰ হয়"। ঠিক তেনেকৈ অজয় আৰু ৰিজুৰ ভাল পোৱাও বেছি গভীৰহে হৈছিল। ভা[...] পোৱাৰ এনাজৰিৰে সিহঁতৰ অন্তৰৰ বান্ধোন অধিক কট্‌কটীয়া হৈছিল। কেৱল নিয়তিৰ নিষ্ঠুৰ পৰিহাস বুলি ধৰিলৈ চকু পানীকে জীৱনৰ লগৰী হিচাবে লৈ শেষ মূহুৰ্তলৈ বাট চাই আছিল। কাৰণ অজয়ৰ হিয়া মন যদিও ৰিজুৰ মৰমেৰে ভৰি আছিল তথাপি তাৰ হাত দুখন আছিল সুদা। সুদা হাতেৰে ৰিজুক লৈ...

"দিনবোৰ পাৰহৈ গৈ মাহৰ বুকুত আশ্ৰয় লয় আৰু শেষত বছৰে বাগৰ সলায়"। ৰিজুৰ বৈ থকা দিনটো এদিন আহি পৰিল। অজয়ে ওচৰৰে এখন উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক পদত নিযুক্তি পালে। ৰিজুক এই অত্যাচাৰৰ পৰা মুক্ত কৰিবলৈ ওচৰ চাপি আহিল। মৰমী ৰিজুই মাক দেউতাকক এবাৰ জনাবলৈ কলে। মৰমৰ ৰিজুক উপেক্ষা কৰিব নোৱাৰি অজয় মাক দেউতাকৰ ওচৰ চাপিল। ৰিজুৰ মাক দেউতাকেও অজয়ৰ কথাত সন্মতি দি কোনো এটা শুভদিনত ৰিজুক অৰ্পন কৰিলে অজয়ৰ হাতত।

ৰিজু যদিও অজয়ৰ মৰমৰ আছিল, তথাপি তাইৰ অন্তৰ সদায় হা-হুমুনিয়াহেৰে পৰিপূৰ্ণ আছিল। তাইৰ অন্তৰখন কেতিয়াবা কলা ডাৱৰে ঢাকি ৰাখিছিল। ফুলশয্যাৰ নিশা যেতিয়া অজয় বিচনাত শুইছিল তেতিয়া তাই ওচৰৰে এখন চকীত মূৰ গুজি বহি আছিল। সেই দিনা অতীতৰ বহুত কথাই তাইৰ চকুৰ আগত ভুমুকি মাৰিছিল। অকালতে এৰি থৈ যোৱা মাকৰ ছবিখন তাইৰ চকুৰ আগত ভাহি উঠিছিল। অজয়ে বহুত বাৰ মাতিও বিমুখ হৈছিল। শেষত অজয়ে উঠি আহি ৰিজুক হাতত ধৰি সুধিছিল। কিন্তু তাই একো কব পৰা নাছিল। মাত্ৰ হুক হুকাই কান্দিছিল। বহুত সময় কন্দাৰ পিচত তাই থোকা-থুকি মাতেৰে কৈছিল, "যাৰ কাৰণে মই ইমান অত্যাচাৰ সহ্য কৰিছিলো, যাৰ কাৰণে মই উজাগৰে, অনাহাৰে দিন কটাইছিলো, যাক মাতিলে মই অবাঞ্চিত দুখ ভোগ কৰিব লাগিছিল, সেই জন আজি মোৰ আৰাধ্য স্বামী, মা-দেউতাই আজি মোক নিজে সেইজনৰ ওচৰলৈ আগবঢ়াই দিছে। সেয়ে আজি মই সুখত বলিয়া হৈ কান্দিছো। সুখত বলিয়া........। ৰিজুৰ কথা শুনি অজয়ৰ চকুৰে দুধাৰি চকুলো বৈ আহিছিল। আৰু ৰিজুক কৈছিল, "তুমি নাকান্দিবা ৰিজু, তুমি আৰু নাকান্দিবা আমি আজি ঘাট-প্ৰতি ঘাটৰ মাজেৰে জীৱন সাগৰৰ চাকনৈয়া পাৰ হৈ আহিছোঁ। আমাৰ মাজলৈ আৰু কাল ধুমুহা নাহে"।

এনেদৰে সিহতৰ যুগ্ম জীৱন আৰম্ভ হল। কিন্তু নিষ্ঠুৰ নিয়তিয়ে মনে খন্দা পুখুৰীত সিহতক বেছিদিন পানী খাবলৈ নিদিলে"। তিনিটি নিশা অতিক্ৰম কৰাৰ পাচত সিহঁতৰ মাজলৈ কাল ৰাত্ৰি আহি পৰিল। সেই দিনা গধূলি ৰিজুই ভাত পানী যোগাৰ কৰি অজয়ক খাবলৈ মাতিলে। কিন্তু অজয়ে গা বেয়া বুলি কৈ ভাত নেখাও বুলি কলে। সেই গতিকে ৰিজুৰো খাবলৈ ভাল নেলাগিল। তাই আহি দেখিলে অজয়ৰ গাত জ্বৰ। ৰিজুৱে অজয়ক নানা ধৰণে শুশ্ৰূষা কৰি ওচৰতে বহি থাকিল। ৰাতি ক্ৰমে গভীৰ হৈ আহিব ধৰিলে ইফালে অজয়ৰ জ্বৰ অতি ভয়ানক হৈ আহিল। উপায় নাপাই অকলশৰীয়া মাক আৰু ৰিজুৱে ডাক্তৰ আনিবলৈ পঠিয়ালে। বিচনাত ধৰফৰাই অজয়ে ৰিজুক ভঙা ভঙা মাতেৰে কবলৈ ধৰিলে ৰিজু তু....মি সদায় মা....ৰ....ল....গ....ত....থা....কি ....বা। এনেদৰে কৈ অজয়ে চিৰ দিনৰ কাৰণে চকু মুদিলে। ডাক্তৰে আহি অজয়ক নেপালে। মাত্ৰ পালে এটি কান্দোনৰ ৰোল। সুগন্ধি ধূপৰ জীৱন খন্তেকীয়া। অলপ সময়ৰ কাৰণে সুগন্ধি বিলাই মানুহৰ মাজত। পুৰি পুৰি শেষ হৈ যোৱাৰ পাছত ছাইখিনিৰ কোনো মূল্য নাথাকে। সুগন্ধ বিলাই শেষ হৈ যোৱাৰ পাচত ৰিজু হৈ পৰিল সেই ধূপৰ ছাই।

# জন্মভূমি

পীৰ, এম, ইব্ৰাহিম বাবা
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

মৰা কুলসী নদীৰ পাৰে পাৰে ৰেখাই যাত্ৰা কৰিছে স্কুল অভিমুখে। অন্তৰত তাইৰ সহস্ৰ বেদনা। বেদনা ভৰা হিয়াখনেৰে ৰেখাই চাইছে মৰা কুলসীৰ বুকুত চিক্‌মিকাই কিবা কিবি কৈ থকা বলুকাৰাশিলৈ। কুলসী নদীৰ এই অংশটো আছিল একালত অসমৰ গৌৰৱী নদীবোৰৰ ভিতৰৰ অন্যতম। ইয়াৰ বুকুৱেদি পাল তৰি, ভাটীয়ালী সুৰত গান গাই যোৱা নাৱৰীয়াৰ নাওঁবোৰ। এদিন অহংকাৰী কুলসীয়ে নিদাৰুণ ভাৱে গ্ৰাস কৰিছিল। কিন্তু আজি! মানুহে কুলসীৰ এই কাৰ্য্যৰ প্ৰতিদান স্বৰূপে অলংকৃত কৰিছে মৰা কুলসী নামেৰে। চত মহীয়া ৰদত কুলসীৰ প্ৰত্যেকটো বালিয়ে যেন বিলাপ কৰি মানুহক কয় "হেৰা জগতৰ ভাই ভনী সকল, অহঙ্কাৰেই পতনৰ মূল"।

ৰেখাই এখোজ দুখোজ কৰি আগবাঢ়ি গৈ পালে এজোপা কৃষ্ণচূড়া গছ। মৃদু মলয়াই যদিও তাইৰ শৰীৰটো শীতল কৰি দিছিল, তথাপিও গছডালে অতীতক সোঁৱৰাই দিয়াত তাইৰ অন্তৰৰ বেদনা আৰু বাঢ়িল। তাইৰ অতীতৰ বুৰঞ্জীৰ মূল্যবান সম্বল এই কৃষ্ণচূড়া গছডালে নীৰৱে ঘোষণা কৰিছে। ওৱাৰনিং বেলৰ শব্দ শুনি তাই অনিচ্ছা স্বত্বেও স্কুললৈ খোজ ললে।

পদ্মা নদীৰ পাৰত হামিদে চাই থাকে একে থিৰে নদীৰ পিনে। কিছু সময়ৰ পিছত হামিদে পদ্মাৰ পানীক প্ৰণাম কৰি পাৰলৈ উঠি আহিল। এই পানী হামিদৰ মাতৃভূমি অসমৰ বুকুৰ পৰা বৈ আহিছে। সেয়েহে মাতৃভূমিৰ পৱিত্ৰ উপাদানক প্ৰণাম কৰি উঠি ওচৰলৈ চকু দিলে। অসমৰ পৰ্ব্বতমালাই তেওঁৰ চকুত জিলিকি উঠিল। অজস্ৰ চৰাইয়ে সেই পৰ্ব্বতমালাৰ পিনে উৰি যায় আৰু হামিদে তৃপ্তিপূৰ্ণ নয়নেৰে চাই থাকে চৰাইবোৰলৈ। মনে মনে সি কল্পনা কৰে, তেওঁৰা যদি, চৰাইৰ দৰে পাখি থাকিল-হেঁতেন তেন্তে, তেওঁ উৰি মাতৃভূমিৰ বুকুলৈ উৰি যাব পাৰিলেহেঁতেন।

চিন্তাত হামিদ এখোজ দুখোজ কৰি ঘুৰি আহিল তেওঁৰ মাতৃদেৱীয়ে তেওঁৰ বাবে ব্যাকুল হৈ বৈ থকা কুটিৰলৈ। তেতিয়া ৰাতি বাৰটা-মান। হামিদে নিদ্ৰা দেৱীৰ কোলাত বিশ্ৰাম লৈ আছিল! হঠাৎ "মা" বুলি চিঞৰি উঠিলা। মাকে সাৰ পাই হামিদৰ ওচৰলৈ দৌৰি আহিল। হামিদে কৰুণ সুৰত মাকক কব ধৰিলে "মা" মোক বিদায় দিয়ক, মই মোৰ মাতৃভূমিৰ পৰা আতঁৰি আৰু নাথাকো। মই মানৱ জাতিৰ ভেদা-ভেদৰ শিপা উভালিম। মই আজিয়েই যাম অসমলৈ। মই অসমৰ ন্যায্য নাগৰিক। কোনে মোৰ নাগৰিকত্ব হানি কৰিব? মই আজি-য়েই গৈ মোৰ নাগৰিকত্ব দাবী কৰিম। মই অসমৰ নাগৰিক। মই কিয় পাকিস্থানত থাকিম? নাগৰিকত্ব লোৱাৰ পিছত মই তোমাক লৈ যাম অসমলৈ। 'মা' মোক এতিয়া যাবলৈ দিয়া মাঁ" এই বুলি উগ্ৰ হৈ ওলাই আহিল। মাকৰ শত শত বাধা নেওচি হামিদে অসমলৈ যাত্ৰা কৰিলে।

এতিয়া হামিদে অসম পাইছে। কুলসীৰ পাৰত থকা তেওঁৰ জন্মভূমি অতি আদৰৰ গাওঁখন পাই স্বৰ্গত থকা যেন অনুমান কৰিলে। ইয়াৰ প্ৰত্যেক বস্তুয়েই হামিদৰ বাবে আপোন। এসময়ত কুলসীৰ পাৰত থকা কৃষ্ণ চূড়া জোপাৰ তলতে তেওঁ ক্ষন্তেক বিশ্ৰাম ললে। গাওঁৰ মানুহে তেওঁৰ ওচৰেদি গুচি যায়, কিন্তু তেওঁক চিনি নেপায়। তেওঁ ডাঙৰ হৈছে। তেওঁৰ গাৰ গঠন সম্পূৰ্ণ আগৰ অৱস্থাত নাই। সেয়েহে তেওঁক হঠাৎ চিনি পোৱা নাই। গছ জোপাৰ তলত বহি বহি তেওঁ ভাৱিছে বহুতো কথা। কৃষ্ণচূড়াই তেওঁৰ মনত পেলাই দিছে অতীতৰ ইতিহাস। ৰ'দৰ তীব্ৰ আঘাতত মৰা কুলসীৰ বালিবোৰে হামিদক দিছে অসংখ্য উপদেশ। যেতিয়া ভাটিবেলা তিনি বাজিল, তেতিয়া বিদ্যালয়ৰ ছুটীৰ ঘণ্টা বাজিল লগে লগে বিদ্যাল-য়ৰ পৰা ওলাই আহিল অসংখ্য যুৱক-যুৱতী। আজি ৰেখাৰ মন শ্ৰেনীত বহা নাই, হয়তো স্বপ্নদেৱীয়ে নিশা নিদ্ৰা দেৱীৰ লগত লাগি তাইৰ লগত কিবা কিবি আলোচনা কৰিছে। ঘণ্টা বজাৰ লগে লগে ৰেখাই মৰা কুলসীৰ পাৰেদি আগুৱাই আহি আছে। কিন্তু! কিন্তু! এইয়া কি! সুদীৰ্ঘ ছয় বছৰৰ পিছত কৃষ্ণচূড়া গছৰ তলত হামিদ।

হামিদৰ দেউতাক মৰা কুলসীৰ পাৰত থকা কুলসীৰ পাৰত মকা এখন সৰু গাওঁৰ এজন ধনী সদাগৰ আছিল। ৰেখাৰ দেউতাকো ওঁচৰৰ গাওঁৰ হামিদৰ দেউতাকৰ অনুৰূপ লোক আছিল। দুয়োজন সদাগৰেই ব্যাৱসায় বানি-জ্যকে আদি কৰি সকলো কামতে সহায় সহযো-গিতাৰে চলিছিল। হামিদৰ তিনিবছৰ পিছত ৰেখাৰ জন্ম হয়। ৰেখাৰ দেউতাকে তেওঁৰ নলে-গলে লগাবন্ধু হামিদৰ দেউতাকৰ লগত দুয়ো উভয়ে পৱিত্ৰ কোৰাণ আৰু মহাভাৰত চুই প্ৰতিজ্ঞা কৰিছিল "ৰেখাক হামিদৰ লগত বিয়া দিম।" কিন্তু! দিন মানুহৰ সমানে নাযায়। হামিদৰ দেউতাক নাৱৰে ধুবুৰীৰ পৰা বনিজ কৰি উজাই অহাৰ সময়ৰ লুইতৰ বুকুত নাৱেৰে সৈতে হামিদৰ দেউতাক হেৰাই যায়। হামিদৰ দেউতাকৰ মৰাশ ভটিয়াই যায় সুন্দৰ দ্বীপলৈ জীৱাশ্ম হিচাপে, আশ্ৰয় বিচাৰি। ইফালে পিতৃহীন হামিদে বিধৱা মাতৃৰে সৈতে দু নয়নত অন্ধকাৰ দেখিবলৈ ধৰিলে। ৰেখাৰ দেউতাক প্ৰৱণ হাজৰিকাই এইবাৰ ওলোটা শৰ মাৰিলে। তেওঁ হামিদৰ দেউতাকৰ ওচৰত সাত হেজাৰ টকা পায় বুলি দাবী কৰিলে আৰু গাওঁৰ মুখীয়াললোক দুই এজনক টকাৰে হাত কৰি হামিদৰ পৰা সাত হেজাৰ টকা আদায় কৰি লয়। ইয়াৰ উপৰিও প্ৰৱণ হাজৰিকাই পুলিচ অফিচাৰ সকলক টকাৰে হাত কৰি হামিদ আৰু তেওঁৰ মাকক পাকিস্থানী লোক বুলি ধৰাই দিয়ে। বিধিৰ কি নিষ্ঠুৰ বিধান যে যি হামিদৰ দেউতাক কুৰি শতিকাৰ প্ৰথম দশকত অসমলৈ আহে আৰু অসমীয়া কৃষ্টি সভ্যতা নিজা বুলি গ্ৰহণ কৰে। আজি তেওঁৰেই একমাত্ৰ নাতিয়েক হামিদ অসমৰ নাগৰিক নহয়। তেওঁৰ দেউতাকৰ নামত পট্টা আৰু ভোটাৰ লিষ্টিত নাম থকা স্বত্বেও পুলিচে হামিদ আৰু তেওঁৰ মাকক দাউকী বৰ্ডাৰ পাৰ কাৰি পাকিস্থানলৈ (বৰ্ত্তমান বাংলাদেশ) পঠাই দিলে হামিদে আকাশ-পাতাল ভাৱি থকা অৱস্থাতেই হঠাৎ ৰেখাৰ লগত দেখা হল। দুয়োৰে চকুত চকুলো, কাকো একোকৱ নোৱাৰিলো বহু সময়ৰ মূৰত সিহঁতৰ মাজত অলপ কথা-বতৰা হল। তাৰ পিছত ৰেখাই হামিদক অনিচ্ছা স্বত্বেও এৰি ঘৰলৈ গুচি গল। তাইৰ মনত হামিদক বহুদিনৰ মূৰত লগপাই জাগি উঠিল অগনন কল্পনা। তাই সপোন ৰাজ্যত মালা গাঁথিবলৈ ধৰিলে। তাই হামিদক পুলিচ আৰু তাইৰ দেউতাকৰ কবলৰ পৰা ৰক্ষা কৰিবলৈ সকলো পৰামৰ্শ দি আছিল। সময় বহি নাথাকে। নিশা দেৱী ক্ৰমাৎ আগুৱাই আহি আছে। অসংখ্য পশু পক্ষীয়ে নিজ নিজ বাসস্থানলৈ

সমদলে আহি আছে। কিন্তু! হামিদ নিজৰ ঘৰলৈ গ'ল আৰু হামিদক খালাচ কৰিবলৈ মোমায়েকক সবিনয়ে অনুৰোধ জনালে আৰু চেনেহৰ গাওঁতে আজি আলহী হল। লগে লগে লগতে হামিদৰ পিতাকৰ নামত থকা সকলো সন্ধ্যা দেৱীয়ে ওৰণী টানিল'লে আৰু নিশা দেৱীয়ে পট্টা পত্ৰবোৰ জমা দিলে। কোৰ্টত হামিদৰ পৃথিৱীক কোলাত তুলি ললে। "কথা বুলিলেই সপক্ষে আপিল চলিল। হামিদ যে এই দেশৰ বতাহ" প্ৰৱণ হাজৰিকাই হামিদৰ আগমনৰ নাগৰিক তাৰ প্ৰমানপত্ৰবোৰ কোৰ্টত জমা খবৰ পালে। তেওঁ পুলিচক খবৰ দি হামিদক দিয়া হল। বিচাৰকে সেইবোৰ পৰীক্ষাকৰি আৱদ্ধ কৰাৰ কথাটো নেপাহৰিলে। সকলো দেখিলে যে হামিদৰ পুৰ্ব্ব পুৰুষ সকালো প্ৰায় জীৱই নিদ্ৰাদেৱীৰ কোলত অচেতন। কিন্তু! ৮০/৯০ বছৰৰ আগতে পূৰ্ব্বঙ্গ পৰা আহি আমাৰ ৰেখাই জানো নিদ্ৰা দেৱীৰ কোলাত আশ্ৰয় লব অসম ভূমিক মাতৃভূমি হিচাপে গ্ৰহণ কৰি পাৰিছে? তাই গাৰুত মূৰটো গুজিলৈ কল্পনা ইয়াত নিগাজীকৈ বাস কৰি আছিল আৰু হামিদৰ দেৱী আৰু চিন্তা দেৱীৰ আৰাধনা কৰিছে। দেউতাকে স্বাধীনতা আন্দোলনত বহুখিনি

উপায়হীন ভাৱে হামিদ আকৌ পুলিচৰ অৰিহনা যোগাইছিল। বিচাৰত হামিদে খালাচ হাতত ধৰা পৰিল। হামিদক হাজোতলৈ চালান পালে আৰু তেওঁৰ সকলো পৈতৃক সম্পত্তিও কৰি দিয়া হ'ল। ৰেখাৰ এইবাৰ ধৈৰ্য্যৰ সীমা ঘূৰাই পালে। শেষত উপায়হীন হৈ ৰেখাৰ ৰেখা পাৰ হৈ গ'ল। যি হামিদৰ ওচৰত বিয়া দেউতাকে জীয়েকক হামিদৰ হাতত অৰ্পন দিব বুলি তাইৰ দেউতাকে পবিত্ৰ মহাভাৰত কৰিলে আৰু হামিদেও তাইক জীৱন সঙ্গীনী ৰূপে ছুই প্ৰতিজ্ঞা কৰিছিল আৰু যাৰ ওচৰত নিজকে আকোৱালি ললে। হামিদে বিধৱা মাক আৰু উৎসৰ্গ কৰিছিল, সেই হামিদ বাৰে বাৰে ৰেখাৰ সৈতে আকৌ গঢ়িব খুজিলে সুখৰ সংসাৰ। লাঞ্ছিত হোৱাটো তাই কোনো মতে সহ্য কৰিব নোৱাৰিলে। তাই মনে মনে হামিদৰ মোমায়েকৰ

* * *

"আমি চৰাইৰ দৰে উৰিবলৈ শিকিছোঁ। মাছৰ দৰে সাঁতুৰিবলৈ শিকিছোঁ। কিন্তু একেখন পৃথিৱীত মিলা প্ৰীতিৰে বাস কৰিবলৈ শিকা নাই।"—মাৰ্টিন লুথাৰ কিং



## বিভাগীয় অধ্যাপক অধ্যাপিকাসকলৰ লগত ছাত্ৰ সভাৰ সদস্যসকল ১৯৮৮-৮৯



বাঁওফালৰ পৰা (বহি) - অধ্যাপিকা বীণাপাণি তালুকদাৰ, অধ্যাপিকা গীতা ডেকা, অধ্যাপিকা বিভা গোস্বামী, অধ্যক্ষ দয়ানন্দ পাঠক, অধ্যাপক সুবোধ চন্দ্ৰ চৌধুৰী।

বাঁওফালৰ পৰা (থিয় হৈ) — মঃ মুছলিমুদ্দিন আহমেদ (উপ সভাপতি, ছাত্ৰ একতা সভা), অধ্যাপিকা অঞ্জনা শৰ্মা, অধ্যাপিকা পাৰুল দাস, অধ্যাপক আলি আকবৰ হুচেইন, অধ্যাপক দীনেশ চন্দ্ৰ লহকৰ, গৌতম শইকীয়া (সাঃ সম্পাদক, ছাত্ৰ একতা সভা)।

# —নতুন আশা—

এম, ৰমজান আলী
স্নাতক, ২য় বাৰ্ষিক

এটি উজ্বল পূর্ণিমা নিশা। চাৰিওফালে নিশাৰ নিৰব্রতা বিৰাজমান। সুনীল আকাশত জোনটোৱে তাৰ উজ্বল পোহৰখিনি চাৰিওফালে বিলাই দিছিল। তেতিয়া প্রায় এক মান বাজি-ছিল। কতো কাৰো সাৰসুৰ নাই। স্থিৰ প্রকৃতিৰ বুকুত সকলো মানুহ টোপনিত নিতাল মাৰিছে। ওচৰৰ হাবিখনৰ পৰা ভাঁহি অহা শিয়ালৰ বিকট চিঞৰ আৰু ফেচাৰ নিউ নিউ শব্দত নিশাৰ ভয়াবহতা আৰু বৃদ্ধি পাইছে। কিন্তু তেতিয়াও সাৰে আছিল স্বপ্না। অশেষ চেষ্টা কৰিও স্বপ্নাই তাইৰ চকুত টোপনি আনিব পৰা নাছিল। তাইৰ মানস পটত ভাঁহি আহিছিল শিশু কালৰ ঘটনাবোৰ।

স্বপ্নাৰ জন্ম হৈছিল ছিপাঝাৰৰ এটি দুখীয়া পৰিয়ালত। তাই জীৱনৰ প্ৰথম অৱস্থাটো আছিল অতি দুখ লগা। জন্ম লোৱাৰ দুমাহ পিচতে দেউতাকৰ ট্ৰাক দুৰ্ঘটনাত মৃত্যু হয়। দেউতাকৰ মৃত্যুৰ পিছত মাক সৰস্বতীয়ে নানা দুখ কষ্টৰ মাজেৰে তাইক ডাঙৰ দীঘল কৰে। পেটৰ ভোকত কেচুৱা ছোৱালীজনীক লগত লৈ ওচৰৰ গাঁৱে গাঁৱে খুজি ফুৰিবলৈ ধৰিলে। এইদৰে নানা দুখ কষ্ট কৰি যি এমুঠি পাই সেইখিনিৰে দুই এদিন খায় আৰু কেতিয়াবা অনাহাৰে শুই থাকে।

সেই সময় ছোৱাত দৰং জিলাত বানী কান্ত কাকতি আছিল এজন ধনী সম্প্ৰদায়ৰ লোক। ওচৰৰ প্ৰায় সকলোবোৰ মানুহে তেখে-তক মৰমীয়াল আৰু নম্ৰতা গুণৰ কাৰণে শ্ৰদ্ধা ভক্তি কৰিছিল। দুখীয়া আৰু নিৰাশ্ৰয়কাৰী লোকক তেওঁ বৰ মৰম কৰিছিল। তেখেতৰ পৰিয়াল বুলিবলৈ আছিল একমাত্ৰ ল'ৰা বীৰেণ কাকতি আৰু ঘৈণীয়েক বিনীতা। তেখেতে গাওঁৰ দুখীয়া সকলক এসাজ খোৱাৰ কাৰণে টকা পইচা দি আহিছিল। গাঁওৰ কোনো মানুহে তেখেতক বেয়া পোৱা নাছিল। সেই কাৰণে তেওঁ সকলোৰে প্ৰিয় হৈ পৰিছিল।

বেচেৰী সৰস্বতীয়ে স্বপ্নাক লগত লৈ অনাই-বনাই খুজি মাগি দৰং জিলা পালেগৈ। তাত থাকিবলৈ কতো এডোখৰ নিৰ্দ্ধাৰিত ঠাই সিহতৰ ভাগ্যত মিলা নাছিল। সিহতে প্ৰায়েই কাৰোবাৰ বাৰান্দাত, কেতিয়াবা মুকলি ঘৰত আৰু কেতিয়াবা কেতিয়াবা গছৰ তলত নিশাটো কটাইছিল। এইদৰে নানা দুখ কষ্টৰ মাজেৰে দিন অতিবাহিত কৰি গৈ আছিল। এনেকৈ দিনৰ পিছত দিন, মাহৰ পিছত মাহ আৰু বছৰৰ পিছত বছৰ আদি বাগৰি যাবলৈ ধৰিলে। সিহতৰ দুখৰ সীমা নোহোৱা হ'ল।

এদিনাখন ৰাতি প্ৰায় ৯ মান বজাত এডোখৰ কলা মেঘে আকাশখন চাকি পেলালে আৰু কিছু সময়ৰ পাচত প্ৰৱল জোৰেৰে বতাহ বৰষুণ আহিল। সেই সময়ত ওচৰতে গাওঁ নথকা হেতু মাক—জীয়েক দুয়ো উপায়হীন হৈ এজোপা গছৰ তলত বহি পৰিল। কিছু সময় পিছতে বাণী কান্ত কাকতিয়ে মাৰুটি গাড়ী লৈ সেই পিনেদি ঘৰলৈ আহে। গাড়ীৰ লাইটৰ পোহৰত গছৰ তলত বৰষুণত তিতিবুৰি থকা মাক জীয়েকক দেখি তেওঁ গাড়ী ৰাখিলো। গাড়ীৰ পৰা নামি সিহঁতৰ ওচৰলৈ গৈ সিহঁতৰ পৰিচয়

সুধিলে। তেতিয়া সৰস্বতীয়ে সকলোবোৰ কথা তেওঁৰ আগত খুলি কলে। সিহঁতৰ দুখৰ কথা শুনি তেওঁৰ বৰ দুখ লাগিল। মাক জীয়েক দুয়োকো গাড়ীত তুলি তেওঁৰ নিজৰ ঘৰলৈ লৈ গ'ল। কাকতিহত গৈ ঘৰ পোৱাৰ কিছু আগতে বৰষুণ এৰিছিল। গাড়ী গৈ পদূলিৰ মুৰত হ'ৰ্ণ দিয়াৰ লগে লগে বীৰেণ ওলাই আহি দেখিলে যে দেউতাকৰ দুজনী আলহী আহিছে। মাক বিনীতায়ো দৃশ্যটো দেখি বৰ আচৰিত হ'ল। পিচত সিহঁতৰ সকলো কথা বুজি মাক পুতেক দুয়োৰো সিহঁতৰ প্ৰতি মৰম ভাব উপজিল। বিনীতাই বাকচৰ পৰা নতুন কাপোৰ উলিয়াই আনি দুয়োজনীকে পিন্ধিবলৈ দিলে। সিহঁতে কাপোৰ কানি সলাই ললে। সেই নিশাটো সিহঁতক আলহী হিচাবে খুৱাই বুৱাই তেওঁলোকৰ পৰা সকলো কথা সুধি ললে। তেতিয়া সৰস্বতীয়ে সকলো কথা ভাঙি পাতি কলে। বিণীতাই সৰস্বতীক কলে—তোমালোক কিছুদিন আমাৰ ঘৰতে থাকা। এই সৰু ছোৱালী জনীক লৈ দুখ কষ্ট কৰি ঘুৰি ফুৰিব নালাগে। আমাৰ পৰিয়াল সীমিত—লৰাটো আৰু আমি মাক বাপেক দুজনহে। ভগৱানৰ কৃপাত আমাৰ মাটি বাৰীও যথেষ্ট। ইয়াৰ উপৰিও আমাৰ এখন চাহ বাগিছা আছে। সেই বাগিছাত বহুতো চাকৰ বাকৰে কাম কৰি নিজৰ নিজৰ জীৱিকা উপাৰ্জন কৰি আছে। গতিকে তোমালোকে ইয়াত থকাত কোনো অসুবিধা নাপাবা। এইদৰে নানা আলোচনা বিলোচনা কৰি নিশাটো আটাইয়ে শুই পৰিল।

পিচদিনা ৰাতিপুৱা দোকমোকালিতে সৰস্বতী আৰু স্বপ্না দুয়ো বিচনাৰ পৰা উঠি ৰাতিপুৱাৰ সকলোবোৰ কাম শেষ কৰিলে। আটাইবোৰ কাম শেষ কৰি দুয়ো ঘৰৰ ভিতৰত সোমাই থাকিল। আন দিনাৰ সময়ত বীৰেণ টোপনিৰ পৰা উঠি বাহিৰ ওলাই চাৰিওপিনে চাফ—চিকুণতা দেখি তবধ মানিলে। কিন্তু তেতিয়াও মাক-দেউতাক বিচনাৰ পৰা উঠা নাই। চোতালত থিয় হৈ সি মনতে ভাবিলে যে নিশা অহা আলহী দুয়োজনীয়ে চাফ-চিকুণ কৰি তুলিছে। এইদৰে চিন্তা কৰি থাকোতে স্বপ্নাই বাহিৰ ওলাই আহি বীৰেণক কলে, দাদা আপুনি উঠা মই গমকে পোৱা নাই। মা দেউতা উঠিলে আপোনাক হাত মুখ ধুবলৈ পানী আনি দিম।

আলহী হিচাবে লৈ অহা এই ৫/৬ বছৰীয়া অচিনাকি ছোৱালীজনীৰ এনেকুৱা মৰম লগা মাত শুনি বীৰেণ বৰ আচৰিত হ'ল। ইয়াৰ কিছুসময় পিছত কাকতি আৰু কাকতিয়নীও বিচনাৰ পৰা উঠি আহি ঘৰৰ পৰা বাহিৰ ওলাই চাৰিওফালে চাফ্ চিকুণতা দেখি তবধ মানিলে। তেতিয়া কাকতিয়নীয়ে সৰস্সতীক কলে তোমালোকে এই বিলাক কাম কিয় কৰিছা ?

কাম বন কৰাৰ কাৰণে আমাৰ চাকৰণী আছে নহয়। তেতিয়া সৰস্বতীয়ে কলে আইদেউ, আশ্ৰয় দাতাৰ প্ৰতি আশ্ৰয়ৰ যি কৰ্ত্তব্য আমি সেইটোৱেই কৰিছো। ভুল হৈছে যদি ক্ষমা কৰিব। ইয়াৰ পিছত মাক-জীয়েকৰ প্ৰতি সিহঁতৰ অন্তৰত মৰম ভাব আগতকৈয়ো দুগুণে বৃদ্ধি পালে। এইদৰে কিছুদিন থকাৰ পিছত মাক জীয়েকৰ আচাৰ ব্যৱহাৰে সিহঁতৰ ঘৰৰ আটাইকে মোহিত কৰি তুলিলে। সিহঁতক কলৈকো যাব নিদি নিজৰ ঘৰতে আশ্ৰিতা হিচাবে ৰাখিলে।

বীৰেণ কাকতি সৰুৰে পৰা বৰ তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। প্ৰাইমাৰী বিদ্যালয়ত পঢ়াৰে পৰাই সি সকলোবোৰ পৰীক্ষাতে ভাল দৰে উত্তীৰ্ণ হৈছিল। শ্ৰেণীৰ ভিতৰত বীৰেণে প্ৰথম স্থান লাভ কৰিছিল। স্কুলত পঢ়া সময় ছোৱাত সি তাৰ দুখীয়া বন্ধুবোৰক পাৰ্য্যমানে সহায় কৰিছিল। সি শিক্ষকক শ্ৰদ্ধা ভক্তি কৰিছিল। সেয়েহে শিক্ষক সকলে তেওঁক বৰ মৰম কৰিছিল। স্বপ্নাহত সিহঁতৰ ঘৰত আশ্ৰিতা হিচাবে অহাৰ সময়ত বীৰেণ হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ। স্বপ্নাই সদায় বীৰেণৰ পঢ়াৰ ক্ষেত্ৰত আলপৈচান ধৰি সহায় কৰি দিছিল। প্ৰথম অৱস্থাৰে পৰা সিহঁতৰ মাজত ভাই-ভনী সম্বন্ধ গঢ়ি উঠিছিল। সিহঁতৰ মনৰ গতি আছিল পৱিত্ৰ।

ইয়াৰ কিছুদিন পিছত বীৰেণৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণা কৰিলে। মেট্ৰিকত প্ৰথম স্থান লাভ কৰি বীৰেণ কাকতিয়ে গুৱাহাটীৰ কটন কলেজত বিজ্ঞান বিভাগত নাম ভৰ্ত্তি কৰিলে। তাত তেওঁ দুবছৰ পঢ়ি সুদক্ষতাৰে পি ইউ পাছ কৰে। সৰুৰে পৰা তাৰ লক্ষ্য আছিল ডাক্তৰি বিদ্যা শিকি মানৱ সেৱাত ব্ৰতী হোৱাৰ। সেয়েহে তেওঁ পি ইউ পাছ কৰিয়েই গুৱাহাটী মেডিকেল কলেজত নাম ভৰ্ত্তি কৰে আৰু তাতে তেওঁ এম, বি-বি এছ পাছ কৰি বিলাতলৈ যায়। বিলাতত তেওঁ এফ আৰ চি এাউপাধি লাভ কৰি নিজ ঘৰলৈ উভতি আহে। ইয়াৰ কিছুদিন পিছেত দৰং জিলাত নিজা ব্যৱসায় চলায়। অতি কম দিনৰ ভিতৰতে তেওঁৰ যশস্যা চাৰিও পিনে বিয়পি পৰিল। তেওঁ অতি দয়ালু লোক আছিল। কোনো দুখীয়া লোকে তেওঁৰ ওচৰত ৰোগী নিলে বিনা-মূলীয়া চিকিৎসা কৰি দিয়ে। এইদৰে দুখীয়া গৰীবলোক সকলে বিনামূলীয়া চিকিৎসা কৰাৰ সুবিধা পালে।

সৰস্বতী আৰু স্বপ্নাৰ আচাৰ ব্যৱহাৰ আৰু কৰ্মদক্ষতাই ঘৰখনৰ আটাইকে আপোন কৰি তুলিলে। সেয়েহে তেওঁলোকে ঘৰখনৰ মৰম চিঙি কলৈকো যাব নোৱাৰে। প্ৰথম অৱস্থাৰে পৰা বীৰেণে স্বপ্নাক নিজৰ ভনীয়েকৰ দৰে মৰম কৰিছিল, আৰু বীৰেণৰ অনুৰোধ ক্ৰমে দেউতাকে স্বপ্নাক ওচৰৰ প্ৰাইমাৰী বিদ্যালয়ত নাম ভৰ্ত্তি কৰি দিয়ে। স্বপ্নাৰ সৰুৰে পৰা পঢ়াৰ কাৰণে বৰ ৰাপ আছিল। তাই ঘৰৰ আটাইবোৰ কাম নিয়াৰিকৈ কৰি আজৰি সময়ত পঢ়া শুনা কৰিছিল। এই সৎ গুণৰ কাৰণে তাই আশ্ৰয় দাতাৰ কৰিবলগীয়া আটাই খিনি কাম কৰিও অধ্যয়নত দোপত দোপে আগুৱাই যাব ধৰিলে। তাই কাম বনত যেনে পটু আছিল পঢ়া শুনাতো তেনে চোকা আছিল। বীৰেণ বিলাতৰ পৰা উভতি অহাৰ দুবছৰ পিছতে স্বপ্নাই প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে।

উপযুক্ত বয়স হোৱাত মাক-দেউতাকে এদিন নিশা বীৰেণক তেওঁলোকৰ ওচৰলৈ মাতি আনি কলে—বোপা ! আমি এতিয়া বুঢ়া হলোঁ। পিচে তোমাৰ বিবাহ পাতি দিয়াতো আমাৰ কৰ্ত্তব্য কাম শেষ কৰিব পাৰিলে আমি নথৈ সুখী হ'ব পাৰিলোহেঁতেন।

গুৱাহাটী মহানগৰীৰ সম্ভ্ৰান্ত লোক বিজয় কাকতিৰ এম এ পাচ কৰা ছোৱালীজনী তোমালৈ দিয়াৰ কাৰণে ইচ্ছা কৰে। তোমাৰ অনুমতি পালে আমি তেখেতক কথা দিব পাৰোঁ। ইফালে স্বপ্নাইও আহি আহি পুৰ্ণ যৌৱন অৱস্থা পালেহি। পাৰিলে তাইৰ কাৰণেও এজন উপযুক্ত দৰা বিচাৰিব লাগিব। এই আশ্ৰিত ছোৱালী জনীক যদি এজন উপযুক্ত দৰা চাই বিয়া দিব পাৰোঁ তেতিয়া আমাৰ পুণ্য হ'ব।

কিন্তু স্বপ্নাৰ সৎ গুণ আৰু সজ ব্যৱহাৰে বীৰেণৰ অন্তৰ কোনোবা দিনাই আকৃষ্ট কৰি পেলাইছিল। এই কথা কোনেও গম পোৱা নাছিল। বীৰেণে মাক-দেউতাকৰ এনেকুৱা কথা শুনি আৰু অন্তৰ গলি গল আৰু স্বপ্নাৰ প্ৰতি থকা ভাল পোৱাখিনিয়ে তাৰ অন্তৰ মৰ্মাহত কৰি পেলালে। একো উত্তৰ দিব নোৱাৰি সি ওচৰতে থকা চকী খনত বহি পৰিল আৰু হঠাতে তাৰ দুচকুয়েদি চকুপানী ওলাবলৈ ধৰিলে। তাৰ অৱস্থা দেখি মাক

দেউতাকে আচৰিত হৈ সুধিল—বোপা বীৰেণ। তোমাৰ কি হল ? তোমাৰ যদি আন্তৰিক বেদনা আছে আমাৰ আগত নোকোৱা কিয় ? আমি তোমাৰ মা-দেউতা। গতিকে আমাৰ আগত অন্তৰৰ বেদনা খুলি কোৱাত একো লাজৰ কথা নহয়। তোমাৰ ওপৰতে আমাৰ সকলো আশা ভৰশা। আমি তোমাৰ অন্তৰত দুখৰ বোজা জাপি দিবলৈ ইচ্ছা নকৰো। গতিকে তোমাৰ অন্তৰৰ কথা জানিব পাৰিলে আমি সুখী হম। সেয়েহে সি তাৰ মনৰ প্ৰস্তাৱ মাক-দেউতাকৰ আগত ডাঙি ধৰিলে। বীৰেণে মাক-দেউতাকক স্পষ্ট ভাষাৰে কলে যে নিম্ন বংশৰ আশ্ৰিত ছোৱালী জনীৰ পৰা আপোনালোকে যিমান খিনি শ্ৰদ্ধা ভক্তি পাই আহিছে উচ্চ বংশৰ ধনী পৰিয়াল উচ্চ শিক্ষিত ছোৱালী এজনীৰ পৰা সিমান খিনি মৰম শ্ৰদ্ধা পোৱাটো অলপো আশা কৰিব নোৱাৰি। ছোৱালীৰ বিবাহত দিয়া অসংখ্য বস্তুৱে মানুহৰ অন্তৰ জয় কৰিব নোৱাৰে। গতিকে মানৱতাৰ পিনে লক্ষ্য কৰি যি জনী ছোৱালীক সৰুৰে পৰা মৰম চেনেহৰ মাজত ৰাখি আশ্ৰয় দি আহিছে সেই ছোৱালী জনীয়ে ভবিষ্যত জীৱন পোহৰ কৰিব বুলি ভাবো। কিন্তু এই ক্ষেত্ৰত সৰস্বতী আৰু স্বপ্নাৰো মতামত লব লাগিব। তেওঁলোকৰ মতামতৰ বিৰুদ্ধে কাম কৰাটো আমাৰ উচিত নহব।

এই সকলোবোৰ আলোচনা বিলোচনা স্বপ্নাই বাহিৰৰ পৰা শুনি আছিল। আলোচনাৰ পিছত সকলোৱে খাই বৈ শুই পৰিল। স্বপ্নাই কিন্তু টোপনি মাৰিব নোৱাৰিলে। বীৰেণৰ পবিত্ৰ আৰু উদাৰ মনোভাৱত তাই মোহিত হৈ পৰিল। তাই অন্তৰৰ নানা তৰহৰ ভাব উদয় হল। মাক দেউতাকৰ আগত তাই বাৰু কেনেকুৱা মত প্ৰকাশ কৰিব। যি জনক তাই সৰুৰে পৰা দাদা বুলি মাতি আহিছে সেই জনক তাই কি হিচাবে স্বামী বুলিব। বীৰেণক তাই স্বামী হিচাবে গ্ৰহণ কৰিব নে তাই অসন্মতি প্ৰকাশ কৰিব থিৰাং কৰিব নোৱাৰিলে। কিছু সময় চিন্তা কৰি তাই থিৰাং কৰিলে যে মাক দেউতাকে যি মত দিয়ে তাতেই সমতি দিব।

বীৰেণৰ অন্তৰৰ কথা বুজি পাই পিচ দিনা মাক দেউতাকে সৰস্বতী আৰু স্বপ্নাৰ আগত পুতেকৰ মনোভাৱৰ সকলো কথা ভাঙি পাতি কলে। উত্তৰত সৰস্বতীয়ে কলে যে যিহেতু আমি আপোনালোকৰ অনুগ্ৰহতেই সুখে সন্তোষে জীয়াই থাকিবৰ সুবিধা পাইছো এই ক্ষেত্ৰত মোৰ মতামতৰ কোনো অন্য নাই। আপো- নালোকে যি ভাল দেখে তাকেই কৰক। আপো- নালোকৰ ভালেই মোৰ ভবিষ্যত। ইয়া[...] পিছত কাকতিয়ে স্বপ্নাক ওচৰলৈ মাতি [...] কলে—আই ! তুমি এতিয়া পূৰ্ণ যৌৱনা এজনী শিক্ষিতা ছোৱালী। তোমাৰ ভবিষ্যত জীৱন[...] চিন্তা তুমি নিজেই কৰিব লাগিব। গতিকে লাজ নকৰি তোমাৰ মনৰ সকলো কথা আমা[ৰ] আগত খুলি কোৱা। তোমালোকৰ অন্তৰৰ সকলো কথা জানি লৈহে আমি সকলো কাম কৰি পাৰিম। কিছু সময় নীৰবে থাকি স্বপ্না[ই] উত্তৰ দিলে দেউতা মই হলো এজনী আশ্ৰি[তা] ছোৱালী। আশ্ৰিতা হৈয়ো নিজৰ ছোৱালীৰ দ[ৰে] আপোনালোকৰ পৰা যিমানখিনি মৰম চেনে[হ] আৰু সহায় সাহায্য পাই আহিছোঁ সেই [...] মই জীৱনত পৰিশোধ কৰিব নোৱাৰিম। তা[...] আমাৰ বংশৰ মান মৰ্য্যদাও আপোনালোকত[কৈ] নিচ। এনেকুৱা অৱস্থাত মোৰ কবলগীয়া এ[...] নাই। আপোনালোকে যি ভাল দেখে তাকে[ই] কৰক। যিহেতু আপোনালোৰো মোৰ মা দেউত[া]

বীৰেণ আৰু স্বপ্নাৰ দুয়োৰো মনৰ [...] বুজিব পাৰি বাণী কান্ত কাকতি বৰ বিমো[...] পৰিল। এফালে বংশৰ মান মৰ্য্যদা আনফা[লে] পুতেকৰ মানৱীয়তাৰ কথা। তেওঁৰ ম[...] নানা প্ৰশ্ন হ'ল, এনেকুৱা কাৰ্য্যত কোনোবা দ[...] হব নেকি ? উত্তৰত তেওঁ বিচাৰি পালে যে ইয়াৰ কাৰণে দায়ী কোনো নহয়। নিৰাশ্ৰয় কাৰী মানুহক বিপদৰ পৰা উদ্ধাৰ কৰি আশ্ৰয় দিয়াতো প্ৰকৃত মানুহৰ ধৰ্ম। তেনেদৰে তেওঁ- লোকৰ ভবিষ্যত চিন্তা কৰাটোও প্ৰকৃত কৰ্ত্তব্য। অৱশেষত স্থিৰ কৰিলে যে ভগৱানেই বোধ হয় সেই বিপদৰ মাজেৰে এই লখিমী ছোৱালীজনীক বোৱাৰী হিচাবে আকোঁৱালি লবলৈ মোক অনুপ্ৰেৰণা যোগাইছিল।

ইয়াৰ পিচত বানী কান্ত কাকতিয়ে পুতেকৰ ইচ্ছানুসৰি স্বপ্নাৰ সৈতে বিবাহত সন্মতি দিলে। ভাল দিন বাৰ চাই বিবাহৰ দিন স্থিৰ কৰিলে। নিৰ্দ্দিষ্ট দিনত বন্ধু বান্ধৱ আৰু ইষ্ট-কুতুম্ব কাকতিৰ ঘৰ ভৰি পৰিল। উলহ-মালহৰ মাজেৰে তেওঁলোকৰ বিবাহ কাৰ্য্য সমাধা হৈ গ'ল। বীৰেণৰ এই কাৰ্য্যত বন্ধু-বান্ধৱ আৰু গাওঁৰ সকলোৱে তেওঁক প্ৰসংশা কৰিলে। বীৰেণ আৰু স্বপ্নাৰো অন্তৰৰ আত্মা আনন্দত নাচি উঠিল। বাণী কান্ত কাকতি, বিনীতা আৰু সৰস্বতীয়ে এই মিলনত নথৈ আনন্দিত হৈ পৰিল।

স্বপ্নাৰ ভাব হ'ল তাই যেন এতিয়া এটি নতুন জীৱন লাভ কৰিলে। তাই এতিয়া আশ্ৰিত ছোৱালী নহয়। এইখন ঘৰৰ প্ৰতি এতিয়া তাইৰ নতুন জীৱনৰ দায়িত্ব আহি পৰিল। এই দৰে ভাবি থাকোতে হঠাৎ তাইৰ অতীতৰ কথা বোৰলৈ মনত পৰিল। আৰু লগে লগে তাইৰ হৃদয়খন এডোখৰ কলা ডাৱৰে ঢাকি পেলালে। দেউতাকৰ কথা তাইৰ অকণো মনত পৰা নাছিল। যেতিয়া বিবাহ বান্ধোনত সোমাই পৰিল তেতিয়া তাই সকলো বুজি পালে। অজানিতে দুচকুয়েদি দুধাৰি চকুলো ওলাই আহিল। চকুপানীখিনি ওলাই যোৱাৰ পিছত তাইৰ অন্তৰ আত্মা পবিত্ৰ হৈ গ'ল। হঠাৎ তাইৰ মনত পৰিল অতীতত কৰা আশা। তাইৰ কাৰণে যেন এইখিনি আনন্দ উল্লাহৰ এটি নতুন আশা। তাই ভগৱানক প্ৰাৰ্থনা কৰিছে যে এই আশাৰে যেন তেওঁলোকে আগবাঢ়ি যাব পাৰে।



# কফন

মুল হিন্দি গল্প লেখক: প্ৰেমচন্দ্ৰ ৰ 'কফন' গল্পৰ অসমীয়া অনুবাদ

শ্ৰীমলয়া ৰাজবংশী
স্নাতক প্ৰথম বাৰ্ষিক

নিজৰ স্বভাৱৰ বাবে ঘীসু আৰু মাধৱ এলেহুৱা আৰু অকৰ্মন্য আছিল। ঘীসু এদিন কাম কৰিলে তিনি দিন আৰাম লয়। ঘীসুৰ ল'ৰা মাধৱে কামত ইমান ফাঁকি দিছিল যে আধা ঘণ্টা কাম কৰি ঘণ্টাৰ পিছত ঘণ্টা ধৰি চিলিম হুপি থাকে। এই কাৰণে তেওঁলোকে কোনো কাম নাপায়। গাওঁত কোনো কামৰ অভাৱ নাই। কিন্তু কামচোৰক কাম কোনে দিব ? যেতিয়া কাম কৰিবলৈ একো নাপায় তেতিয়া তেওঁলোকে এজনৰ কাম দুয়োজনে কৰিবলৈ সন্মত হয়। এওঁলোকে বেলেগৰ পথাৰৰ পৰা মটৰ, আলু চুৰ কৰি আনি ৰাতি পুৰি খায়। ঘীসুয়ে এনে ধৰণে ষাঠি বছৰ কটালে আৰু মাধৱে পিতাকৰ নিচিনা চলিব ধৰিলে। কিন্তু কেতিয়াবা তেওঁলোকে লঘোনে থাকিব লাগিছিল।

পিছৰ বছৰত মাধৱৰ বিবাহ বুধিয়াৰ লগত হৈছিল। ঘীসুৰ ঘৈণীয়েক মৰিছিল। বুধিয়াই মানুহৰ ঘৰত কাম কৰি, ঘাঁহ কাটিও ঘীসু আৰু মাধৱক পুহিছিল। যেতিয়াৰ পৰা তাই আহিছিল তেতিয়াৰ পৰা বাপেক পুতেক আৰু বেছি আৰামী হৈ গ'ল, কোনো কামলৈ নোযোৱা হ'ল।

বছৰ সম্পূৰ্ণ নৌহওঁতে বুধিয়া প্ৰসৱ বেদনাত চিঞৰি আছিল। তাইৰ বাবে কোনো আশ্ৰয় নাছিল। ঘৰত একো বস্তুও নাছিল। দুয়ো জন কৰবাৰ পৰা আলু চুৰ কৰি আনি পুৰিব ধৰিছিল। ঘীসুয়ে মাধৱক বুধিয়াৰ অৱস্থা চাবৰ বাবে ঘৰৰ ভিতৰলৈ যাব ক'লে, কিন্তু মাধৱ এই কাৰণে নগ'ল যে এই খিনি সময়তে ঘীসুৱে সকলোবোৰ আলু খাই পেলাব। বুধিয়াই শেষ নিশ্বাস এৰিছিল। মাধৱৰ এই সময়তে চিন্তা হ'ল যে কেচুৱা হলে গুৰা, মিঠৈ তেল কৰ পৰা আহিব ? কিন্তু ঘীসুৱে কোনো চিন্তা কৰা নাছিল, তেওঁ কৈছিল—"মানুহে দি দিব।

ঘীসুৱে মাধৱক বিশ বছৰ আগতে ঠাকুৰৰ ঘৰত হোৱা সকামৰ বিষয়ে ক'লে যে তাত বহুতো ভাল ভাল বস্তু খুৱাইছিল। মাধৱে সুধিলে যে এতিয়া মানুহে এনেকুৱা সকাম কিয় নাপাতে ? ঘীসুৱে উত্তৰ দিলে যে এতিয়া মানুহ কৃপন হৈছে।

আলু পানী দুয়োজনে খাই সকলো চিন্তা এৰি বিছনাৰ কাষলৈ আহি হাত ভৰি তুলি লৈ শুলে। বুধিয়াৰ চিঞৰৰ ফালে মন কান নিদিলে আৰু প্ৰসৱৰ বেদনাত ছট্-ফটাই তাই প্ৰাণ ত্যাগ কৰিলে। ৰাতিপুৱা বাপেক পুতেকে দেখা পালে যে বুধিয়াৰ মুখত মাখি উৰিব ধৰিছে আৰু কেচুৱা পেটৰ ভিতৰতে মৰি আছে। তাইৰ গোটেই শৰীৰটো তেজেৰে লুটুৰি-পুটুৰী হৈ আছে। মাধৱ আৰু ঘীসুৱে ডাঙৰ ডাঙৰকৈ কান্দিবলৈ ধৰিলে। ওচৰ চুবুৰীয়াই শুনি দৌৰি আহিল আৰু বুজাব ধৰিলে। তেতিয়া তেওঁলোকে কফন ...আৰু খৰিৰ বাবে চিন্তা কৰিব ধৰিলে। ঘৰত পইচা এটিও নাই। বাপেক-পুতেকে কান্দি কান্দি ...াৱৰ জমিদাৰৰ কাষলৈ গ'ল। জমিদাৰে খং ...ৰিও দুই টকা দিলে আৰু গাৱঁৰ আন মানুহেও ...কছু পইচা দিলে। সকলো মিলি পাঁচ টকা ...'ল। কাৰোবাৰ পৰা শস্য আহিল, কাৰোবাৰ ...ৰা খৰি। ঘীসু আৰু মাধৱে কফন (মৰাশ ...কা কাপোৰ) কিনিবলৈ বজাৰলৈ গ'ল।

বজাৰ পাই ঘীসুৰ স্বভাৱ বদলি গ'ল। ...ওঁ মাধৱক বুজালে যে যি জন মৰি গ'ল, ...ওঁৰ বাবে ভাল কফন দিলে কি হব, এই ...ৰণে কিনিবৰ বাবে কাপোৰ চাই লোৱা ...ওক। কিন্তু গধূলীলৈকে ঘূৰি ফুৰি থকাৰ ...ছতো তেওঁলোকৰ কোনো কাপোৰ পছন্দ ...'ল। প্ৰকৃততে তেওঁলোকে দুয়োজনে খাই ...ষ কৰিবৰ ইচ্ছা আছিল আৰু এই প্ৰেৰণাৰ ...বে অৱশেষত এখন মদৰ দোকানত সোমাল। ...সুৱে মেনেজাৰৰ কাষলৈ গৈ এক বটল মদ ...নিব ক'লে। অলপ পিছত কুকুৰা চৰাইৰ ...ংস আহিল, ভজা মাছ আহিল। দুয়োজনে ...াচত ঢালি ঢালি মদ খাব ধৰিলে আৰু ...ৱস্তুণিৰে পৰা বক্‌বকণী ধৰিলে, মৃত ...ধয়াক আশীৰ্বাদ দি কব ধৰিলে যে আজি ...ইৰ বাবে এই খাদ্য খাবলৈ পালে, এই কাৰণে ...ই স্বৰ্গ পাওক। তাই পূৰ্ণ আত্মা। আজি ...ওঁলোকৰ সন্মুখত আনন্দই আনন্দ। কাৰণ ...ধয়া মৰিও তেওঁলোকক পেট ভৰা ভাল আহাৰ ...গ'ল। এইটো এওঁলোকৰ জীৱনৰ আটাইতকৈ ...ৰ লোভ আছিল। কিন্তু পিছত তেওঁলোকৰ ...খত চিন্তা হ'ল সেই মানুহবোৰক কি কব, ...ন কিয় লৈ অহা নহ'ল। পইছাটো সকলো ...লো শেষ হৈ গ'ল।

ঘীসুয়ে গাৱঁৰ মানুহক উত্তৰ কি দিব ভাবিব ...লে, তেওঁ কৈ দিব, যে টকা ককালৰ পৰা হেৰাই গ'ল। তাক বিচাৰ খোচাৰ কৰোঁতে ইমান পলম হ'ল। তেওঁৰ উপস্থিত বুদ্ধি শুনি মাধৱে অন্তৰ খুলি হাঁহিলে। তেওঁ ভাবিলে যে বুধিয়া মৰিল বাবে আজি এই আহাৰ খাবলৈ পালোঁ।

বাপেক পুতেক নিচিন্ত হৈ মদ পিবলৈ ধৰিলে। ইয়াৰ পিছত গৰম তৰকাৰী, ৰুটি, আচাৰ আৰু কচুৰী খাবলৈ ধৰিলে। তেওঁলোকে ভাবি ললে যে ওচৰ চুবুৰীয়াই কফনৰ ব্যৱস্থা কৰি লব, তেতিয়া তেওঁলোকে পইছা নাপাব। এনে ভাল সুবিধা মৰিলেও কোনে এৰি দিব।

পেট ভৰাই খাই মাধৱে ৰোৱা ৰুটিৰ ঠাল খন উঠাই এজন ভিক্ষাৰীক দি দিলে, যি জনে বহু সময়ৰ পৰা তাতে থিয় হৈ তেওঁলোকৰ ফালে ভোকাতুৰ দৃষ্টিৰে চাই আছিল। তেওঁ এই আনন্দ আৰু উল্লাসৰ অনুভৱ জীৱনত প্ৰথম বাৰৰ বাবে কৰিছিল।

খাই লৈ দুয়োজনে বকিব ধৰিলে। ঘীসুয়ে এতিয়া দাৰ্শনিকৰ দৰে কথা কব ধৰিলে। প্ৰলাপ আৰু উন্মাদ দুয়োটাই আগুৰি ধৰিছিল। প্ৰথমতে বুধিয়াৰ দয়া আৰু সহৃদয়তাৰ বৰ্ণনা কৰি তেওঁ পোনে স্বৰ্গৰ ফালে চাই আৰু নিজৰ অৱস্থাৰ বাবে দুখৰ কল্পনা কৰি দুয়োজনে কান্দিবলৈ ধৰিলে।

ঘীসুয়ে ইয়াৰ পিছত বুজাব ধৰিলে যে কান্দিলে কি লাভ, সুখী হব লাগে। কিয়নো মৰিও তেওঁ আমাক ইমান আনন্দ দি গ'ল। এই কাৰণে মাধৱ আনন্দিত হ'ল আৰু দুয়োজনে থিয় হৈ নাচিব আৰু গান গাব ধৰিলে।

"বিশ্বাস ঘাতিনী কিয় চকু মুদিলি ! বিশ্বাস ঘাতিনী।" মদৰ ৰাগী আৰু বেছি হৈছিল। ৰাতিতে মৰি থকা ঘৈণীয়েক ঘৰৰ ভিতৰতে তেনেদৰে পৰি আছিল। কিন্তু ঘীসু আৰু মাধৱে নিজকে নিজে নিৰ্দ্দোষী বুলি ধৰি ললে। তেওঁলোকে পাগল হৈ নাচিব ধৰিলে আৰু অচেতন হৈ পৰি গ'ল। ●●

# নিৰ্ব্বাচিত উদ্ধৃতি

১। "যি পিতৃৰ শাসনৰ অন্তৰালত স্নেহ থাকে আৰু যি মাতৃৰ স্নেহৰ অন্তৰালত শাসন থাকে তেনে পিতৃ-মাতৃয়ে সন্তানক মানুহ কৰিব পাৰে।"
—'চিড্‌নি হেকিচ্'

২। "জীৱনৰ ভুলখিনিয়েই কৃতৰ্কাযতাৰ মূল আধাৰ।"
—'কনাউ মণ্টেগ'

৩। "কিছুমান মহৎ হৈ জন্মে, কিছুমানে মহত্ব অৰ্জন কৰে আৰু কিছুমানৰ ওপৰত মহত্ব অৰ্পন কৰা হয়।"
—'চেক্সপীয়েৰ'

৪। "ভুল কথা জনাতকৈ একোকে নজনাকৈ থকাই ভাল।"
—'চেক্সপীয়েৰ'

৫। "মানুহক ভালপোৱাটো মানবিকতা, মানুহক বুজিব পৰাটো বিজ্ঞান।"
—'কনফুছিয়াছ'

৬। "বৃক্ষ-লতাৰ পৰা আৰম্ভ কৰি সকলো জীৱৰ প্ৰতি দয়া কৰাই প্ৰকৃত ধৰ্ম।"
—'তীৰ্থকৰ মহাবীৰ'

৭। "যদি ভগবানক বিচৰা প্ৰথমে মানুহৰ সেৱা কৰা যদি শক্তি বিচৰা মানুহৰ সেৱাত দেহ ক্ষয় কৰা।"
—'স্বামী বিবেকানন্দ'

৮। "ঈশ্বৰৰ অস্তিত্ব অনুভব কৰাৰ প্ৰয়োজন নাই, তেওঁৰ অস্তিত্ব যদি আমি অনুভব কৰিব নোৱাৰো, তেনেহলে সি আমাৰেই দুৰ্ভাগ্য, অনুভূতিৰ অজৰ ব্যাধিৰ সদৃশ।"
—'মহাত্মা গান্ধী'

৯। "যাৰ হাতত বেচি ক্ষমতা আছে তেওঁ সেই ক্ষমতা যিমান সম্ভৱ কমকৈ ব্যৱহাৰ কৰা উচিত।"
—'চেনেক'

১০। "পৃথিবীৰ ভিতৰত আটাইতকৈ সহজে ঠগাব পৰা মানুহ জন হ'ল নিজেই"।
—'বলুৱাৰ লিটন'

১১। "আমাক ভাল মানুহ লাগে। ভাল আইন আৰু আদালতৰ আৱশ্যক নাই।"
—'জৰ্জ বাৰ্নাড'

১২। "আনে কি কৰিছে সেইটো ভবাতকৈ মই নিজে কি কৰিছো সেইটো ভবাহে বেচি দৰকাৰ প্ৰতিজন লোকে নিজৰ কাম কৰি গলেই দেশৰ আৰু দহৰ সেৱা কৰা হব"।
—'ৰাজা ৰামমোহন ৰায়'

১৩। "যি মানুহে খুব কথা কয় অথচ কবলগীয়া একো নাই তেনে মানুহক হিংস্ৰ বনৰীয়া জন্তুতকৈয়ো বেচি ভয় কৰি চলিব লাগে।"
—'জনাথন চুইফথ্'

১৪। "যশস্যা আপোনাৰ সুকীৰ্তিৰ সুগন্ধ।"
—'চক্ৰেটি'ছ

সংগ্ৰহকক ঃ
অধ্যাপক প্ৰসন্নকুমাৰ চহ
বুৰঞ্জী বিভাগ



# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনীতে মই অসমৰ জাতীয় অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া জ্ঞাত অজ্ঞাত অমৰ বীৰ শ্বহীদ সকলৰ প্ৰতি লগতে নিৰ্য্যাতিত আৰু পঙ্গু ব্যক্তি সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

পোনতে মই সেই ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী, ভাই-ভনী সকলক সুৱৰিছো যি সকলে মোক সুৰেণ দাস মহাবিদ্যালয়ৰ এই বাব চলোৱাৰ বাবে অনুপ্ৰেৰনা যোগাইছিল।

এখন নকৈ গঢ়ি উঠা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কিমানখিনি অসুবিধাৰ সন্মুখীন হব লাগে তাক নকৈ গঢ়ি উঠা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰে কোনেও অনুভব কৰিব নোৱাৰে। তথাপি সুৰেন দাস মহাবিদ্যালয়ৰ উন্নতি মূলক কামত, বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ অসুবিধা দূৰ কৰিবলৈ মোৰ ক্ষমতা অনুযায়ী আগ বাঢ়িছিলো। হয়তো কিছুমান কামত সুফল লাভ কৰিছিলো আৰু কিছুকামত সুফল লাভ কৰিব নোৱাৰাটোও অস্বাভাৱিক নহয়। মই আশা ৰাখিছো যিখিনি মোৰ কাৰ্য্যকালত মই পূৰণ কৰিব নোৱাৰিলো, সেইখিনি যেন পৰবৰ্ত্তী কাৰ্য্যনিৰ্বাহকে পূৰণ কৰে।

ইং ১৯৮৮ চনৰ ১০ ডিচেম্বৰ তাৰিখে সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ ৩০ ডিচেম্বৰ তাৰিখে সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰো। তাৰ পিছৰ পৰাই পৰম্পৰাগতাভাবে মোৰ সেৱা আৰম্ভ হয়।

<u>মহাবিদ্যালয় সপ্তাহ—</u>

বিগত বছৰ বোৰৰ দৰে মোৰ কাৰ্য্যকালতো ৯।১।৮৯ ইং তাৰিখৰ পৰা ১৪।১।৮৯ ইং তাৰিখলৈ ৬ দিনয়া কাৰ্য্যসুচীৰে আকৰ্ষণীয় ভাবে সুৰেন দাস মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়।

১৪।১।৮৯ ইং তাৰিখে অধ্যক্ষ ডঃ দয়ানন্দ পাঠকৰ সভাপতিত্বত মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণি সভাখন মুকলিমুৰীয়াকৈ অনুষ্ঠিত কৰা হয়।

<u>বিদায় সভা—</u>

প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক ২য় বৰ্ষৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ন হ'ব খোজা ছাত্ৰ-ছাত্ৰীসকলক বিদায় দি ভবিষ্যত জীৱনৰ উন্নতিৰ বাবে শুভেচ্ছা জনোৱা হয়। সেয়েহে মোৰ কাৰ্য্যকালতো উচ্চতৰ মাধ্যমিক ২য় বৰ্ষৰ চূৰান্ত পৰীক্ষাৰ বাবে মহাবিদ্যালয়ৰ ২য় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী, ভাই-ভনী সকলৰ ৪।৩।৩৯ ইং তাৰিখে আনুষ্ঠানিক ভাবে বিদায় ও শুভেচ্ছা জনোৱা হ'য়।

<u>মহাবিদ্যালয়ৰ উন্নতিৰ বাবে দাবী—</u>

সুৰেন দাস মহাবিদ্যালয়ৰ উন্নতি তথা ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি লক্ষ ৰাখি দহ দফীয়া দাবীৰ সন্দৰ্ভত ২৫।২ ৮৯ ইং তাৰিখৰ পৰা ২।৩।৮৯ ইং তাৰিখলৈ বিভিন্ন কাৰ্য্যসুচীৰে মহাবিদ্যালয়ৰ আন্দোলন চলোৱা হয়।

<u>শোক সভা—</u>

১৯৮৯ চনৰ ১মে তাৰিখে এক ট্ৰাক দুৰ্ঘটনাত পৰম পুজনীয় শিক্ষাগুৰু ( বুৰঞ্জী বিভাগৰ ) জীতেন্দ্ৰ দাসৰ পৰলোক প্ৰাপ্তি ঘটে। পূজনীয়

চাৰৰ আত্মাৰ সদগতিৰ কাৰনে ২।৫।৮৯ ইং তাৰিখে এখন শোক সভা পতা হয়। আকৌ ৩'৫।৮৯ ইং তাৰিখে চাৰৰ আত্মাৰ সদগতিৰ বাবে ভগবানৰ ওচৰত প্ৰৰ্থনা কৰাৰ লগতে সুৰেণ দাস মহাবিদ্যালয়ৰ পতকাখন ৭দিনলৈ অৰ্দ্ধনামত কৰি ৰখা হ'য়।

**ধৰ্ম্মীয় অনুষ্ঠান—**

জাতি ধৰ্ম নিৰ্বিশেষে আমি এই শিক্ষানুষ্ঠানত ভাতৃত্বৰ ভাবেৰে একেলগে বিদ্যা আহৰণ কৰিবলৈ আহিছো। সেয়েহে সকলো ধৰ্মৰ প্ৰধান উৎস্ববোৰত মই সম্পূৰ্ণভাবে সহায় সহযোগিতা আগবঢ়াইছিলো। বিশেষকৈ ১০।১০।৮৯ ইং তাৰিখে শ্ৰীশ্ৰীসৰস্বতীপূজা আৰু মুছলমান ভাই সকলৰ মহৰম পৰ্ব মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰী সকলৰ পূৰ্ণ সহায় মহাযোগিতাৰে পালন কৰা হয়।

**নবাগত আদৰণী সভা—**

অইন বছৰৰ দৰে ১৯৮৯ চনৰ বছৰটোত নানা ৰঙ ধেমালিৰ মাজেৰে সুৰেণ দাস মহাবিদ্যালয়ত নকৈ নাম ভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰী, ভাই-ভনী সকলক আনুষ্ঠানিকভাবে আদৰণি জনাই আমাৰ মাজলৈ অনাৰ উদ্দেশ্যে অতি উলহ মালহেৰে ৩০।৯।৮৯ ইং তাৰিখে বিভিন্ন ধৰণৰ কাৰ্য্যসূচীৰে নবাগত আদৰণী সভাখন অনুস্থিত কৰা হ'য়।

**কৃতজ্ঞতা স্বীকাৰ—**

প্ৰতিবেদনৰ মোখনি মৰাৰ আগ মূহুৰ্তত যিসকল শিক্ষাগুৰুৰ উপদেশ আৰু মৰম ভৰা সহাঁৰিয়ে মোৰ কাৰ্য্যবাহী জীৱনৰ বাট মুকলি কৰি দিছিল সেই পৰম পুজনীয় ব্যক্তি ডঃ দয়ান্দ পাঠক (অধ্যক্ষ) শ্ৰীযুত সুবোধি চন্দ্ৰ চৌধুৰী (বিঃ-অঃ) ৺জীতেন্দ্ৰ দাস, শ্ৰীযুত প্ৰসন্ন কুমাৰ চহৰীয়া, শ্ৰীযুত জোতিষ চন্দ্ৰ বৰ্মন, মঃ আলি আকবৰ হুচেইন, শ্ৰীমতী মিচো প্ৰভা বৰা, শ্ৰীমতী লোপা ডেকা বৰুৱা, শ্ৰীমতী নন্দিতা চলিহা, আৰু শ্ৰীবিষ্ণু কান্ত শৰ্মা দেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মোক সাধাৰণ সম্পাদকৰ দায়িত্ব ল'বলৈ দি প্ৰতি পদে পদে সহায় সহযোগিতা তথা বিভিন্ন ক্ষেত্ৰত হাত উপদেশদি মোৰ কাৰ্য্যকাল চলাই নিয়াত যি কণ সুবিধা দিলে তাৰ বাবে প্ৰাক্তন সাধাৰ সম্পাদক শ্ৰীৰবীন চন্দ্ৰ দাসৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সম্পূৰ্ণ সহাঁৰিৰে মোৰ কোৰ্য্যকালৰ প্ৰতি মুহূৰ্ততে আগবাঢ়ি অহা সহকমী বন্ধু শ্ৰীভগবান চন্দ্ৰ দাস, শ্ৰীমতী নিৰু মেধি, ৰুমী দাস, টঙেশ্বৰ দাস ডেকা, অতুল, ডেৰাজ, ময়াজ, ৰমিজুদ্দিন, চান্দমহম্মদ হাৰুন, নুৰুদ্দিন, ৰত্নেশ্বৰ বৈশ্য কণক, ৰাজেনৰ ওচৰত চৰি কৃতজ্ঞ।

**ভুল স্বীকাৰ—**

মানুহ মাত্ৰে ভুল হয়। সেয়েহে যদি কাৰোবাৰ ওচৰত জানি হওক বা নাজনি হওক ভুল কৰিছো তাৰ বাবে ক্ষমা বিচাৰিছো। কাৰোবাক হয়তো কোনোৱা মূহুৰ্তত বেয়াকৈ বা খংকৈ কিবা কোৱা যাব পাৰে, তাৰ বাবে যেন তেখেত সকলে মোক তেখতসকলৰ মহাবিদ্যালয়ৰ এজন ছাত্ৰ বন্ধু হিচাপে ক্ষমা কৰে। তাকে আশা কৰি মই মোৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ যৱনিকা পেলালো।

জয় আই অসম  
জয়তু সুৰেণ দাস মহাবিদ্যালয়  
ছাত্ৰ ঐক্য জিন্দাবাদ  
সুৰেণ দাস মহাবিদ্যালয়ৰ  
ছাত্ৰ একতা সভা জিন্দাবাদ।

ধন্যবাদেৰে  
শ্ৰীগৌতম শইকীয়া  
সাধাৰণ সম্পাদক  
সুৰেণ দাস মহাবিদ্যালয় ছাত্ৰ একতা সভা  
( ১৯৮৮-৮৯ চন )



# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে অসমৰ শতশ্বহিদৰ আত্মাৰ চিৰ শান্তিৰ বাবে ভগবানৰ ওচৰত প্ৰাৰ্থনা জনলোঁ। অসমৰ ছৰছৰীয়া আন্দোলনত যি সকল বীৰ-বীৰঙ্গনাই বুকুৰ শোণিতেৰে অসমক ৰক্ষা কৰি গ'ল সেই সকল পৃথিৱীত অমৰ হৈ থকাৰ কামনা কৰি প্ৰতিবেদনৰ পাতনি মেলিছো।

মোৰ আশা ভৰষা সিক্ত কলমৰ বুলনি আগবঢ়াই নিয়াৰ বাবে সৌৰভ, জয়ন্ত, মনিকান্ত, মণ্টু, ৰমেন, উৎপল, মনোহৰ, ৰাতুল, মৃদুল, চন্দ্ৰ বৰুৱা, ইৰা, নিৰু, দিপালী, মিনতী, অনিতা, ৰীণা, সৱিতা, বিজুলী আৰু প্ৰাক্তন ছাত্ৰ নুৰহুছে-ইনলৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন যাছিলোঁ। আমাৰ অতি আশাৰ মানিক "সুৰেণ দাস মহাবিদ্যালয়," নামৰ শিক্ষা মন্দিৰক নতুন নতুন জ্ঞানৰ আলোকেৰে অসম তথা সদৌভাৰত বৰ্ষৰ ভিতৰত এখন মহাবিদ্যালয় হিচাপে গঢ়ি তুলিবলৈ যি এচমকা ৰ'দ কাচলিত মোক আগবঢ়াই দিলে, সেই আশা মই পূৰাব নোৱাৰিলেও বাস্তৱৰ সৰোবৰত নীল কমল হৈ প্ৰস্ফুতিত হ'ব আৰু এইখন মহাবিদ্যালয় ভৱিষ্যতে এখন লেখতলৱলগীয়া মহাবিদ্যালয় হোৱাৰ কামনা কৰি পৰম পিতাৰ চৰণ যুগলত একান্ত ভাবে প্ৰাৰ্থনা জনালোঁ। মোৰ সীমিত জ্ঞান আৰু পৰিসীমিত ভাষাৰে আপোনাসৱক নতুন জ্ঞানৰ প্ৰভাৱ দিব নোৱাৰিলোঁ,। তথাপিও আপোনালোক জ্ঞান ফুলনিত মানসিক আৰু বৌদ্ধিক চেতনাৰে সমৃদ্ধ একো একোপাহ ফুল হৈ জ্যোতি প্ৰগতি আৰু সমন্বয়ৰ প্ৰতীক হৈ অতুৎজ্বল কৰক—মহাবিদ্যালয় তথা অসমৰ গৌৰৱ।

সঃসম্পাদকৰ কাৰ্য্যভাৰ লোৱাৰ কিছুদিন পাছতেই মহাবিদ্যালয় সপ্তাহ চলাব লগা হ'ল। মহাবিদ্যালয় সপ্তাহটো শিক্ষাগুৰু আৰু বন্ধু বান্ধৱী সকলৰ সহায় সহযোগিতাত শেষ কৰিলোঁ। যিসকল ব্যক্তিয়ে মহাবিদ্যালয় সপ্তাহ চলোৱাত সহায় সহযোগিতা কৰিলে তেখেত সকলকো শ্ৰদ্ধাৰে সুঁৱৰিছো।

দায়িত্বভাৰ লোৱাৰ কিছুদিন পাচত অন্তত মহাবিদ্যালয়তএটি শোকৰ বাতৰিয়ে খুন্দা মাৰি ধৰিছিল। এদিন হঠাতে পৰম পূজনীয় শিক্ষাগুৰু জিতেন্দ্ৰ দাসৰ ট্ৰাক দুৰ্ঘটনাত মৃত্যু হোৱাৰ ফলত মহাবিদ্যালয়ত এটি কৰুণ পৰিবেশৰ সৃষ্টি হৈছিল। ছাত্ৰ হিচাপে আমালৈ তেখেতৰ যিমান মৰম আছিল সেই মৰম আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। মহাবিদ্যালয়ত তেখেত এজন কৃতী শিক্ষক হিচাপে অমৰ হৈ ৰওঁকএয়ে আমাৰ কমনা।

আমাৰ কাৰ্য্যকাল চোৱাত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃ ফুটবল প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ খেলুৱৈ সকলৰ লগত অভয়াপুৰীলৈ যাব লগীয়া হৈছিল। খেলত জয়লাভ কৰিব নোৱাৰিলেও মহাবিদ্যালয়ৰ প্ৰথম প্ৰতিযোগী দল হিচাপে প্ৰথম চাৰিখন খেলত যি পাৰদৰ্শিতা দেখুৱাইছিলো সেয়ে খেলুৱৈ সকলৈ মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা যাচিলোঁ।

মোৰ কাৰ্য্যকাল চোৱাত মহাবিদ্যালয়ৰ অসুবিধা সমূহ দূৰ কৰি উন্নতি সাধিব নোৱাৰিলেও

ভৱিষ্যতেই এখন উচ্চস্তৰৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হ'ব বুলি কামনা কৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জল কামনা কৰিছোঁ আৰু জ্ঞাতে বা অজ্ঞাতে আপোনাসবৰ কাৰোবাৰ অন্তৰত আঘাতৰ সৃষ্টি কৰিব পাৰোঁ। কিন্তু তাকে ভাবি আপোনাসবে প্ৰতিহিংসাৰ বদ্ধমূল ধাৰণা পৰিহাৰ কৰি বিনিময়ত দিয়ক প্ৰেম তথা বন্ধুত্ব। এই মৰম চেনেহৰ এনাজৰী ৰাখি থওক চিৰ দিনৰ বাবে স্মৃতিৰ বুকুত। প্ৰগতিৰ পথত বাট বুলি আমি হেৰাই যাম, কিন্তু স্মৃতিয়ে আমাৰ মানসলৈ আনিব অমিয়া ঝংকাৰ। চন্দ্ৰ-সূৰ্য্যৰ দূৰত্ব অধিক হলেও সিহঁতৰ মাজত থকা সম্পৰ্কৰ দৰে আমাৰ মাজতো ৰৈ যাওঁক এক বন্ধুত্বৰ অমিয়াসুৰ যি সুৰে নীলিম আকাশৰ নিলীমা স্পৰ্শি যাব। এই সুৰ মহাবিদ্যালয় আৰু চিৰ চেনেহী নুমলীয়া জীয়ৰী অসমী আইৰ হৃদয়ত পুঞ্জীভূত হৈ ৰওঁক, এয়ে আমাৰ কামনা। ইতি—

শ্ৰীগৌতম মালাকৰ।
সহকাৰী, সাধাৰণ, সম্পাদক;

# ছাত্ৰ জিৰণি কোঠৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভনীতে সুৰেণ দাস মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। ইং ১৯৮৮-৮৯ চনৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে ছাত্ৰ জিৰনি কোঠাৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি মহাবিদ্যালয়ৰ তথা ছাত্ৰ-ছাত্ৰী সকলৰ গতি সেৱা আগবঢ়োৱাৰ সুবিধাকন দিয়া বাবে সমূহ ছাত্ৰ ছাত্ৰী বন্ধু বান্ধবীলৈ ধন্যবাদ জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যকালত কি কৰিব পাৰিলো কি নোৱাৰিলো সেইটো ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য্য। কাৰ্য্যভাৰ গ্ৰহন কৰিয়েই বহুত কিবা কিবি কৰি ছাত্ৰ-ছাত্ৰী সকলৰ আশা আকাংক্ষা কিঞ্চিত মান হলেও নতুন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছিলো। এখন মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলৰ নিম্নতম প্ৰয়োজনীয়তাখিনি পূৰণ কৰিব পৰাকৈ এটি জিৰনি কোঠা নিৰ্মাণ কৰাৰ মানসেৰে বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপকৰ লগত আলোচনা কৰি কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰা হৈছিল। কিন্তু গ্ৰাম্যাঞ্চলত নতুনকৈ প্ৰতিষ্ঠিত হোৱা মহাবিদ্যালয় এখনৰ সীমাহীন সমস্যা সমূহ খৰতকীয়াকৈ পূৰণ কৰিব পৰা নাযায় বাবেই অস্থায়ীকৈ এটি জিৰনি কোঠাৰ নিৰ্মানৰ কাৰ্য্য সম্পূৰ্ণ কৰা হয়। অবসৰৰ সময়ত ছাত্ৰ-ছাত্ৰী সকলে জিৰনি কোঠাত যাতে কিছু সময় কটাব পাৰে তাৰ বাবে দৈনিক বাতৰি। সাপ্তহিক বাতৰি, আলোচনী আদি নিয়মিত ভাবে যোগান ধৰাৰ ত্ৰুটি কৰা নাছিলো। কিন্তু ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ জিৰনি কোঠাৰ ব্যৱস্থা কৰিব নোৱাৰি দুঃখিত আৰু তাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা ভীক্ষা মাগিছো।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শ দি সহায় সহযোগ আগবঢ়োৱাৰ বাবে বিভাগীয় ভাৰপ্ৰাপ্ত অধ্যাপক মহোদয়, শ্ৰীনিত্যানন্দ ৰাজবংশী, তাৰিণী দাস, ধীৰেণ কলিতা, তিলক, অপুৰ্ব্ব, প্ৰমোদ, জয় দেৱ, ৰবীন আদিলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো।

সদৌ শেষত সুৰেন দাস মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

শ্ৰীঅনিলকুমাৰ দাস
সম্পাদক, ছাত্ৰ-জিৰণি কোঠা
সু, দাস মহাবিদ্যালয়
ছাত্ৰ একতা সভা



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

মোৰ প্ৰতিবেদনৰ আৰম্ভনিতে সুৰেন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবীলৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। অতি মৰমৰ কলেজলৈ সমাজৰ সেৱা কণ আগা বঢ়াবলৈ পায় মই নিজেও ভাগ্যবানবুলি ভাবিছো।

সম্পাদক হিচাপে মহাবিদ্যালয়ৰ ফালৰ পৰা তথা ছাত্ৰ-ছাত্ৰীৰ সহায় সহযোগত কিমান খিনি কৰিব পাৰিছিলো সেই মন্তব্য দিয়াৰ অধিকাৰ নাই। বছৰেকীয় এটা শিবিৰৰ কাৰণে ভাৰ-প্ৰাপ্ত তত্ত্বাধয়ক গৰাকী জনেও অবহেলাৰ পৰা বিৰত থকা নাছিল। তাৰ বাবে মই অৱশ্যে অনুতাপ নকৰো। এষাৰ কথাই মুক্ত কণ্ঠে কব পাৰো যে চেষ্টাৰ ত্ৰুটি কেতিয়াও কৰা নাছিলো।

সমাজ সেৱাৰ বিভিন্ন দিশৰ প্ৰতি লক্ষ্য ৰখাৰ উপৰিও ছাত্ৰ কাৰ্য্যনিৰ্বাহকৰ বিভিন্ন কাৰ্য্যপন্থা আদিৰ লগত ওতঃপ্ৰোত ভাবে জড়িত আছিলো। বাৰ্ষিক কলা ক্ৰীয়া মহোৎ সবত বিভিন্ন বিভাগীয় প্ৰতিযোগীতাবোৰ চলাই নিয়াত সম্পূৰ্ণ সহযোগ পাইছিলো।

মোৰ কাৰ্য্যকালৰ সময় ছোৱাত সুৰেণ দাস মহাবিদ্যালয়ৰ সামাজিক দিশটোলৈ কিবা এটা কৰিয়াই অনা বুলি কবলৈ মোৰ অলপ সন্দেহ আছে। কাৰ্য্যকাল চোৱাত মহাবিদ্যালয়ত এটা মোৰ বিশেষ অভিজ্ঞতা হৈছিল আৰু সেইটো হ'ল আমাৰ ছাত্ৰ-ছাত্ৰী বোৰ সমাজৰ প্ৰতি উদাসীণতা।

সম্পাদক হিচাবে ইয়াৰ উপৰিও আন কিছুমান কাম থাকে। নাজানো মই কিমান খিনি কৰিব পাৰিছো। মোক সকলো ফালৰ পৰা উৎসাহ দিয়াত অধ্যক্ষ, আনহাতে অধ্যাপক অধ্যাপিকা সকলৰ সহায়ৰ কথা উল্লেখ নকৰি থাকিব নোৱাৰো। তাৰোপৰি বন্ধু বান্ধবী সকল শ্ৰীনিত্যানন্দ ৰাজবংশী (নিতু) ধীৰেণ কলিতা, তাৰিণী দাস, লক্ষেশ্বৰ, ৰবিন, উদ্ধৱ। অনিল আৰু অপূৰ্ব্ব মজুমদাৰ লৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। উক্ত মহাবিদ্যালয়ৰ ছাত্ৰ সভা আৰু সুৰেণ দাস মহাবিদ্যালয়ৰ বন্তিৰ শলিতাই আগবঢ়াই প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

শ্ৰীচম্পক কলিতা
সম্পাদক
সমাজ সেৱা বিভাগ।

# শৰীৰ চৰ্চা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

আন্তৰিক অভিনন্দন প্ৰতিবেদনৰ দোকমোকালিতে সুৰেণ দাস মহাবিদ্যালৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবীলৈ, যিসকলৰ আপ্ৰান চেষ্টা আৰু বহমুলীয়া ভোট কেইটিৰে জয় যুক্ত হৈ মই শৰীৰচৰ্চা বিভাগৰ সম্পাদক হিচাপে নিৰাচত হবলৈ সুযোগ কণ পালো। মোৰ অলপ সন্দেহ এই পদৰ বাবে মই উপযুক্ত হৈছোনে নাই অথবা মহাবিদ্যালয়ৰ শৰীৰ চৰ্চাবিভাগৰ প্ৰথম সম্পাদক হিচাপে মই কিমান দুৰ কৃতকাৰ্য্যতা লাভ কৰিবলৈ সক্ষম হৈছো এয়া বিচাৰৰ দায়িত্ব আপোনালোকৰ ওপৰতেই থলো।

আমাৰ মহাবিদ্যালয়ত ১৯৮৮-৮৯ চনত পোন প্ৰথম বাৰৰ বাবে এই শৰীৰ চৰ্চা বিভাগটো খোলা হয়। তাৰ প্ৰথম সম্পাদক হিাপে মই যিখিনি পাৰো ছাত্ৰ-ছাত্ৰীৰ মাজলৈ ব্যায়মৰ সা-সজুলি বোৰ প্ৰদান কৰাৰ চেষ্টাৰ ক্ৰুটি কৰা নাছিলো।

আমাৰ ছাত্ৰসকলৰ এই বিষয়ত অমনোযোগিতাৰ চিহ্নটো পৰিস্ফুট বুলি মই কব বিচাৰো। "মহাবিদ্যালয় সপ্তাহ" ও শৰীৰ চৰ্চা বিভাগীয় প্ৰতিযোগিতা মই আয়োজন কৰিব নোৱাৰিলো। এইটো বৰ দুখ লগা বিষয়। বৰ্তমান বিদ্যালয় সমূহত যি Extra Carri Cular Activities পাঠ্যক্ৰম ৰখাৰ ব্যবস্থা কৰা হৈছে তাৰ যোগেদি আমাৰ পিছ পৰা অঞ্চল বোৰৰ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতি তথা নিজৰ শাৰিৰীক আৰু মানসিক প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰিব। "Health is wealth"। শৰীৰ ভালে থাকিলে মন দুগুণ সুস্থ থাকে। যিজনৰ শাৰীৰিক গঠন সবল সিজনৰ মানসিক প্ৰখৰতা আৰু সাধাৰণ যোগ্যতা দেখিবলৈ পোৱা যায়। স্বাস্থ্য ভালে ৰাখিবলে হলে আমি শৰীৰ যত্ন নিশ্চয় লব লাগিব। যেনে নিয়মিত ব্যায়াম খেলা ধুলা আৰু তাৰ প্ৰশিক্ষণ, বিশেষ যুক্তি আদিৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যত জীৱন গঢ় দিবলৈ সকুৰে পৰা স্কুল কলেজৰ বিভিন্ন খেল ধেমালী প্ৰতিযোগিতা আদিত অংশ গ্ৰহণ কৰাৰ একান্ত প্ৰয়োজন। মহাবিদ্যালয়ত উপযুক্ত ব্যায়ামাগাৰ এটাৰ প্ৰয়োজনীয়তাক মোৰ কাৰ্য্যকাল ছোৱাত দিনকেইটাত মৰ্মে মৰ্মে উপলব্ধি কৰিছিলে। বিজ্ঞানসন্মত প্ৰশিক্ষণ আৰু আহিলাৰ অভাৱত মহাবিদ্যালয়ৰ ছাত্ৰ-হাত্ৰীৰ এই বিভাগত আগবঢ়াটো এটা বাধা স্বৰূপ।

সদৌ শেষত মোৰ কাৰ্য্যকালৰ সময় ছোৱাত বিভিন্ন প্ৰকাৰে সহায়, সহযোগ, উপদেশ আগবঢ়াই কৰ্ম সম্পাদনত অৰিহনা আগ বঢ়োৱাৰ বাবে বিভাগীয় তত্বাবধায়ক (অধ্যাপক) স্নাতক শেষান্ত বৰ্ষৰ শ্ৰীনিত্যানন্দ ৰাজবংশী (নিতু) অনিল ধীৰেণ, চম্পক, তাৰিণী, লক্ষেশ্বৰ, ৰবিন, বাবলু দাকু, উমেশ, জয়ন্ত সকলো লৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। শেষত মই যোৱা ভুল ক্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি সুৰেণ দাস মহাবিদ্যালয়ৰ দীৰ্ঘায়ু কামানা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছো।

ইতি—

শ্ৰীউদ্ধৱ কলিতা

সম্পাদক

শৰীৰ চৰ্চা বিভাগ



# College Staff : Teaching & Non-Teaching

| | | | |
|---|---|---|---|
| 1. | Dr. Dayanand Pathak, MA. LL.B. Ph.D | — | Principal. |
| 2. | Prof. (Mrs) Geeta Deka MA. (Double) M. Phil. | — | Dept. of Assamese |
| 3. | ,, (Mrs) Loopa Deka Barua, MA. | | ,, |
| 4. | ,, Jyotish Ch Barman, MA. | — | ,, |
| 5. | ,, Bishnu Kanta Serma, MA. | — | ,, |
| 6. | ,, (Mrs) Mizo Prova Bora, MA. | — | Dept. of English |
| 7. | ,, Ali Akbar Hussain, MA. | — | ,, |
| 8. | ,, (Mrs) Manjushree Barua, MA. B.T. M. Phil. | | ,, |
| 9. | ,, ,, Biva Goswami, MA. | — | Dept. of Education |
| 10. | ,, ,, Bina Pani Talukdar, MA. | — | ,, |
| 11. | ,, ,, Parul Das, MA. | — | ,, |
| 12. | ,, Subodh Chandra Choudhury, MA. | — | Dept. of Ecouomic |
| 13. | ,, (Mrs) Arati Deka, MA. | — | ,, |
| 14. | ,, ,, Meena Devi, MA. | — | ,, |
| 15. | ,, ,, Nandita Chaliha, MA. M. Phil. | — | Dept. of Political Science |
| 16. | ,, Druba Prasad Baishya MA. | | ,, |
| 17. | ,, (Miss) Anjana Sarma, MA. | — | ,, |
| 18. | ,, Prasanna Kumar Saharia, MA. (Double) | — | Dept. of History |
| 19. | ,, Yogesh Deka, MA. | — | Dept. of Political Science (PT) |
| 20. | ,, Dinesh Ch. Lahkar, MA. | — | Dept. of Economics (PT) |
| | | — | Head Assistant |
| 21. | Shri Ghanashyam Hatkhowa, | — | Office Assistant |
| 22. | Shri Harakumar Namasudra, | — | Office Peon |
| 23. | Shri Manik Hatkhowa, | — | Office Peon |
| 24. | Shri Gopal Malakar, | | |

----